বসন্ত-প্লাবন

ASSAM

DISTRICT LIBRARY

বসন্ত-প্লাৱন

মূল ৰচনা — ইভান তুৰ্গেনেভ

অনুবাদ — শ্ৰীকৃপানাথ বৈশ্য এম-এ

STATE CENTRAL LIBRARY
Call No.
ASSAM

নিবলা প্ৰকাশন
গুৱাহাটী—৩

BASANTA-PLAVAN—Assamese translation of Ivan S. Turgenev's SPRING TORRENTS by Kripanath Baisya, M. A., Dip. Lib Sc., Asstt. Librarian, Gauhati University Library and Published by Srimati Tilottama Baisya, Nirala Prakashan, Nizarapar, Gauhati — 3. First Publication—April, 1971. Price Rs 4·00

প্ৰকাশিকা
শ্ৰীমতী তিলোত্তমা বৈশ্য
নিৰলা প্ৰকাশন
নিজৰাপাৰ
গুৱাহাটী — ৩

চিত্ৰ শিল্পী
শ্ৰীবিমলকুমাৰ সাহা

প্ৰথম প্ৰকাশ
এপ্ৰিল, ১৯৭১

মুদ্ৰক
শ্ৰীকাৰ্ত্তিকচন্দ্ৰ পাণ্ডা
মুদ্ৰণী
৭১, কৈলাশ বোস ষ্ট্ৰীট,
কলিকাতা — ৬

কিতাপ বান্ধোতা
আৰ্য্য লক্ষ্মী বুক বাইণ্ডিং ৱৰ্কচ
কলিকাতা — ৯

মূল্য : ৪.০০ টকা

সৰ্ব্বস্বত্ব সংৰক্ষিত

নিবেদন

ইভান ছার্গেয়েভিচ তুর্গেনেভ (১৮১৮-১৮৮৩) ৰুছ সাহিত্যৰ সোণালী যুগৰ এগৰাকী শ্ৰেষ্ঠতম কথা-শিল্পী। তেওঁ অকল ৰুছ সাহিত্যকে চহকী কৰা নাই, তেওঁৰ ৰচনাৱলী বিশ্ব সাহিত্যৰো ধাউতিযুগীয়া কীৰ্ত্তিস্তম্ভ। তেওঁ এজন উচ্চ থাপৰ কবি আৰু গল্প লেখক আছিল যদিও, তেওঁৰ আন্তৰ্জাতিক খ্যাতি আৰু জনপ্ৰিয়তা থাইকৈ নিৰ্ভৰ কৰে তেওঁৰ উপন্যাসৰাজিৰ ওপৰত। ৰুছিয়াৰ ভূমিদান প্ৰথাৰ উচ্ছেদ সাধন আৰু নতুন যুগ নিৰ্মাণত তুৰ্গেনেভৰ অৰিহণা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। জনসাধাৰণৰ হিতৰ কাৰণে, অন্যায়ৰ বিৰুদ্ধে, ন্যায় আৰু মানৱতাৰ আদৰ্শসমূহৰ প্ৰতিষ্ঠাৰ হকে তেওঁৰ লেখনী সদায় নিৰত আছিল। তেওঁ আছিল বৰ্ত্তমান যুগৰ বাস্তৱবাদী আৰু উদ্দেশ্যধৰ্মী উপন্যাসসমূহৰ অন্যতম জনক। তেওঁৰ প্ৰকাশভঙ্গী সংক্ষিপ্ত, সৰল, সৰস, পোনপটীয়া, স্বতস্ফূৰ্ত্ত, কাব্যিক মাধুৰ্য্য, কৰুণৰস আৰু যৌৱনৰ উচ্ছ্বাসেৰে ভৰপুৰ। সেয়েহে তেওঁৰ উপন্যাসবোৰৰ ইমান আকৰ্ষণ, ইমান খ্যাতি, ইমান সমাদৰ। তুৰ্গেনেভৰ সাহিত্য সৌৰভেৰে গোটেই বিশ্ব আজি সুৰভিত, আমোদিত।

Spring Torrents তুৰ্গেনেভৰ মৌৱৰযা লেখনীসম্ভূত এটি অমৰ প্ৰেম-কাহিনী। ইয়াক বসন্ত-প্লাৱন নাম দি অসমীয়া ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰা হ'ল। কিতাপখনিৰ পাণ্ডুলিপিটো চাই-চিতি দিয়াৰ উপৰিও এটি সমালোচনামূলক অভিমত লিখি দিছে ডঃ শ্ৰীহীৰেন্দ্ৰনাথ গোহাঁয়ে। তাৰবাবে অনুবাদকে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে। তদুপৰি পাণ্ডুলিপিটোত থকা কিছুমান

বৰ্ণাশুদ্ধিৰ প্ৰতি আঙুলিয়াই দিয়াৰ বাবে শ্ৰীকমলানন্দ বৰদলৈ, সুন্দৰকৈ বেটুপাতটো আঁকি দিয়াৰ বাবে শ্ৰীবিমলকুমাৰ সাহা, প্ৰেছৰ লগত যোগাযোগ কৰাত সহায় কৰি দিয়াৰ বাবে শ্ৰীমনোজকুমাৰ দত্ত আৰু শ্ৰীশৈলেন্দ্ৰনাথ বিশ্বাস আৰু কলিকতাৰ অশান্ত ৰাজনৈতিক পৰিস্থিতিৰ মাজতো তালৈ গৈ আহি কাকত শুধৰোৱা কামকে আদি কৰি কিতাপখন প্ৰকাশ হোৱাত আগভাগ লৈ কাম কৰাৰ বাবে শ্ৰীহৰেকৃষ্ণ মহন্তৰ প্ৰতিও অনুবাদকে কৃতজ্ঞতা প্ৰকাশ কৰিছে।

অসম প্ৰকাশন পৰিষদৰ অৰ্থ-সাহায্য অবিহনে সোনকালে কিতাপখন প্ৰকাশ কৰি উলিওৱা টান হলহেঁতেন—সেই সৌজন্যৰ কাৰণে পৰিষদৰ সদস্যমণ্ডলী আৰু সচিব শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াৰ ওচৰতো অনুবাদক বিশেষভাৱে কৃতজ্ঞ। নানান আহুকলীয়া পৰিস্থিতিৰ মাজতো কম সময়ৰ ভিতৰতে সুন্দৰকৈ ছপাই কিতাপখন পঢ়ুৱৈ সমাজৰ আগত উলিয়াই দিয়াৰ বাবে মুদ্ৰণী প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীকাৰ্ত্তিকচন্দ্ৰ পাণ্ডা আৰু কৰ্মীবৃন্দও ধন্যবাদৰ পাত্ৰ।

সদৌ শেষত কওঁ যে এই অনুবাদকৰে আন এখনি অনূদিত গ্ৰন্থ জাহানাৰাই সহৃদয় পাঠকসকলৰপৰা আশাতীতভাৱে মৰম আৰু আশীৰ্বাদ পাইছে। এই পুথিখনকো পাঠকসকলে আদৰি লব বুলি আশা কৰিলো।

বিনীত—
শ্ৰীকৃপানাথ বৈশ্য
২০।৭।৭১

গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী — ১৪

বসন্ত-প্লাবন

এক

ৰাতি এক বজাৰ পিচত তেওঁ পঢ়া কোঠাটোৰ ভিতৰত সোমাল। মমবাতি জ্বলাবলৈ অহা ভৃত্যজনক পঠাই দি তেওঁ জুহালৰ কাষত চকী এখনত বহি মূৰে-কপালে হাত দিলে। তেওঁ জীৱনত কেতিয়াও এনেকুৱা দৈহিক আৰু মানসিক অৱসাদ অনুভৱ কৰা নাছিল। গোটেই সন্ধিয়াটো তেওঁ কিছুমান ভদ্ৰ মহিলা আৰু পুৰুষৰ লগত কটাইছিল। সৰহ সংখ্যক মহিলাই আছিল ৰূপৱতী আৰু পুৰুষসকলৰ প্ৰায় ভাগেই আছিল চিন্তাশীল আৰু প্ৰতিভাশালী ব্যক্তি। তেওঁলোকৰ লগত কথা পাতোঁতে তেওঁ নিজৰ বিদ্যা-বুদ্ধিৰ পৰিচয় দিছিল। ... কিন্তু তথাপিও ইয়াৰ আগতে তেওঁ কাহানিও জীৱনৰ প্ৰতি এনে বিৰক্তি অনুভৱ কৰা নাছিল। জীৱনৰ প্ৰতি এনেকুৱা ঘৃণাই তেওঁক কেতিয়াও এনেদৰে শ্বাসৰুদ্ধকাৰী শক্তিৰে পৰাভূত কৰিব পৰা নাছিল। তেওঁ যদি আৰু অলপ কম বয়সীয়া হ'লহেঁতেন, তেনেহলে তেওঁ যন্ত্ৰণা আৰু বিৰক্তিত কান্দি পেলালেহেঁতেন। এক তীব্ৰ, তিক্ত বেদনাই তেওঁৰ অন্তৰখন ছাটি ধৰিলে। এই বেদনাৰ পৰা হাত সাৰিবলৈ তেওঁ কোনো উপায় নাপালে। নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় ললেও যে তেওঁৰ টোপনি নাহিব, সেই কথা তেওঁ ভালদৰে বুজিলে।

মন্থৰ, নিস্তেজ, তিক্ত চিন্তাৰাশিয়ে তেওঁক জুমুৰি দি ধৰিলে।

মানৱীয় সকলো ভেম, সকলো প্ৰাচুৰ্য্য আৰু সকলো অসাৰতাৰ কথা তেওঁ ভাবিবলৈ ধৰিলে। এটা এটাকৈ তেওঁ জীৱনৰ প্ৰতিটো স্তৰ অতিক্ৰম কৰি গৈছিল, কিন্তু কোনোটো স্তৰতে তেওঁ সন্তুষ্টি লাভ কৰিব পৰা নাছিল (তেওঁৰ বয়স বাৰনৰ অলপ ওপৰ হৈছিল)। এই যে অহৰ্নিশ কৰ্মব্যস্ততা, এই যে নিৰৰ্থক শক্তিৰ অপচয়, এই যে

আত্ম-প্ৰবঞ্চনা — সকলোবোৰ কেৱল বিপথৰ কাৰণেহে। বিনামেঘে বজ্ৰপাতৰ দৰে মৃত্যুৰ ক্ষয়ঙ্কাৰী বিভীষিকা লগত লৈ হঠাতে নামি আহে বাৰ্দ্ধক্য। আৰু তাৰ পিচত কৱৰ, গহ্বৰ। তীখাত মাহৰে ধৰাৰ দৰে জীৱনৰ বস্তিগছি সুমাই যোৱাৰ আগতে দেহলৈ নামি আহে দুৰ্বলতা আৰু যন্ত্ৰণা। কবিসকলে জীৱন-সমুদ্ৰৰ তাণ্ডৱ নৃত্যৰ কথা বৰ্ণনা কৰিছে। কিন্তু টুলুঙা নাৱ এখনত উঠি তেওঁ ভাবিছিল সমুদ্ৰ যেন সদায় শান্ত, সৌম্য, নিশ্চল, স্বচ্ছ। এতিয়াহে তেওঁ বুজিছে সমুদ্ৰৰ ক'লা পলসুৱা মাটিৰ তলত বিৰাটকায় মাছ-মগৰ, দৈত্য-দানৱ আদি লুকাই আছে। বেমাৰ, ভাগ্য-বিপৰ্য্যয়, বলিয়ালি, দীনতা, অন্ধতা — এইবোৰ হৈছে জীৱনৰ অবিচ্ছেদ্য দুখ-যন্ত্ৰণা। তেওঁ সাগৰৰ তলিলৈ মাণ চাই দেখিলে অন্ধকাৰ ভেদ কৰি যেন এটা দানৱ ওপৰলৈ উঠি আহিব ধৰিছে, হয়তো মুহূৰ্ত্তৰ পিচতে তেওঁৰ নাৱখন ডুবাই দিব, কিন্তু হঠাতে সি আকৌ তললৈ নামি গ'ল। কিন্তু এদিন নিৰ্দিষ্ট সময় আহিব আৰু সি তেওঁৰ নাৱখন বুৰাই দিব।

তেওঁ মূৰটো দাঙিলে আৰু চকীখনৰপৰা উঠি কোঠাটোৰ ভিতৰত ইফাল-সিফাল কৰিব ধৰিলে। তাৰ পিচত ডেস্কখনৰ কাষলৈ গৈ এটাৰ পাচত আন এটা দেৰাজ খুলি পুৰণি কাগজ আৰু চিঠিবোৰ চাবলৈ ধৰিলে। সৰহ সংখ্যক চিঠি আহিছিল তিৰোতাৰপৰা। কি যে বিচাৰিছিল তেওঁ নিজেই জনা নাছিল। তেওঁ কেৱল বিচাৰিছিল মনলৈ অহা এই ভয়াবহ চিন্তাবোৰৰপৰা হাত সাৰিবলৈ। উধামুধাকৈ বহুতো চিঠিৰ ওপৰেদি তেওঁ হাত বুলালে। হঠাৎ এখন চিঠিৰ ভিতৰত মলিন ফিটা এডালেৰে গঁথা লেৰেলি যোৱা ফুল এটা দেখি তেওঁৰ গাটো জিকাৰ খাই উঠিল। তেওঁ চিঠিবোৰ একাষৰীয়াকৈ ৰাখিলে, বোধহয় সেই আৱৰ্জনাবোৰ পুৰি পেলাবৰ কাৰণে। তত্তালিকে দেৰাজ এটাৰ পৰা তেওঁ সৰু আওপুৰণি ধৰণৰ আঠকুণীয়া বাকচ এটা উলিয়াই আনিলে। আলফুলকৈ বাকচটোৰ ঢাকনিখন খোলাৰ লগে

লগে তেওঁ আচৰিত হ'ল। বাকচটোৰ ভিতৰত আছিল ছুতৰণীয়া হালধীয়া ৰঙৰ কপাহী কাপোৰেৰে মেৰোৱা এটা সৰু গাৰ্ণেট ক্ৰছ।

সবিস্ময়ে কেইবামিনিটো ধৰি তেওঁ ক্ৰছটোৰ পিনে চাই আছিল। তেওঁৰ চকুৱে-মুখে আনন্দ-নিৰানন্দৰ ভাব এটি বিৰিঙি উঠিল। বহুদিনৰ মূৰত হঠাতে অতি মৰমৰ, অতি হেপাহৰ জনক লগ পালে মনত যেনে ভাব হয়, তেওঁৰ মনতো তেনে ভাব হ'ল। তেওঁ জুহালৰ কাষলৈ গৈ আকৌ চকীখনত বহিল আৰু বাৰে বাৰে মুখে-কপালে হাত বুলাবলৈ ধৰিলে।

অতীতৰ সকলো ঘটনা, সকলো স্মৃতি এটা এটাকৈ তেওঁৰ মানস-পটত জিলিকি উঠিল। তেওঁৰ গৌত্ৰিক নাম আছিল ডিমিত্ৰি পাভলোভিচ আৰু ঘৰুৱা নাম আছিল ছানিন।

তেওঁৰ মনত পৰা কথাবোৰ হ'ল এই

১৮৪০ চনৰ গ্ৰীষ্ম কাল। ছানিনে তেইশ বছৰত ভৰি দিছেহি মাথোন ইটালীৰ পৰা ৰুছিয়া অভিমুখে ৰাওনা হৈ বাটত তেওঁ মেইন নদীৰ পাৰত অৱস্থিত ফ্ৰাঙ্কফুৰ্ট নগৰীত উপস্থিত হ'ল। ছানিন আছিল মধ্যবিত্ত পৰিয়ালৰ এজন স্বাধীন-চিন্তীয়া যুৱক। নিজৰ অণ্ডহী-বণ্ডহী নাই বুলিলেই হয়। এজন দূৰসম্পৰ্কীয় আত্মীয়ৰ পৰা উত্তৰাধিকাৰীসূত্ৰে তেওঁ কেইহাজাৰমান ৰুবল পাইছিল। জীৱন নিৰ্বাহৰ কাৰণে চৰকাৰী চাকৰিৰ দাসত্বৰ বোজা বহন কৰাৰ আগতে তেওঁ নিজৰ হাতত থকা ধনখিনি এনেভাৱে খৰচ কৰিছিল যে, ফ্ৰাঙ্কফুৰ্ট পাবৰ দিনা তেওঁৰ হাতত পিটাচবুৰ্গ পোৱাৰ জোখাইহে ধন আছিল। তাহানিখন য়ুৰোপত ৰেলগাড়ীৰ প্ৰচলন নাছিল বুলিলেই হয়। মানুহে অতি কষ্টেৰে ইখন ঠাইৰপৰা সিখন ঠাইলৈ যাব লাগিছিল। ছানিনে নিশা দহ বজাত ৰাওনা হোৱা বেইওৱাজেন এখন বন্দবস্ত কৰিলে। বহুত ৰুবকাল আছিল।

তেওঁ তাহানিৰ সুবিখ্যাত হোটেল 'শুভ্ৰ-হংস'ত খোৱা-লোৱা কৰি নগৰৰ পিনে এপাক মাৰিবলৈ ওলাল। তেওঁ ডায়েকাৰৰ এবিয়াডনে চালে, গ্যেটেৰ বাসভূমিত পদাৰ্পণ কৰিলে, কিন্তু ক'তো তেওঁ শান্তি নাপালে। তেওঁ মেইন নদীৰ পাৰে পাৰে ঘূৰিলে, তাতো তেওঁ শান্তি নাপালে। অৱশেষত পৰিশ্ৰান্ত হৈ সন্ধিয়া ছয় বজাৰ অলপ আগতে তেওঁ ফ্ৰাঙ্কফুৰ্টৰ একেবাৰে আওহতীয়া বাট এটাৰে খোজ ললে। এই বাটটো তেওঁৰ স্মৃতি - পটত বহু দিনলৈ জাহি আছিল। তেওঁ গৈ ইটালীয় জিওভানী বোজেলীৰ মিঠাই দোকান পালে। লেমনেড এগিলাচ খাবৰ কাৰণে ছানিন দোকানৰ ভিতৰলৈ সোমাই গ'ল। ভিতৰত কোনো নাছিল। খিড়িকীৰ ওপৰত বহি জিলমিলীয়া চকু দুটাৰে মুগা মেকুৰী এটাই মাথোন ঘোৰঘোৰাই আছিল। কাষৰ কোঠাটোত অস্পষ্ট শব্দ শুনা গৈছিল। ছানিনে "ভিতৰত কোন আছে?" বুলি সোধাৰ লগে লগে দুৱাৰখন মেল খালে।

দুই

সম্মুখৰ কোঠাটোলৈ প্ৰায় উনৈশ বছৰীয়া গাভৰু ছোৱালী এজনী সোমাই আহিল। কেঁকোৰা কেঁকুৰি চুলিবোৰ তেওঁৰ উদং গলধনৰ ওপৰত পৰি আছিল। খালী হাত দুখন আগবঢ়াই দি তেওঁ ছানিনৰ ওচৰলৈ দৌৰি আহিল আৰু তেওঁৰ হাতত ধৰি হেঁপাহ - কোঁপাই "আহক, আহক, তাক ৰক্ষা কৰক," বুলি চিএঞৰিবলৈ ধৰিলে। ছানিনে হতভম্ব হৈ গছ এজোপাৰ দৰে থিয় হৈয়ে থাকিল। তেওঁ জীৱনত কেতিয়াও এনেকুৱা অপৰূপ সৌন্দৰ্য্যৰ নাৰী - মূৰ্ত্তি দেখা নাছিল। ছোৱালীজনীয়ে পুনৰ চিএঞৰি উঠিল, "আহক, অনুগ্ৰহ কৰি আহক!" তেওঁৰ কণ্ঠত, তেওঁৰ চাৱনিত, তেওঁৰ হাতৰ ভঙ্গীত এনে এটি নৈৰাশ্যৰ, এনে এটি উৎকণ্ঠাৰ ভাব ফুটি উঠিছিল যে,

ছানিনে আৰু এক মুহূৰ্ত্তও বিলম্ব কৰিব নোৱাৰিলে। তেওঁ ছোৱালীজনীৰ পাচে পাচে খোজ ললে।

কোঠাটোৰ ভিতৰলৈ গৈ তেওঁ দেখিলে পুৰণিকলীয়া ধোঁৱাৰ নোমৰ ছোফা এখনত প্ৰায় চৈধ্য বছৰীয়া ল'ৰা এটা পৰি আছে। লৰাটো দেখিবলৈ যেনিবা সাইলাখ ছোৱালীজনীহে, বোধহয় ছোৱালীজনীৰ ভায়েক। তাৰ মুখখন শেঁতা, চকু দুটা মুদ খোৱা। কিঞ্চিৎ নীল বৰণীয়া ওঁঠ দুটাৰ মাজেদি তাৰ জাপ খাই থকা দাঁতবোৰ ওলাই আছিল। তাৰ যেন উশাহ-নিশাহ বন্ধ হৈ গৈছিল। তাৰ এখন হাত ওলমি আছিল আৰু আনখন হাত মূৰৰ ওপৰত পৰি আছিল।

ছোৱালীজনীয়ে সাউৎ কৰে ছানিনৰ কাষলৈ গৈ কান্দি কান্দি কবলৈ ধৰিলে, "সি মৰিল, সি মৰিল। অলপ আগতে সি মোৰ লগত কথা পাতি আছিল। হঠাতে সি পৰি গ'ল। এতিয়া সি নিস্পন্দ হৈ পৰি আছে। হে ভগবান, তাক বচাবৰ কাৰণে কিবা এটা পথ দিয়া! মাও ঘৰও নাই। পেণ্টালিয়ন, পেণ্টালিয়ন, ডাক্তৰ ক'ত?" ইটালীয় ভাষাত ছোৱালীজনীয়ে সুধিলে, "তুমি ডাক্তৰ আনিবলৈ গৈছিলানে?"

পেণ্টালিয়ন নামৰ বুঢ়াটোৱে দুৱাৰৰ কাষৰপৰা ভগা ভগা মাতেৰে ক'লে—"ছিনৰীনা, মই নিজে যোৱা নাই, লুইজাকহে পঠাইছো।" ক্ষীণ, পেঙেটা বুঢ়াজন পেঙুচিয়াই পেঙুচিয়াই কোঠাটোৰ ভিতৰলৈ সোমাই আহিল। তেওঁৰ ক'লা ধোঁৱাবৰণীয়া চুলিবোৰ যেনি-তেনি পৰি আছিল। সেই কাৰণে তেওঁৰ জোঙা নাকটো আৰু ঘূৰণীয়া হালধীয়া চকু দুটাহে মাথোন দেখা গৈছিল। তেওঁ যেন এটা জঁ থকা কুকুৰাহে।

"মই দৌৰিব নোৱাৰোঁ। লুইজা মোতকৈ আগেয়ে ডাক্তৰৰ ঘৰ পাবগৈ," বুঢ়াই ক'লে।

গঁঠীয়া শুকান আঙুলি কেইটাৰে তেওঁ দীঘল গলীয়া বটল এটাত এবটল পানী টানকৈ ধৰি আছিল।

হোৱালীজনীয়ে ছানিনৰ পিনে আঙুলিয়াই ক'লে—“ কিন্তু ডাক্তৰ অহাৰ আগতেই এমিলি আৰু ইহসংসাৰত নাথাকিব। হে দয়ালু মহাশয়, তাৰ কাৰণে কিবা এটা ব্যৱস্থা কৰিব নোৱাৰিনে ? ”

পেণ্টালিয়নে ক'লে—“ তাৰ ষ্ট্ৰোক হৈছে। সি জেজে বঁতিয়াব। ”

যদিও ছানিনৰ দৰবজাতিৰ কোনো অভিজ্ঞতা নাছিল, তথাপি তেওঁ ভালকৈ জানিছিল যে, চৈধ্য বছৰীয়া ল'ৰা এটাৰ ‘ষ্ট্ৰোক্’ হব নোৱাৰে।

ছানিনে পেণ্টালিয়নক লক্ষ্য কৰি ক'লে—“ তেওঁ মূৰ্চ্ছা গৈছে, তেওঁৰ ‘ ষ্ট্ৰোক্ ’ হোৱা নাই। আপোনালোকৰ বুৰুজ আছেনে ? ”

“ কি ? ”

“ বুৰুজ, বুৰুজ, ” ছানিনে দোহাৰি ক'লে, প্ৰথমতে জাৰ্মান ভাষাত,- পিচত ফৰাচী ভাষাত। নিজৰ কোটটোত, ঘঁহি বুজাই দিয়াৰ চলেৰে আকৌ ক'লে, “ বুৰুজ। ”

“ অ ’ বুৰুজ ! নিশ্চয় আছে। ”

“ বেগতে লৈ আহক। তেওঁৰ কোটটো সোলোকাই আমি ভালদৰে গাটো ঘঁহি দিব লাগিব। ”

“ ভাল বাৰু। মূৰত পানী ঢালিব নালাগেনেকি, নালাগে। যমান সোনকালে পাৰে এতিয়া বুৰুজহে আনক

পেণ্টালিয়নে বটলটো মাটিত থৈ মুহূৰ্ত্তৰ ভিতৰতে দুডাল বুৰুজ আনিলে — এডাল চুলি আঁচোৰা, আনডাল কাপোৰ ঘঁহা। বুঢাৰ পাচে পাচে কেঁকোৰা - কেঁকুৰি নোমেৰে ঢকা এটা কুকুৰ পোৱালিও আহিল। সি বুঢাৰ পিনে, ছোৱালীজনীৰ পিনে, এনেকি ছানিনৰ পিনেও অনুসন্ধিৎ - সুপৰায়ণ হৈ চালে। এই হৈ-চৈ বোৰৰ কথা সিও যেন জানিবলৈ ব্যগ্ৰ হৈছিল।

ছানিনে ল'ৰাটোৰ কোটটো সোলোকাই দি কলাৰটো ঢিলা কৰি দিলে, আৰু কামিজটোৰ হাত দুখনো কোঁচাই দিলে। তাৰ পিচত বুৰুজ এডালেৰে ল'ৰাটোৰ বুকুখন আৰু হাত দুখন জোৰেৰে

ঘঁহিবলৈ ধৰিলে। পেণ্টালিয়নেও ঠিক তেনেদৰে চুলি আঁচোৰা, বুকৰ ভালেৰে ল'ৰাটোৰ বুটজোতাযোৰ আৰু পাইজামাটোৰ ওপৰত ঘঁহিবলৈ ধৰিলে। ছোৱালীজনীয়ে ছোকাখনৰ কাষত আঁঠু কাঢ়ি মুখে-কপালে হাত দি ভায়েকৰ মুখৰ পিনে একথৰে চাই থাকিল।

মাজে সময়ে ছানিনে ঘঁহিবলৈ এৰিছিল আৰু ছোৱালীজনীৰ পিনে কেৰাহিকৈ চাই মনে মনে ভাবিছিল ভগবানৰ কেনে বিনন্দীয়া সৃষ্টি!

তিনি

ছোৱালীজনীৰ নাকটো আছিল ঈগল চৰাইৰ ধুনীয়া ঠোঁটৰ দৰে ঈষৎ দীঘল। ওপৰৰ ওঁঠটোত পৰি আছিল অলকাৰ ছাঁ। চেহেৰা আছিল হাতী দাঁতৰ দৰে লনি, স্বচ্ছ। ঢৌ খেলি থকা চুলিকোছা আছিল লাহৰী। ছাই-বৰ্ণী চকুযুৰি ভয় আৰু বিষাদৰ কাৰণে ম্লান হৈ পৰিছিল যদিও সিহঁতৰ আকৰ্ষণ শক্তি আছিল অদ্ভুত, অতুল।

অজ্ঞাতসাৰে ছানিনৰ মনত পৰিল অতীতৰ গৌৰৱমণ্ডিত দেশ ইটালীৰ কথা। কিন্তু ক'তা? এনেকুৱা সৌন্দৰ্য্যময়ী নাৰী-মূৰ্ত্তি দেখাৰ কথাতো তেওঁৰ মনত নাই! ছোৱালীজনীয়ে কেতিয়াবা ঘনাই, কেতিয়াবা দীঘলীয়াকৈ হুমুনিয়াহ কাঢ়ি স্থিৰ দৃষ্টিৰে চাই আছিল তেওঁৰ ভায়েকৰ পিনে — কেতিয়ানো তাৰ চেতনা ঘূৰি আহে!

ঘঁহি থাকোঁতে ছোৱালীজনীয়েহে যে ছানিনৰ দৃষ্টি আকৰ্ষণ কৰিছিল এনে নহয়, সেই জৰা-জীৰ্ণ বৃদ্ধ পেণ্টালিয়নেও তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিছিল। বুঢ়াই কেঁকাই-গেঁথাই মুখ ফুলিয়াই ফুলিয়াই ঘঁহি ঘঁহি ঘামি-জামি গৈছিল। পানীৰ ধাৰত লৰি থকা গছৰ শিপাবোৰৰ দৰে বুঢ়াৰ তিতা চুলিবোৰ ইফালে-সিফালে লৰি আছিল।

" বুঢ়াবোৰ সোলোকাই লওক " বুলি কব খোজোতেই কুকুৰটোৱে ভুকিলে। বুঢ়াই কুকুৰটোৰ পিনে চাই ক'লে, " ভাটাগলিয়া, চুপ্ থাক।"

হঠাতে ছোৱালীজনীৰ চেহেৰা বদলি গ'ল, তেওঁৰ মুখত আনন্দৰ ৰেখা বিৰিঙি উঠিল।

ছানিনে ইফালে-সিফালে চালে। ল'ৰাজনৰ মুখলৈ তেজ আহিছে, চকুৰ পতা লৰিছে, নাকৰ পাহি কঁপিছে। জাপ গৈ থকা দাঁতবোৰৰ মাজেদি উশাহ টানি সি এটা হুমুনিয়াহ কাঢ়িলে।

" এমিলি, এমিলিও " কৈ ছোৱালীজনীয়ে চিঞৰি উঠিল।

লাহে লাহে ল'ৰাটোৰ ডাঙৰ ক'লা চকু দুটা মেল খালে। প্ৰথমতে উদাস দৃষ্টি আৰু অলপ পিচতে চকুৱে-মুখে দেখা দিলে এটি ক্ষীণ হাঁহি। ওলমি থকা হাতখন সি লাহে লাহে বুকুৰ ওপৰত তুলি ললে।

ছোৱালীজনীয়ে থিয় হৈ আকৌ এবাৰ মাতিলে, " এমিলিও ! " ছোৱালীজনীৰ মুখৰ চেহেৰা ইমান উজ্জল, ইমান গম্ভীৰ হৈছিল যে, তেওঁ হাঁহিবই নে কান্দিবই একো বুজা নগৈছিল।

দুৱাৰৰ বাহিৰৰ পৰা " এমিলি, এমিলি, কি হৈছে ? কি হৈছে ? " বুলি চিঞৰি চিঞৰি তিৰোতা এগৰাকী বেগাই ভিতৰলৈ সোমাই আহিল। তিৰোতাগৰাকী আছিল সুসজ্জিতা, শুভ্ৰ-কেশী, কৃষ্ণাঙ্গী। তেওঁৰ পাচে পাচে আহিছিল এজন বয়সীয়াল মানুহ আৰু মানুহজনৰ পাচত ভুমুকি মাৰিছিল এজনী দাসীয়ে।

ছোৱালীজনীয়ে দৌৰি গৈ তিৰোতাজনীক সাবট মাৰি ধৰি ক'লে— " মা, সি বাচিছে, সি বাচিছে ! "

" কি হৈছিল নকৱ কিয় ? মই ঘৰলৈ উভতি আহোতে বাটতে ডাক্তৰ আৰু লুইজাক লগ পালোঁ।"

ছোৱালীজনীয়ে মাকক সকলো কথা বিৱৰি ক'লে। ডাক্তৰ ৰোগীৰ ওচৰলৈ গ'ল। লাহে লাহে ল'ৰাটোৰ জ্ঞান আহিল। সি

মিচিকিয়াই হাঁহিবলৈ ধৰিলে আৰু সকলোৰে ভয়ৰ কাৰণ হোৱা বাবে লাজ পালে।

ডাক্তৰে ছানিন আৰু পেণ্টালিয়নৰ উপস্থিত বুদ্ধিৰ প্ৰশংসা কৰিলে আৰু অন্যান্য ব্যৱস্থা হাতত ললে।

উৎকণ্ঠিতা হৈ মাক ল'ৰাটোৰ ওপৰতে ঢলি পৰিল। সি অলপ ডাঙৰকৈ হাঁহিব ধৰিলে আৰু মাকৰ পিনে চাই বস্তা - চিন্তা পৰি গ'ল।

ছানিন দোকানলৈ গৈ বাটৰ কাষৰ দুৱাৰখনত ধৰা মাত্ৰকে ছোৱালীজনীয়ে তেওঁক আগচি ধৰিলে।

"আপুনি যাবলৈ ওলাল নেকি?" কৃতজ্ঞতাপূৰ্ণ চাৱনিৰে ছোৱালীজনীয়ে সুধিলে। "মই আপোনাক ৰাখিব নোখোজোঁ, কিন্তু আপুনি কথা দিব লাগিব, আজি গধূলি আমাৰ ইয়ালৈ আহিম বুলি। আপোনাৰ ওচৰত আমি পৰম কৃতজ্ঞ। আপুনি নোহোৱা-হেঁতেন, কিজানি মোৰ ভাইটিক ঘূৰাই নাপালো - হেঁতেন। আমি আপোনাক ধন্যবাদ জনাইছো, মায়ো জনাইছে। অপোনাৰ পৰিচয় আমাক দিব লাগিব আৰু লগতে আমাক আপ্যায়িত কৰিব লাগিব।"

"কিন্তু আজি নিশা যে মই বাৰ্লিনলৈ যাব লাগিব।" ছানিনে লেনিয়াই ক'লে।

লগে লগে ছোৱালীজনীয়ে ক'লে — "আপুনি যথেষ্ট সময় পাব। আহিব, মাত্ৰ এঘণ্টাৰ কাৰণে আহিব। আমাৰ লগত এগিলাচ চকলেট খাব। এতিয়া কথা দিয়ক। মই তাৰ ওচৰলৈ যাব লাগে। আপুনি আহিবই লাগিব, নাহিব জানো?"

"আহিম বাৰু," তেওঁ ক'লে।

ছোৱালীজনীয়ে ছানিনক কৰমৰ্দ্দন কৰি সাউৎ কৰে ভায়েকৰ ওচৰলৈ গুচি গ'ল। পিচ মুহূৰ্ত্ততে ছানিনো আলিত উঠিল গৈ।

চাৰি

ভেৰ ঘণ্টাৰ পিচত ছানিন মিঠাই দোকানলৈ ঘূৰি আহিল। তেওঁ যেন এতিয়া সেই পৰিয়ালৰহে এজন। এমিলি তেতিয়াও ছোফাখনতে বহি আছিল। ডাক্তৰে তাৰ কাৰণে ঔষধৰ ফৰ্দ্দি এখন কৰি দিছিল আৰু লগতে ভাব-চিন্তাৰপৰা বিৰত থাকিবলৈ উপদেশ দিছিল, কাৰণ স্নায়বিক দুৰ্ব্বলতাৰ হেতু তাৰ বুকুৰ বেদনা হোৱাৰ সম্ভাৱনা আছিল। অকল এমিলিয়ে যে প্ৰফুল্লিত আৰু উৎসৱমুখৰ হৈছিল এনে নহয়, — গোটেই ঘৰখনতে আনন্দোৎসৱ বিৰাজ কৰিছিল। ছোফাখনৰ কাষত আছিল চিকুন কাপোৰ এখনেৰে ঢকা এখন ঘূৰণীয়া মেজ। মেজৰ ওপৰত চীনামাটিৰ এটা ডাঙৰ কফি-পাত্ৰ, চকলেটৰ এটা পিয়লা, বিস্কুট আদি নানা তৰহৰ খাদ্য সামগ্ৰী আৰু ফুলদানিত অনেক ফুল সজোৱা আছিল। পুৰণিকলীয়া ছুডাল ৰূপৰ দীপাধাৰত ছুডাল মমবাতি জ্বলি আছিল। ছোফাখনৰ কাষত এখন হাত থকা চকীত ছানিনক বহিবলৈ দিয়া হৈছিল। ঘৰখনৰ পূৰ্ব্বপৰিচিত সকলো ব্যক্তি, এনেকি ভাৰ্টাগলিয়া নামৰ সেই কুকুৰ পোৱালিটো আৰু মেকুৰীজনীও তাত উপস্থিত আছিল। ছানিনৰ নাম-ধাম আদি সকলো সোধা হৈছিল। ছানিনক এজন ৰুছ বুলি জানি, মাক - জীয়েক কিছু আচৰিত হৈছিল, কাৰণ জাৰ্ম্মান ভাষাত তেওঁ সুন্দৰকৈ কথা পাতিব পাৰিছিল, অৱশ্যে ছানিনক ৰুচী ভাষা কোৱাৰো অধিকাৰ দিয়া হৈছিল, কাৰণ সেই ভাষাও তেওঁলোকে বুজিছিল আৰু ভালদৰে কৰ পাৰিছিল। ছানিনে সেই সুযোগো গ্ৰহন কৰিছিল।

"ছানিন, ছানিন!" ৰুছ নাম এটা যে ইমান সহজ হব পাৰে তাক তেওঁলোকে কেতিয়াও ভবা নাছিল। তেওঁৰ খৃষ্টান নাম আছিল

ডিমিত্রি। এই নামটোও তেওঁলোকৰ মানত বেচ ভাল লাগিছিল। ছানিনে প্ৰায় এঘণ্টা সময় কথা-বতৰা পাতিলে। মাক আৰু জীয়েকেও তেওঁলোকৰ ঘৰুৱা জীৱনৰ অনেক কথা ক'লে। ছানিনে জানিব পাৰিলে ডিবোভাজনীৰ নাম লিওনোৰা ৰোজেলী। পঁচিশ বছৰ আগতে তেওঁৰ স্বামী জিওভানি বেত্তিষ্টা ৰোজেলী ভিচেঞ্জাৰপৰা ফ্ৰাঙ্কফুৰ্টলৈ আহিছিল। গিৰিয়েকৰ মৃত্যুৰ পিচত তেওঁ আৰু বিয়াত নোসোমাল, মিঠাইৰ দোকানখন চলাই কোনোমতে টুকুটাকুকৈ চলি আছে। গিৰিয়েক আছিল এজন ৰিপাব্লিকান, কিন্তু তেওঁৰ অলপতে খং উঠিছিল আৰু তেওঁ আছিল দুন্দুৰা স্বভাৱৰ। তথাপিও তেওঁ আছিল এজন সৰল প্ৰকৃতিৰ লোক। মেডাম ৰোজেলীৰ ঘৰ আছিল প্ৰাচীন পাৰ্মা নগৰীত। তেওঁ খুব জোঁকাৰি ছুখমনে কৈছিল যে, ছোৱালীজনী আৰু ল'ৰাজনৰ বাহিৰে তেওঁৰ আৰু কোনো নাই। ছোৱালীজনীৰ নাম জেমা আৰু ল'ৰাটোৰ নাম এমিলি। সিহঁত শান্ত আৰু বাধ্য, বিশেষকৈ এমিলি। মাকৰ কথা শুনি জীয়েকে ঘপহ্‌কৰে ক'লে — " মই অবাধ্য নেকি ? " মাকে প্ৰত্যুত্তৰত ক'লে— " অ ' তয়ো এজনী ৰিপাব্লিকান। " গিৰিয়েকে খুব ভাল মিঠাই বনাব পাৰিছিল, গিৰিয়েক মৰাৰ পিচত দোকানখনৰ অৱস্থা বেয়া হৈছে, কিন্তু ভগবানৰ কৃপাত তেওঁলোক কোনোমতে চলি আছে।

পাচ

ম্যাকে কথা পাতি থাকোতে জেমাই কেতিয়াবা মিচিকিয়াই হাঁহিছিল, কেতিয়াবা দীঘল হুমুনিয়াহ কাঢিছিল আৰু প্ৰায়ে ছানিনৰ পিনে লক্ষ্য কৰিছিল। কিছু সময়ৰ পিচত তেওঁ থিয় হৈ মাকক সাবটি ধৰি চুমা এটা খালে। মাকে হাঁহি হাঁহি ছিঁছিঁ কৰিব ধৰিলে। পেণ্টালিয়নকো ছানিনৰ লগত পৰিচয় কৰাই দিয়া হৈছিল। তেওঁক গানৰ দলত বেৰিতোন গোৱা বুলি অনুমান হৈছিল, কিন্তু বহুবছৰ আগতেই তেও থিয়েটাৰ ত্যাগ কৰি ৰোজেলী পৰিয়ালৰ লগত মিলি গৈছিল। তেওঁক ভৃত্যও বুলিব নোৱাৰি, বন্ধুও বুলিব নোৱাৰি। তেওঁ জাৰ্মান ভাষা ভাল নাপাইছিল আৰু সেই ভাষাত ভালকৈ কথাও কব নোৱাৰিছিল, কিন্তু ইটালীয় ভাষা তেওঁ নিয়াৰিকৈ কব পাৰিছিল।

জীৱন-সঙ্কুল অৱস্থাৰপৰা উদ্ধাৰ পাই এমিলিয়ে এটি নতুন আনন্দ অনুভৱ কৰিছিল। সি লাজ লাজকৈ ছানিনক কৃতজ্ঞতা জ্ঞাপন কৰিছিল আৰু বেছি ভাগ সময় ছিৰাপ আৰু মিঠাই দিয়াত ব্যস্ত আছিল। ছানিনে ডাঙৰ কাপত ডকাপ চকলেট আৰু নানা তৰহৰ বিস্কুট খাবলৈ বাধ্য হৈছিল। এটা বিস্কুট খোৱা শেষ নৌহওতেই জেমাই আন এটা বিস্কুট তেওঁৰ মুখৰ আগত দাঙি ধৰিছিল আৰু তেওঁ তাক প্ৰত্যাখ্যান কৰিবলৈ অপাৰগ হৈছিল। কিছু সময়ৰ পিচতেই তেওঁলোকৰ ঘৰখন তেওঁৰ নিজৰ ঘৰ যেন হৈ পৰিল। সময় পাখিলগা কাঁড়ৰদৰে উৰি যাবলৈ ধৰিলে। তেতিয়াও তেওঁৰ বহু কথা কবলৈ বাকী আছিল — ৰুছিয়াৰ জলবায়ুৰ বিষয়ে, ৰুছিয়াৰ

সমাজ, ৰুছিয়াৰ কৃষক আৰু বিশেষকৈ ৰুছাৰ সকলোৰ বিষয়ে। তদুপৰি ১৮১২ চনৰ যুদ্ধ, মহামতি পিটাৰ, ৰুছ দেশৰ গীত-মাত, গীৰ্জাঘৰ আদিৰ কথাও কব লগা আছিল। বোজেলীয়ে যোৱা শতিকাত সজা বিখ্যাত বৰফৰ ঘৰটো আছেনে নাই তাৰ কথাও সুধিছিল। তেওঁলোকৰ ধাৰণা আছিল যে, ৰুছ দেশত গ্ৰীষ্মকাল নহয়, ইয়াক সদায় বৰফে ঢাকি ৰাখে। ছানিনে যিমানে পাৰে তিমানে তেওঁলোকৰ মনৰপৰা ভুল ধাৰণাবোৰ আঁতৰাবলৈ চেষ্টা কৰিছিল। শেষত গৈ গান গোৱাৰ পাল পৰিল। মাক আৰু জীয়েকৰ অনুৰোধ মতে ছানিনে পিয়ানোটোৰ ওচৰলৈ গৈ দুটা গীত গাই শুনালে। তেওঁলোকে ছানিনৰ কণ্ঠস্বৰ, ৰুছ ভাষাৰ কোমলতা আৰু শ্ৰুতিমধুৰতাৰ খুব প্ৰশংসা কৰিলে। শেষত ছানিনে পুস্কিনৰ "স্বৰ্গীয় সুখৰ অবিস্মৰণীয় মুহূৰ্ত্তটো" গালে। এইবাৰ আটায়ে আনন্দত অধীৰ হ'ল। ইয়াৰ পিচত বোজেলী আৰু জেমাৰ পাল পৰিল। দুয়োলগ হৈ কেইবাটাও সমৱেত সঙ্গীত গালে। ছানিন আপ্যায়িত হ'ল।

ছয়

জেমাৰ কণ্ঠস্বৰত ছানিন মুগ্ধ হৈছিল, তাতোকৈ বেছি মুগ্ধ হৈছিল তেওঁৰ ৰূপ-লাৱণ্যত। জেমাৰ পিনে চাই তেওঁ মনতে ভাবিছিল যে, তালগছৰ সৌন্দৰ্য্য আৰু এনেকি সেই যুগৰ জনপ্ৰিয় কবি বেনেডিকটোভৰ কবিতাৰ মাধুৰ্য্য, কোনোটোৱে তেওঁৰ নয়ন - জুৰোৱা ল-নি চেহেৰাৰ লগত ফেৰ মাৰিব নোৱাৰিছিল। চকুযুৰিৰে ওপৰলৈ চাই যেতিয়া তেওঁ কণ্ঠ-স্বৰত চূড়ান্ত আবেগ ফুটাই তুলিছিল তেতিয়া স্বৰ্গৰ দেৱ - দেৱী, কিন্নৰ - কিন্নৰীগণেও যেন তেওঁৰ পিনে এবাৰ নোচোৱাকৈ থাকিব নোৱাৰিছিল। ভাতৰ গলবন্ধা এখনেৰে মুখলৈকে

চাকি ছুৱাৰ খুঁটিত আউজি বৃদ্ধ পেন্টালিয়নেও হোৱালীজনীৰ মনোমোহা মুখখনৰ পিনে চাইছিল আৰু সঙ্গীতবিশাৰদ এজনৰ নিচিনাকৈ গম্ভীৰভাৱে তেওঁৰ গান শুনি আছিল। বুঢ়াৰ মনো গলি গৈছিল। ডুৱেটিনোটি গোৱা হলত বোজেলীয়ে মন্তব্য কৰিলে যে, এমিলিৰো ৰৰ ভাল মাত আছিল, কিন্তু তাৰ এতিয়া মাত পৰিবৰ্ত্তনৰ সময় হৈছে; সেই কাৰণে তাক গান গাবলৈ মানা কৰা হৈছে। আলহীৰ সম্মানাৰ্থে হয়তো এতিয়া পেন্টালিয়নে অতীতক বৰ্ত্তমানত ৰূপ দিব পাৰে। পেন্টালিয়নৰ মুখত অসন্তুষ্টিৰ ভাব এটা ফুটি উঠিল। তেওঁ মূৰ খজুৱাই খজুৱাই কবলৈ ধৰিলে যে বহু বছৰ আগতেই তেওঁ গান-বাজনা বিসৰ্জ্জন দিছে। অৱশ্যে ডেকা কালত এই বিষয়ত তেওঁৰ যথেষ্ট নাম আছিল। আগৰ ক্লাছিকেল গান আজিৰ চেঁ-চেঁ কৈ গোৱা গানৰ লগত একেবাৰে নিমিলে। এসময়ত তেওঁ লৰেল মুকুট লাভ কৰিছিল। কছ ৰাজকুমাৰ তাৰবাস্কি তেওঁৰ অন্তৰঙ্গ বন্ধু আছিল আৰু ৰাজকুমাৰে তেওঁক কছিয়ালৈ নিমন্ত্ৰণো কৰিছিল, কিন্তু ডাণ্টেৰ পবিত্ৰ জন্মভূমি ইটালী এৰি যাবলৈ তেওঁৰ সত যোৱা নাছিল। তাৰ পিচত তেওঁ নিজৰ ভাগ্য - বিপৰ্য্যয় আৰু বিখ্যাত গায়ক গৰ্চিয়াৰ কথা ক'লে। "মহাকবি ছেক্সপীয়েৰৰ অ'থেলো নাটকত আমি দুয়ো গান গাইছিলো। গৰ্চিয়াই অ'থেলো আৰু মই ইয়াগোৰ ভাও লৈছিলোঁ।" তাৰ পিচত ভগা আৰু কঁপা মাতেৰে মৰ্মস্পৰ্শী গান এটা তেওঁৰ মুখৰপৰা ওলাই আহিল। সকলোৱে জিকাৰ খাই উঠিল। জেমাই "বাঃ, বাঃ!" দিলে। পেন্টালিয়নৰ প্ৰতি ছানিনৰ পুত্ৰো জন্মিল।

ঘৰখনৰ আলাসৰ লাডু এমিলিয়ে ক্ষীণ হাঁহি এটা মাৰি বায়েকৰ পিনে চাই ক'লে, "বাইদেউ, আলহীক যদি আমোদ দিব খুজিছ, তেনেহলে মাল্টৎৰৰ কমেডী এখন পঢ়াই শুনাব কিয়? তই তো সেইবোৰ পঢ়াত বৰ পাকৈত।" জেমাই হাঁহিলে আৰু ভায়েকৰ হাতত চাপৰ এটা মাৰি ক'লে — "তই সদায় তোষামোদ কৰাৰ ভাৱতে থাক।" কিন্তু জেমাই ততালিকে কিতাপ এখন লৈ আহিল আৰু মেজৰ

ওপৰত বহি ইফালে - সিফালে চাই ওপৰলৈ আঙুলি টোঁৱালে যেন তেওঁ সকলোকে মনে মনে থাকিবলৈ অনুৰোধ কৰিলে। তেওঁ পঢ়িবলৈ ধৰিলে।

সাত

ঊনবিংশ শতিকাৰ তৃতীয় দশকত মাৰ্ণ্ট্ৰে কেইবাখনো চুটি হাস্যৰসাত্মক কমেডী লিখিছিল। অভিজ্ঞ অভিনেত্ৰী এগৰাকীৰ দৰে জেমাই সেইবোৰ পঢ়িব পাৰিছিল। তেওঁৰ অঙ্গী-ভঙ্গী আৰু কণ্ঠ-স্বৰত নায়ক - নায়িকাৰ বিশেষত্ববোৰ বেচ পৰিস্ফুট হৈ ফুটি উঠিছিল। তেওঁ পঢ়ি যাওঁতে কেতিয়াও হঁহা নাছিল, কিন্তু শ্ৰোতাসকলৰ মাজত হাঁহিৰ খলকনি তুলিছিল। অপৰূপ সৌন্দৰ্য্যেৰে ভৰা জেমাৰ মুখখনিয়ে যেতিয়া ধেমেলীয়া আৰু অতি সামান্য ভাওবোৰো হেলাৰঙে ফুটাই তুলিছিল তেতিয়া ছানিন একেবাৰে বিমুগ্ধ হৈছিল — তেওঁ নিজকে পাহৰি গৈছিল। কিন্তু গাভৰু ছোৱালীৰ ভাওবোৰত হলে জেমাই বিশেষ নিপুণতা দেখুৱাব পৰা নাছিল। তেওঁ প্ৰেম - প্ৰণয়ৰ দৃশ্যবোৰ সমূলি ফুটাই তুলিব পৰা নাছিল। তেওঁ নিজেই সেইবোৰ কথা গম পাইছিল, আৰু সেই দৃশ্যবোৰ ঘৃণাৰে সৈতে পঢ়ি গৈছিল। প্ৰেমিক - প্ৰেমিকাৰ প্ৰতিজ্ঞা আৰু লম্বা - চৌৰা কথাবোৰ তেওঁ কেতিয়াও বিশ্বাস কৰা নাছিল।

সন্ধিয়াটো যে কেনেকৈ অতিবাহিত হ'ল ছানিনে গমকে ধৰিব নোৱাৰিলে। দহ বজাৰ লগে লগে হুলে বিদ্ধাৰ দৰে তেওঁ জাঁপ মাৰি উঠিল।

"কি হ'ল ?"—বোজেলীয়ে সুধিলে।

"মই আজি নিশাতেই বাৰ্লিনলৈ যাব লাগিব। চাৰে দহ বজাত।"

" তেনেহলে আপোনাৰ পলমেই হ'ল দেখোন। "—জেমাই মন্তব্য কৰিলে। "থাকক ·· মই পঢ়োঁ।"

"তুমি গাড়ী - ভাড়া গোটেইখিনি দিছানেকি ?" — বোজেলীয়ে সুধিলে।

"হয়, গোটেইখিনি দিছো," — আক্ষেপৰ সুৰত ছানিনে ক'লে।

জেমাই সঙ্কুচিত চকুযুৰিৰে ছানিনৰ পিনে চাই হাঁহিবলৈ ধৰিলে। মাকে তেওঁক ধমকি দিলে।

"কোনো কথা নাই। ইয়াৰ কাৰণে তেখেত সৰ্বস্বান্ত নহয়। আমি এতিয়া তেখেতক সান্ত্বনা দিবলৈ চেষ্টা কৰোঁহক। অলপ চৰবতকে খাওক," — জেমাই ক'লে।

ছানিনে এগিলাচ চৰবত খালে। জেমাই আকৌ পঢ়িবলৈ ধৰিলে ৮ পুনৰ আনন্দৰ জাউৰি উঠিল।

বাৰ বাজিল। ছানিন যাবলৈ ওলাল।

জেমাই ক'লে — "আপুনি কেইদিনমান ইয়াতে থাকিব লাগিব, লৰালৰি কৰিবৰ আৱশ্যক নাই। ফ্ৰাঙ্কফুৰ্টতকৈ ধুনীয়া নগৰ আপুনি আৰু ক'তো নাপায়। কিছু সময় টলকা মাৰি আকৌ তেওঁ ক'লে — "সঁচাই ক'তো নাপায়।"

ছানিনে কোনো উত্তৰ নিদিলে। তেওঁৰ হাতত টকা - পইচাও নাছিল। গতিকে বাৰ্লিনত থকা তেওঁৰ বন্ধুবৰ্গৰা টকা নোপোৱা পৰ্য্যন্ত তাত থাকিবই লাগিব।

"এবা, থাকা, অন্ততঃ কেইদিনমান থাকা," বোজেলীয়েও অনুৰোধ কৰিলে। "আমি তোমাক জেমাৰ পাণিপ্ৰাৰ্থী বিখ্যাত বস্ত্ৰ - ব্যৱসায়ী হেৰ্ কাৰ্ল ক্লুবাৰৰ লগত পৰিচয় কৰাই দিম। তোমাৰ লগত পৰিচিত হৈ তেওঁ খুব আনন্দ পাব।"

ভগবানেহে জানে — খবৰটো পাই কিয় যে ছানিনৰ মনটো টেঙাই গ'ল। ততালিকে তেওঁৰ মনত খেলালে — "কম ভাগ্যবান লোক

নহয়!" তেওঁ জেমাৰ পিনে চালে। জেমাৰ চাৱনিত যেন এটি বিদ্ৰূপৰ ভাব। ছানিন যাবলৈ ওলাল।

"আজিৰ কাৰণে যোৱা বাৰু। কাইলৈ আহিব লাগিব। নাহিবা জানো?" ৰোজেলীয়ে ক'লে।

"কাইলৈ আহিব লাগিব কিন্তু।"

অসন্দিগ্ধ আৰু সুনিশ্চিত সুৰত জেমাই ক'লে। তেওঁ ভাবিছিল ইয়াৰ অন্যথা কোনোমতে হব নোৱাৰে।

"কাইলৈ দেখা হম বাৰু" ছানিনে ক'লে।

এমিলি, পেণ্টালিয়ন আৰু তাৰ্টাগলিয়া নামৰ কুকুৰ পোৱালিটো ছানিনৰ লগত বাটৰ মূৰলৈ আহিল।

ছানিন 'শুভ্ৰ-হংস'লৈ উলটি আহিল। বিছনাত পৰি তেওঁ গুনা-গুনাকৈ কবলৈ ধৰিলে — "বাক্‌দত্তা! কিযে অপৰূপ সৌন্দৰ্য্য! মোক কিহে পালে, মই নো কিহৰ বাবে থাকিবলগীয়া হ'ল?"

পিচদিনাখন ছানিনে তেওঁৰ বাৰ্লিনৰ বন্ধুলৈ এখন চিঠি দিলে।

আঠ

ছানিনে পিন্ধি-উৰি ওলোৱাৰ আগতে হোটেলৰ পৰিচাৰকে জনালে যে, দুজন ভদ্ৰলোক তেওঁক দেখা কৰিবলৈ আহিছে। এজন এমিলি, আনজন নিপোটল চেহেৰাৰ গহীন ডেকা — ৰূপহী জেমাৰ প্ৰণয়-প্ৰাৰ্থী হেৰ্. কাৰ্ল ক্লুবাৰ। বোধহয় ফ্ৰাঙ্কফুৰ্টৰ ভিতৰতে হেৰ্. ক্লুবাৰৰ দৰে ভদ্ৰ, সম্মানিত, গম্ভীৰ আৰু নম্ৰ ব্যৱসায়ী দ্বিতীয় এজন নোলাব। যেনে সুঠাম চেহেৰা তেনে পৰিপাটি সাজপাৰ। অলপ চাহাবী ষ্টাইলৰ হলেও আচাৰ-ব্যৱহাৰত বেচ ভদ্ৰ। দোকানলৈ অহা সকলোবোৰ গ্ৰাহক-গ্ৰাহিকাই তেওঁক সম্মানৰ চকুৰে চাইছিল। তেওঁৰ মাতত আছিল কোমলতা, সুৰত আছিল সহৃদয়তা।

হেৰ. ক্ৰুবাৰে বিনীতভাৱে মাৰ্জিত জাৰ্মান ভাষাত নিজৰ পৰিচয় দিলে আৰু তেওঁৰ ভাবী পত্নীৰ ভায়েকক ইমান পৰিচৰ্য্যা কৰাৰ কাৰণে ছানিনৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলে। এমিলিৰ আৰোগ্য-পথত সামান্য পৰিমাণে সহায় হব পৰাৰ কাৰণে ছানিনে আনন্দ প্ৰকাশ কৰিলে। তেওঁ এমিলি আৰু হেৰ. ক্ৰুবাৰক বহিবলৈ আসন আগবঢ়ালে। ছানিনক ধন্যবাদ জনাই হেৰ ক্ৰুবাৰ ধীৰে ধীৰে এখন চকীত বহিল। বেছি সময় তেওঁ তাত থাকিব নোৱাৰিলে, কাৰণ দোকানত তেওঁৰ উপস্থিতি অপৰিহাৰ্য্য আছিল। পিচদিনাখন আছিল ৰবিবাৰ — ছুটীৰ দিন। বোজেলী আৰু জেমাৰ সম্মতি সাপেক্ষে হেৰ. ক্ৰুবাৰে ছডেনলৈ এক্সকাৰ্ছনত যোৱাৰ দিহা কৰিছিল। তেওঁ ছানিনক নিমন্ত্ৰণ জনালে আৰু তেওঁৰ উপস্থিতিয়ে এক্সকাৰ্ছনৰ শোভা বৰ্দ্ধন কৰিব বুলি আশা কৰিলে। ছানিন মান্তি হ'ল। হেৰ. ক্ৰুবাৰে বিদায় ললে।

ন

ছানিনে বহিবলৈ অনুৰোধ কৰা সত্বেও এমিলি বহা নাছিল। সি খিড়িকীৰ কাষত থিয় হৈয়ে আছিল। হেৰ. ক্ৰুবাৰে বিদায় লোৱাৰ লগে লগে সি ৰঙা পৰি ছানিনৰ ওচৰলৈ আহি সৰু ল'ৰা এজনৰ দৰে মুখখন ওন্দোলাই কবলৈ ধৰিলে — " আৰু কিছু সময়ৰ কাৰণে মোক ইয়াত থাকিবলৈ দিবনে? মই আজি বহুখিনি ভাল পাইছো, কিন্তু ডাক্তৰে মোক কাম কৰিবলৈ মানা কৰিছে।"

" নিশ্চয়, নিশ্চয়। থাকা থাকা। তুমি থকাৰ পৰা মোৰ কোনো অসুবিধা নহয়।"

এমিলিয়ে ছানিনৰ লগত নিজৰ ঘৰত থকা যেন পালে। কোঠাটোৰ ভিতৰত থকা সকলোবোৰ বস্তুকে সি তন্ন তন্নকৈ চালে আৰু সেইবোৰ ক'ৰ পৰা কিনিছে, কি কামত খটুৱাব, ইত্যাদি

সকলো কথা সুধিলে। সি ছানিনক ভাটি খুবোৱাত সহায় কৰিলে আৰু লগতে গোঁফ ৰাখিবলৈও ক'লে। সি তাৰ মাক, বায়েক আৰু পেণ্টালিয়নৰ দৈনন্দিন জীৱনৰ সকলো কথা বিৱৰি ক'লে। এনেকি তাৰ্টাগলিযাৰ বিষয়েও সকলো কথা ক'লে। তাৰ মনৰপৰা সঙ্কোচৰ ভাব আঁতৰি গ'ল। হঠাতে ছানিনৰ প্ৰতি তাৰ দুৰ্নিবাৰ আসক্তি জন্মিল, আগদিনাখন তাৰ জীৱন বচোৱাৰ কাৰণে নহয়, ছানিন যে এজন সজ্জ লোক তাৰ কাৰণেহে। ততালিকে সি মনৰ সকলো কথা কৈ পেলালে। সি বিশেষ জোৰ দি ক'লে যে, হেৰ্ ক্লুবাৰৰদ্বাৰা প্ৰবোচিত হৈ মাকে তাক এজন দোকানী কৰিব খুজিছে, কিন্তু স্বভাৱতে সি এজন আৰ্টিষ্ট, এজন গায়ক— আৰু থিয়েটাৰহে তাৰ প্ৰকৃত ব্যৱসায় হোৱা উচিত। অৱশ্যে পেণ্টালিয়ন হ'লে তাৰ পক্ষপাতী।

ছানিনে সাজপাৰ পিন্ধি তেওঁৰ বাৰ্লিনৰ বন্ধুলৈ এখন চিঠি লিখিলে। এমিলিয়ে তাৰ ভৱিষ্যতৰ বিষয়ে মাকৰ লগত আলোচনা কৰিবলৈ ছানিনক অনুৰোধ কৰিলে আৰু উভয়ে গৃহাভিমুখে যাত্ৰা কৰিলে।

দুই

ছানিনক দেখাৰ লগে লগে জেমাৰ মনটো যেন আনন্দত নাচি উঠিল। বোজেলীয়ে তেওঁক সাদৰ-সম্ভাষণ জনালে। "মোৰ কথাটো পাহৰিব নাযাব কিন্তু" বুলি এমিলিয়ে ছানিনক কাণে-কাণে কৈ জা-জলপানৰ দিহা কৰিবলৈ গ'ল।

"নাপাহৰোঁ," উত্তৰত ছানিনে ক'লে।

বোজেলীৰ গাটো সিমান ভাল নাছিল। তেওঁ লৰচৰ নকৰাকৈ চকী এখনত আঁউজি আছিল। জেমাই হালধীয়া বৰণৰ ঢিলা ছেমিজ এটা পিন্ধিছিল আৰু কঁকালত ক'লা চামৰাৰ পেটী এডাল মাৰিছিল। চকুৰ তলত ক'লা ঘূৰণীয়া দাগ পৰাৰ কাৰণে জেমাক কিছু শ্ৰান্ত

আৰু ম্লান দেখা গৈছিল, কিন্তু তেওঁৰ নয়নৰ দীপ্তি অলপো ক্ষুণ্ণ হোৱা নাছিল, ম্লানতা আৰু শ্ৰান্তিয়ে যেন তেওঁৰ সৌন্দৰ্য্য এখোপ চৰাইছিলহে। ক'লা, মিহি, কেঁকোৰা চুলিবোৰ পৰিপাটিকৈ থৰলৈ জেমাই হাত দুখন ওপৰলৈ তুলিলে। ছানিনে একেথৰে চাই থাকিল জেমাৰ কোমল, দীঘল আঙুলিকেইটাৰ পিনে। জেমাৰ হাত দুখনৰ সৌন্দৰ্য্য-সুষমা দেখি ছানিন আজি সঁচাই মুগ্ধ হ'ল।

বাহিৰত ভীষণ চোকা ৰ'দ। ছানিনক ঘৰৰ ভিতৰত থাকিবলৈ অনুৰোধ কৰা হ'ল। খিড়িকীৰ মুখত সৰু ধুনীয়া বাগিচাখন। কণক-কলি বিভূষিতা কুঞ্জলতিকাৰ আঁৰে-আঁৰে অসংখ্য বৰল, ভোমোৰা, মৌমাখিৰ মৃদু গুঞ্জন।

দোকানৰ হিচাব-পত্ৰ শিকিবৰ কাৰণে এমিলি হেৰ্ ক্লুবাৰহ দোকানলৈ গ'ল। তেওঁলোকৰ মাজত এতিয়া এমিলিৰ ভৱিষ্যত সম্পৰ্কে আলোচনা চলিল। বোজেলী, আনকি জেমাও যে কাৰবাৰৰ পক্ষপাতী আছিল তাত কোনো সন্দেহ নাছিল।

বোজেলীয়ে ছানিনক উদ্দেশ কৰি ৰবলৈ ধৰিলে, "ধৰি লোৱা, তোমাৰ আৰ্টিষ্ট হবৰ মন, বিশেষকৈ গায়ক হবৰ। তেতিয়া হলে তুমি একেবাৰে মুধাফুটা হব লাগিব। কিন্তু কোনে জানে তুমি যে তেনেকুৱা হব পাৰিবা?" পেণ্টালিয়নে আৰ্টৰ সপক্ষে মত দিছিল, কিন্তু তেওঁৰ মত নৰজিল।

অৱশেষত বোজেলীয়ে কলে, "মোৰ বৰ ভাগৰ লাগিছে।" জেমাই মাকক অলপ শুবৰ কাৰণে অনুৰোধ কৰিলে। তেওঁ মাজে সময়ে আঙুলি এটা মাকৰ ওঁঠ দুটাৰ ওপৰত থৈ আৰু আনখন হাতেৰে মূৰৰ তলৰ গাৰুটো ধৰি নীৰৱে আছিল। অকণমান লৰচৰ কৰিলেও জেমাই ছানিনৰ পিনে কৈৰাহিকৈ চাইছিল, আৰু যেন বাধা দি কৈছিল, "চুপ থাকক।" নিস্পন্দ হৈ বহি মন্ত্ৰমুগ্ধৰ দৰে জেমাৰ পিনে চাই থাকি শেষত ছানিনো তন্দ্ৰাযুক্ত হ'ল। তেওঁ যেন এখন পৰী-ৰাজ্যৰ সপোন দেখিলে।

এঘাৰ

ৰাটৰ কাষৰ দুৱাৰ মুখৰ কলিং বেলটো ক্রিং - ক্রিং - কৈ বাজি উঠিল। কৃষকৰ ল'ৰা এটা দোকানলৈ সোমাই আহিল। জেমাই মাকৰ গাৰুৰ তলৰপৰা হাতখন উলিয়াবলৈ ভয় কৰি ছানিনক কাণে কাণে ক লে, "যাওক, মোৰ সলনি আপুনিয়ে দোকানৰ অলপ তত্ত্বাৱধান লওক।"

হাতত সাবে ভৰিত সাবে ছানিন দোকানৰ ভিতৰলৈ সোমাই গ'ল। ল'ৰাটোৱে তিনি আউন্স লজেন্স খুজিলে।

ছানিনে ভিতৰৰ দুৱাৰ মুখৰপৰা লাহেকৈ সুধিলে, "ল'ৰাটোৰপৰা কিমান পইচা লম ?"

"ছয় ক্রেউট্জাৰ," জেমাই ভিতৰৰ পৰা মিচিকিয়াই হাঁহি ক'লে।

ল'ৰাটো যোৱাৰ লগে লগে অলপ অগাপিচাকৈ আৰু দুজন গ্রাহক আহিল। ছানিনে মনতে ভাবিলে "ময়ে ভাগ্যৱান হবলা।" দ্বিতীয়জন গ্রাহকে এগিলাচ চৰবত আৰু তৃতীয়জনে ছয় আউন্স মিঠাই খুজিলে। সিহঁতক লগা বস্তুখিনি দিয়াৰ পিচত ছানিনে পইচা-খিনি গণি চাই দেখিলে যে তেওঁ চৰবতখিনি দু ক্রেউট্জাৰ কম মূল্যত আৰু মিঠাইখিনি দু-ক্রেউট্জাৰ বেছি মূল্যত বিক্রী কৰিছে। জেমাই মনৰ আনন্দ সামৰিব নোৱাৰিলে। ছানিনৰ মনলৈও আহিল এক অবর্ণনীয় আনন্দ আৰু অসাধাৰণ উদ্দাম। তেওঁ ভাবিবলৈ ধৰিলে, যদি সৌ ৰূপহীয়ে বন্ধুসুলভ কৌতুকৰ দৃষ্টিৰে মুক্তদ্বাৰৰ ফাঁকে ফাঁকে তেওঁৰ পিনে ভুমুকি মাৰি চাই থাকিলহেঁতেন, যদি নিদাঘৰ সূৰ্য্যকিৰণে খিড়িকীৰ মুখত থকা চেচ্‌নাট বৃক্ষৰ পল্লৱৰাশি ভেদ কৰি গোটেই কোঠাটো মধ্যাহ্নৰ সেউজী কণক ৰশ্মি আৰু

ৰূপক ছাঁচে উদ্ভাসিত কৰিলেহেঁতেন, আৰু যদি তেওঁৰ অন্তৰখন তৃপ্তিৰ অলসতা, ব্যাকুলতাবিহীন আনন্দ আৰু যৌৱনৰ প্ৰথম উচ্ছ্বাসত এনেদৰে উটুৱাই দিব পাৰিলেহেঁতেন, তেনেহলে কাউণ্টাৰৰ কাষত চৰবত আৰু মিঠাই বিক্ৰী কৰি তেওঁ অনন্ত কাল থিয় হৈ থাকিব পাৰিলেহেঁতেন।

চতুৰ্থজন গ্ৰাহকে একাপ কফি বিচাৰিলে। পেণ্টালিয়নক মতা হ'ল। ছানিন গৈ আকৌ জেমাৰ ওচৰত বহিল। ৰোজেলী তেতিয়াও তন্দ্ৰামগ্না। জেমাৰ চকুৱে-মুখে এক গভীৰ পৰিতৃপ্তিৰ ভাব বিদ্যমান। কেনেকৈ কি বস্তু বেচিলে ছানিনে জেমাৰ আগত তাৰ এটা বৰ্ণনা দিলে আৰু লগতে কোনটো বস্তুৰ কি দাম তাকো সুধিলে। জেমাই গহীনাই দামবোৰৰ কথা কৈ গ'ল। ভিতৰে ভিতৰে দুয়োখন হিয়াতে যুগপৎ হাঁহিৰ ৰোল উঠিল। জানি-শুনিয়ে উভয়ে যেন এখন মনোৰঞ্জন কমেডীৰ অভিনয় কৰিছিল। হঠাৎ প্ৰকৃতিৰ নীৰৱতা ভঙ্গ হ'ল: ৰাস্তাত এজন অৰ্গেনবাদকৰ গান শুনা গ'ল। মাকে সাৰ পাব বুলি ভাবি ভয়ত জেমাৰ অন্তৰ কঁপি উঠিল। বাহিৰলৈ দৌৰি গৈ ছানিনে অৰ্গেনবাদকজনৰ হাতত কেইটামান ক্ৰেউট্‌জাৰ দি তেওঁক গান গাবলৈ হাক দিলে আৰু আঁতৰি যাবলৈ অনুৰোধ কৰিলে। ছানিন ঘূৰি আহিলত জেমাই তেওঁক মূৰ দোঁৱাই অভিবাদন জনালে আৰু চিন্তাযুক্ত হাঁহি এটা মাৰি ৱেবাৰৰ শ্ৰুতিমধুৰ সুৰ এটা গুনা-গুনাকৈ গাবলৈ ধৰিলে, যি সুৰৰ মাজেদি মাক্সে প্ৰথম প্ৰেমৰ অদ্ভুত কাহিনীবোৰ বৰ্ণনা কৰিছে। তাৰ পিচত তেওঁ লাহেকৈ ছানিনক সুধিলে, " আপুনি ৱেবাৰক ভাল পায় নে নাপায় ? " লগতে তেওঁ কৈছিল যে, নিজে ইটালীয় হলেও তেওঁ সকলো গানতকৈ সেই ধৰণৰ গানহে বেছি ভাল পাইছিল। তাৰ পিচত তেওঁলোকে কবিতা আৰু ৰোমাণ্টিচিজিমৰ বিষয়ে আৰু তাহানিৰ পঢ়ুৱৈ সমাজৰ মাজত সৰাতোকৈ সমাদৃত হোফ্‌ম্যানৰ বিষয়ে আলোচনা কৰিলে।

নাকেৰে ঘৰ্‌ঘৰ্‌ শব্দ কৰি ৰোজেলী তেতিয়াও শুয়ে আছিল।

বাৰ

হোফ্‌ম্যানৰ এটা গল্প মাথোন জেমাই ভাল পাইছিল। গল্পটোৰ নামটো তেওঁ পাহৰি গৈছে। গল্পটোৰ আৰম্ভণিখিনিহে তেওঁ ভাল পাইছিল। গল্পটো এনে ধৰণৰ

এসময়ত এজন ডেকাই এখন মিঠাই দোকানত এজনী অপৰূপ সৌন্দর্য্যৰ গ্ৰীক ছোৱালী লগ পাইছিল। ছোৱালীজনীৰ পাচে পাচে এজন অদ্ভুত প্ৰবৃত্তিৰ বুঢ়া ঘূৰি ফুৰিছিল। প্ৰথম দৰ্শনতে ডেকাজন ছোৱালীজনীৰ প্ৰেমত পৰিছিল। ছোৱালীজনীয়ে তাৰ পিনে করুণ দৃষ্টিত চালে। তাই যেন ডেকাজনৰ ওচৰত প্ৰাৰ্থনা কৰিলে, — তাইক বুঢ়াজনৰ কবলৰপৰা মুক্ত কৰিবলৈ। সি মুহূৰ্ত্তৰ কাৰণে আঁতৰি গ'ল। ঘূৰি আহি দেখিলে যে, বুঢ়াজনো নাই, ছোৱালীজনীও নাই। সি দৌৰি গ'ল তাইৰ অনুসন্ধানত, — সিহঁতৰ পদাঙ্ক অনুসৰণ কৰি। তাৰ সকলো চেষ্টা বিফলে গ'ল, সিহঁতক আৰু লগ নাপালে। ছোৱালীজনী চিৰকালৰ বাবে অন্তৰ্দ্ধান হ'ল, কিন্তু সি তাইৰ করুণ চাৱনিটো পাহৰিব নোৱাৰিলে। সি দেই পুৰি মৰিব ধৰিলে। জীৱনৰ সমস্ত সুখ হাতে হাতে পায়ো যেন সি হেৰুৱাই পেলালে।

বোধহয় গল্পটোৰ সামৰণি এনেদৰে হোৱা নাছিল, কিন্তু জেমাৰ স্মৃতি-পটত ই এনেদৰে ভাহি আছিল।

"মই ভাবোঁ এনে ধৰণৰ মিলন, এনে ধৰণৰ বিচ্ছেদ মানুহৰ জীৱনত আমি ভবাতকৈও সঘনেঃঘটে," জেমাই মন্তব্য প্ৰকাশ কৰিলে।

ছানিন নিমাত হৈ থাকিল, কিন্তু অলপ পিচতে তেওঁ হেৰ্‌. ক্লু্‌বাৰৰ বিষয়ে আলোচনা আৰম্ভ কৰিলে।

জেমা নীৰৱ। তেওঁৰ চাৱনিত এটি বিৰক্তিৰ ভাব। চিন্তিতা হৈ তেওঁ তৰ্জনী আঙুলিৰ নখটো কামুৰিবলৈ ধৰিলে। পিচ মুহূৰ্ত্তত জেমাই হেৰ্ ক্ৰুবাৰৰ যশ গুণ গোৱাত সহস্ৰমুখ হল, কাইলৈৰ বাবে বন্দবস্ত হোৱা পিক্‌নিকৰ কথা ক'লে, ছানিনৰ পিনে এবাৰ চালে আৰু পুনৰ নীৰৱ হৈ পৰিল।

ছানিনে কি কব, কি নকব ভাবি মূৰ ঘমাব ধৰিলে। এনেতে কোলাহল লগাই এমিলি কোঠাটোৰ ভিতৰলৈ সোমাই আহিল। বোজেলী উঠি বহিল। এমিলিৰ আগমনত ছানিনে কিছু সকাহ পালে।

পেণ্টালয়নে কৈ উঠিল, "ভাত খাবৰ হৈছে।" বন্ধা-বঢাৰ ভাৰো তেওঁৰ ওপৰতে ন্যস্ত আছিল।

তেৰ

দুপৰীয়াৰ আহাৰৰ পিচতো ভয়ানক ৰ'দৰ অজুহাত দেখুৱাই জেমাহঁতে ছানিনক যাবলৈ নিদিলে। এজোপা একাচিয়াছ গছৰ তলত কফি খাবৰ কাৰণে তেওঁক অনুৰোধ কৰা হ'ল ছানিনে মান্তি হ'ল আৰু তেওঁ মনত বৰ বং পালে।

একে সুৰত, একে গতিত, নীৰৱে গৈ আছে জীৱনৰ সোঁত, কিন্তু ইয়াৰ মাজতে লুকাই আছে এটি মোহিনী শক্তি। ছানিনে হৰ্ষ'চন্দ্ৰে বশ্যতা স্বীকাৰ কৰিলে এই শক্তিৰ ওচৰত — আজি যে তেওঁ কিবা এটা বিশেষ বস্তু বিচাৰিছে এনে নহয়, কাইলৈৰ কথাও তেওঁ ভৰা নাই আৰু কালি কি কৰিছিল তাৰ প্ৰতিও তেওঁৰ লক্ষ্য নাই। জেমাৰ নিচিনা এজনী ছোৱালীৰ সান্নিধ্যত থাকিব পৰাটো জানো কম ভাগ্যৰ কথা। তেওঁ অলপ পিচতেই বিদায় লব — হয়তো চিৰকালৰ কাৰণে। কিন্তু বৰ্ত্তমানে, বৰ্ত্তমানে দুয়ো একেখনি নাৱতে উঠি আনন্দ মনে জীৱনৰ

গৌৰতত উটি গৈছে। সকলোতে যেন এক অবৰ্ণনীয় আনন্দ, এক সম্মোহিনী শক্তি বিৰাজমান। মোজেলী, পেণ্টালিয়ন আৰু ছানিন তাচৰ খেলত বহিল। ছানিন হাৰিলে, বহুত ক্রেউট্‌জাৰত। তথাপিতো তেওঁ খুব আনন্দ পালে।

ৰাতি হলত সকলোৱে ওচৰত ছানিনে বিদায় ললে। জেমাৰ ছবিটো বুকুত বান্ধি লৈ তেওঁ হোটেললৈ যাওনা হ'ল। জেমাৰ একোবাৰ উন্মুক্ত উজ্জ্বল আৰু একোবাৰ অৰ্দ্ধমুদিত ক'লা চকুযুৰি তেওঁৰ মনত ভাহি উঠিল আন কাৰো ছবি, আন কাৰো কথা তেওঁৰ মনলৈ নাহিল।

ধৈৰ্য্য

ছানিন আছিল এজন ডাকত ডিলিকা ডেকা ল'ৰা। দেখাত ওখ, ক্ষীণকায় চকু দুটা নীলা, মৰমসনা। চুলিবোৰ সোনালী ৰঙৰ। বগা, তেজালে চেহেৰাৰ মাজত সৰলতা, চিন্তা-বিমুক্ততা, বিশ্বস্ততা চিৰবিদ্যমান। প্ৰথম দৃষ্টিত অনুমান হয় তেওঁ যেন তাহানিৰ সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰৰ দৰে ভেবা। কিন্তু দৰাচলতে তেওঁ ভেবা নাছিল। বিদেশত ভ্ৰমণ কৰা সত্ত্বেও তেওঁক দেখা গৈছিল বেচ তেজাল, স্বাস্থ্যবান। এই সকলোবোৰকে বিভূষিত কৰিছিল তেওঁৰ নম্ৰতাই।

পিচদিনা ৰাতিপুৱা শুই নৌউঠোতেই এমিলি ছানিনৰ কাষত ওলালহি। তাৰ গাত উৎসৱোচিত পোছাক, হাতত এডাল বেঁতৰ লাঠি আৰু চুলিত পমেটমৰ লেপ। সি ক'লে, “হেৰ্‌ক্লুবাৰ আহিব ধৰিছে। আপুনি সোনকালে ওলাওক। আজি বতৰো বেচ ফৰকাল। আমি আটায়ে সাজু হৈছোঁ। মাহে যাব নোৱাৰে, কাৰণ তেওঁৰ আকৌ মূৰৰ বিষ উঠিছে।”

কিছু সময়ৰ পিচত হেৰ্ ক্ৰুবাৰ আহি পালেহি। ছানিন তেতিয়াও প্ৰসাধনৰত। হেৰ্ ক্ৰুবাৰে ফাটুফিটকৈ সাজপাৰ পিন্ধিছিল, গা আৰু কাপোৰত নানা তৰহৰ সুগন্ধি তেল ঘঁহিছিল। তেওঁ যিপিনে গৈছিল সিপিনে গোন্ধে আমোল-মোলাইছিল। তেওঁ আহল-বহল গাড়ী এখন লৈ আহিছিল। পোন্ধৰ মিনিট পিচত আটায়ে গাড়ীত উঠি জেমাহঁতৰ ঘৰ পালেগৈ। বোজেলীয়ে পিকনিকত যোগদান কৰিবলৈ অমান্তি হ'ল। জেমায়ো মাকৰ লগত ঘৰ'ত থাকিবলৈ বিচাৰিলে, কিন্তু মাকে তেওঁক ধমকি দি যাবলৈ আদেশ দিলে।

"মোৰ কাৰো দৰকাৰ নাই," বোজেলীয়ে দৃঢ়কণ্ঠে ক'লে। "মই শুই থাকিম। তহঁতৰ লগত পেণ্টালিয়নকো পঠালোহেঁতেন, কিন্তু তেতিয়া হলে কাউণ্টাৰটো বন্ধ থাকিব।"

"ভাৰ্টাগ্‌লিয়াকো লগত নিম নেকি?" অনুৰোধৰ সুৰত এমিলিয়ে সুধিলে।

"নিনিয় কিয়?'

"তাৰ্টাগ লিয়াই তৎক্ষণাৎ বগাই গৈ গাড়ীত থকা বাকচটোৰ ভিতৰত সোমাই পৰিল। সি এনেদৰে বাহিৰলৈ যোৱাত অভ্যস্ত আছিল। জেমাই মুগা ফিটা লগোৱা খেৰৰ ডাঙৰ হেট এটা পিন্ধিছিল। মুখত যাতে ৰ'দ নপৰে, তাৰ কাৰণে জেমাই হেটটো আগৰ পিনে অলপ হলাই লৈছিল। হেটটোৰ ছাঁ জেমাৰ গোলাপৰ পাহিৰ দৰে ৰঙচুৱা আৰু কুমাৰীসুলভ কোমল ওঁঠ দুটাৰ ঠিক ওপৰলৈ পৰিছিল। শিশুৰ দাঁতৰদৰে বগা দাঁতবোৰৰ মাজেদি বিৰিঙি উঠিছিল তেওঁৰ এটি লাজুকী হাঁহি। জেমা ছানিনৰ কাষত পাচৰ চিটত আৰু হেৰ্ ক্ৰুবাৰ এমিলিৰ লগত আগৰ চিটত বহিছিল। খিড়িকীৰ মুখত বোজেলীক দেখা গৈছিল। জেমাই মাকৰ পিনে চাই চাই ৰুমালখন জোঁকাৰি দিছিল। ঘোঁৰা দুটাই কদমত খোজ লৈছিল।

পোষ্কৰ

হ্বাডেন টৌনাচ পাহাৰৰ শাখা এটা'ৰ ওপৰত বিত্তোপনভাৱে সজোৱা এখন সৰু নগৰ। কছ দেশত ই খনিজ পদাৰ্থযুক্ত নিজৰাৰ কাৰণে প্ৰখ্যাত' কছ দেশৰ লোকসকলৰ মাজত এটা বিশ্বাস আছে যে, দুৰ্ব্বল হৃদয়ৰ লোকৰ বাবে এই নিজৰাবোৰৰ পানী স্বাস্থ্যপ্ৰদ। ফ্ৰাঙ্কফুৰ্টৰ লোক প্ৰধানত আমোদ-প্ৰমোদ কৰিবলৈ তালৈ যায়, কাৰণ তাত এখন মনোৰম পাৰ্ক আৰু কেইবাখনো সুন্দৰ হোটেল আছে। নেমুটেঙা আৰু মেপল্‌ গছৰ ছাঁত সেই হোটেলবোৰত মদ আৰু কফি পান কৰিব পাৰি। মেইন নদীৰ সোঁ পাৰেদি ফ্ৰাঙ্কফুৰ্টৰ পৰা ছডেনলৈ যোৱা পথৰ দাঁতিত নানা তৰহৰ ফলৱতী গছ পোৱা যায়। ঘোঁৰাগাড়ীখন ধীৰে ধীৰে গৈ থাকোতে ছানিনে গোপনে জেমা আৰু তেওঁৰ পাণিপ্ৰাৰ্থী হেৰ ক্লুবাৰৰ মাজৰ সম্পৰ্কটো কেনে ধৰণৰ তাৰ পিনে লক্ষ্য কৰিছিল। এয়া প্ৰথমবাৰৰ কাৰণে ছানিনে উভয়কে একেলগে দেখিছে। জেমাৰ সৌম্য মূৰ্ত্তিৰ মাজেদি আনদিনাতকৈ বেছি উদাসিনতা আৰু গাম্ভীৰ্য্যতা ফুটি উঠিছিল। হেৰ্ ক্লুবাৰক তেওঁৰ তত্ত্বাৱধানত থকা ছাত্ৰ-ছাত্ৰীৰ সৈতে নিৰ্দোষ নম্ৰ আমোদত লিপ্ত থকা এজন গৃহ-শিক্ষক যেন দেখা গৈছিল। তেওঁ জেমাৰ প্ৰতি বিশেষ কোনো অনুৰাগৰ ভাব দেখুৱা নাছিল। তেওঁ ভাবিছিল জেমা আৰু তেওঁৰ মাজত বিয়া হোৱাটো খাটাং। গতিকে বিশেষভাৱে আড়ম্বৰ বা অনুৰাগ দেখুৱাবৰ কোনো প্ৰয়োজন নাছিল। তেওঁক বেচ ভদ্ৰ আৰু নম্ৰ দেখা গৈছিল। দুপৰীয়াৰ আহাৰৰ আগতে ছডেনৰ আশে-পাশে থকা প্ৰকৃতিৰ সৌন্দৰ্য্যৰাজি উপভোগ কৰি আটায়ে কাঠনিবেত্তৰা

এচলীয়া ঠাইবে অনেক পথ অতিক্রম কৰিব লাগিছিল। জেমাই বিৰক্তিৰ ভাব দেখুৱা নাছিল। তেওঁ যেন নিজকে আনন্দত উটুৱাই দিছিল। কিন্তু ছানিনৰ মানত জেমা যেন আগৰ জেমাজনী হৈ থকা নাছিল। তেওঁৰ চেহেৰাত কোনো বিষাদৰ কালিমা পৰা নাছিল, বৰং তেওঁৰ সৌন্দৰ্য্য এখোপ চৰিছিল। তেওঁ যেন নিজক লৈয়ে ব্যস্ত আছিল। সৰু ছাতিটো মেলি লৈ হাত মোজাযোৰ পিন্ধি জেমাই গহীনাই খোজ কাটিছিল — এজনী সুপৰিবৰ্দ্ধিতা গাভৰুসুলভ মন্থৰ গতিত তেওঁ কথা কৈছিল খুব কম। এমিলিয়ে সঙ্কোচ বোধ কৰিছিল, কিন্তু ছানিনক এমিলিতকৈও বেছি সঙ্কোচিত দেখা গৈছিল। কথোপকথন চলিছিল জাৰ্মান ভাষাত। সেইবাবে ছানিনে কিছু বিৰক্তি বোধ কৰিছিল। তাৰ্টাগলিয়াক মাথোন স্বাভাৱিক অৱস্থাত দেখা গৈছিল। হেৰ ক্লুবাৰে আটাইকে আনন্দ দিবৰ কাৰণে চেষ্টাৰ অকনো ত্ৰুটি কৰা নাছিল। তেওঁ সকলোকে এজোপা ডাঙৰ ওক গছৰ ছাঁত বহিবলৈ কৈ পকেটৰপৰা এখন ধেমেলীয়া গল্পৰ কিতাপ উলিয়াই চিএগৰি পঢ়িবলৈ ধৰিলে। তেওঁ প্ৰায় বাৰটা কাহিনী পঢ়িলে, কিন্তু সেইবোৰে কাকো বিশেষ আমোদ দিব নোৱাৰিলে। বাৰ বজাত তেঁওলোক আটায়ে ছডেনৰ সৰ্ব্বশ্ৰেষ্ঠ মদৰ দোকানখনলৈ ঘূৰি আহিল।

হেৰ ক্লুবাৰে চৌপাশে আঁৰ-বেৰ থকা গ্ৰীষ্ম গৃহ এটাত ভোজন কৰা উচিত হব বুলি সঙ্কেত দিলে জেমা অভাবনীয়ভাৱে বিদ্ৰোহিনী হৈ উঠিল। তেওঁ দৃঢ়কণ্ঠে ক'লে যে, দোকানৰ সন্মুখত মুকলি বতাহত সৌ উদ্যানখনতহে আহাৰ কৰিব। সদায় একে মানুহকে দেখি দেখি তেওঁৰ আমনি লাগিছে। আজি তেওঁ কেইখনমান নতুন মুখ চাবলৈ ইচ্ছা কৰে।

হেৰ ক্লুবাৰে সন্তুষ্টিৰ ভাব দেখুৱাই তেওঁৰ বাক্‌দত্তাৰ খেয়ালৰ ওচৰত সেও মানিলে আৰু ঘাই পৰিচাৰকজনৰ লগত আলোচনা কৰিবলৈ গ'ল। জেমাই ওঁঠ দুটা চেপা মাৰি ধৰি তললৈ মুখ কৰি

নীৰৱে থিয় হৈ থাকিল। কিন্তু তেওঁ গম পালে ছানিনে তেওঁৰ পিনে ৰ-লাগি চাই আছে। তেওঁ যেন বিৰক্তি বোধ কৰিলে। অৱশেষত হেৰ্ ক্লুবাৰ আহি জনালে যে আধাঘণ্টাৰ ভিতৰতে ভোজনৰ যো-জা হব। হেৰ ক্লুবাৰে এই সময়খিনি খেল-ধেমালি দেখুৱাই কটাই দিলে।

ভোজনৰ সময় হুলত আটায়ে টেবুলৰ কাষত বহিলগৈ।

ষোল

মাছ, মাংস, মদ, ৰুটি, আলু, গাজৰ, মাখন, জেলি, পুডিং প্ৰভৃতি সুস্বাদু সামগ্ৰীৰে ভোজন কৰাৰ পিচত আটায়ে একো কাপ পাতল জাৰ্মান কফি খালে। হেৰ ক্লুবাৰে প্ৰকৃত জাৰ্মান ভদ্ৰলোক এজনৰ দৰে চিগাৰ এটা খাবৰ কাৰণে জেমাৰ অনুমতি ললে। এনেতে হঠাতে অশ্লীল নহলেও অপ্ৰীতিকৰ ঘটনা এটা ঘটিল।

জেমাহঁতৰ ওচৰতে কেইজনমান মিলিটেৰী অফিচাৰে সুৰাপান কৰি আছিল। তেওঁলোকৰ চাৱনি আৰু ফুচ ফুচনিৰ পৰা স্পষ্টকৈ বুজা গৈছিল যে, জেমাৰ ৰূপ-লাৱণ্যই তেওঁলোকক মতলীয়া কৰিছিল। তেওঁলোকৰ ভিতৰৰ এজনে জেমাৰ প্ৰতি এনেভাৱে চাইছিল যেন তেও জেমাক আগতে ফ্ৰাঙ্কফুৰ্টত দেখিছিল। প্ৰকৃততে জেমাক তেওঁ চিনি পাইছিল। হাতত এগিলাচ মদ লৈ হঠাতে তেওঁ জেমাৰ টেবুলৰ ওচৰ চাপিলহি। প্ৰথমতে তেওঁৰ বন্ধুবৰ্গই তেওঁক হকা-বধা কৰিলে, কিন্তু অলপ পিচতেই তেঁওক এৰি দিলে। দৰাচলতে ইয়াৰ পৰিণতি নো কি হয় তাক চাবৰ কাৰণে তেওঁলোক আটায়ে ব্যগ্ৰ হৈ পৰিছিল।

কিছু সময় ইতস্ততঃ কৰি অফিচাৰজন জেমাৰ সম্মুখত থিয় হ'লহি আৰু আপোন-পাহৰা হৈ জোৰেৰে চিঞৰি চিঞৰি অন্তৰৰ বেদনাৰ

আলা প্ৰকাশ কৰিলে, " সমস্ত ফ্ৰাঙ্কফুৰ্টৰ, সমস্ত পৃথিৱীৰ ৰূপোত্তমা দোকানী ছোৱালীজনীৰ শাৰীৰিক মঙ্গলাৰ্থে এইখিনি পান কৰোঁ। আৰু তেওঁৰ স্বৰ্গীয় হাতৰ আঙুলিৰে চিঙি অনা এই ফুলটিৰে নিজকে পুৰস্কৃত কৰোঁ।" এনেদৰে কৈ তেওঁ জেমাৰ কাষৰ টেবুলখনৰপৰা গোলাপ ফুল এটা বুটলি ললে। অফিচাৰজনৰ কাণ্ড দেখি জেমা তধা লাগিল আৰু ভয়তে একেবাৰে শেঁতা পৰি গ'ল। লাহে লাহে তেওঁৰ ভয় গৈ খং আৰু ঘৃণাত পৰিণত হ'ল, অপৰাধীৰ পিনে চকু থিয় কৰি খঙতে তেওঁ জ্বলি পকি উঠিল। ডেকা আফচাৰজনে বোধহয় লাজ পালে। তেওঁ অস্পষ্টকৈ কিবা-কিবি কৈ জেমাৰ ওচৰত ক্ষমা খুজি বন্ধুবৰ্গৰ ওচৰলৈ উভতি গ'ল। ব্যঙ্গ সুৰত তেওঁক বাঃ বাঃ দি তেওঁলোকে হাঁহিৰ জাউৰি তুলিলে।

হেৰ, ক্লুবাৰে থিয় হৈ হেটটো পিন্ধি গম্ভীৰস্বৰে কলে, "কি উদ্ভণ্ডালি! কি জঘন্য স্বাধীনতা!" লগতে পৰিচাৰকজনক কৰ্কশ সুৰত বিলখন আনিবলৈ হুকুম দিলে। গাড়োৱানকো গাড়ী জুঁটিবলৈ আদেশ দি ক'লে, "আত্মসম্মান বিপদাপন্ন কৰি কোনো ভদ্ৰলোক ইয়ালৈ অহা উচিত নহয়।" ইমান পৰে জেমাৰ বুকুখন ধপ্ধপাই আছিল আৰু তেওঁ নিৰ্বাক নিশ্চল হৈ বহি আছিল। হেৰ, ক্লুবাৰৰ কথা শুনি জেমাই অফিচাৰজনক চোৱাৰ নিচিনাকৈ হেৰ্ ক্লুবাৰৰ পিনেও ৰ-লাগি চালে। এমিলিও খঙত জ্বলিপকি উঠিল।

হেৰ ক্লুবাৰে জেমাক ক'লে, "উঠা, তুমি ইয়াত থকা উচিত নহয়। আমি দোকানৰ ভিতৰলৈ যাওঁ ব'লা।"

জেমাই নীৰৱে থিয় হৈ হেৰ, ক্লুবাৰৰ বাউসাত ধৰিলে। গহীন গম্ভীৰ গতিত খোজ দি তেওঁ জেমাক লৈ হোটেলৰ ভিতৰলৈ সোমাই গ'ল। আৰু বেচেৰা এমিলি! সিও তেওঁলোকৰ পাচ ললে।

পৰিচাৰকটোক এটা পইচাও বকচিচ নিদিয়াকৈ হেৰ্ ক্লুবাৰে বিলৰ পইচাখিনি দিবলৈ ধৰোতে ছানিন উঠি দ্ৰুতগতিত অফিচাৰ বহা টেবুলখনৰ ওচৰলৈ গল আৰু জেমাক অপমান কৰা অফিচাৰজনক

আঙুলিয়াই (সেই সময়ত তেওঁ গোলাপ ফুলটো তেওঁৰ বন্ধুবৰ্গৰ এজন এজনকৈ শুঙিবলৈ দিছিল) সুস্পষ্ট সুৰত ফৰাচী ভাষাত ক'লে, "ডাঙৰীয়া, আপুনি এইমাত্ৰ যি কাম কৰিলে সেই কাম সাধুলোকৰ পৰিচায়ক নহয়, আপুনি পিন্ধা ইউনিফৰ্মৰ পৰিচায়ক নহয়। মই আপোনাক ইয়াকে কবলৈ আহিছো যে আপুনি ভদ্ৰলোক নহয়"। ডেকাজন ঘপ্ কৰে থিয় হ'ল, কিন্তু লগৰ এজন অল্প বয়সীয়া অফিচাৰে হাত জোকাৰি তেওঁক বাধা দিলে আৰু বহিবলৈ বাধ্য কৰালে। ছানিনৰ পিনে চাই তেওঁ ফৰাচী ভাষাতে সুধিলে, "আপুনি কোন? এই ছোৱালীজনীৰ কোনো আত্মীয় নে, ককায়েক, নে সম্ভৱতঃ পাণিপ্ৰাৰ্থী?"

"মই তেওঁৰ এজন পৰিচিত ব্যক্তি মাত্ৰ, মই এজন ৰুছ। কিন্তু মই নীৰ'ৱ বহি এনেকুৱা ঔদ্ধত্য সহ্য কৰিব নোৱাৰো। এয়া মোৰ কাৰ্ড আৰু ঠিকনা। তেখেতে মোক এই ঠিকনাত বিচাৰিলেই পাব।" চিঞৰি চিঞৰি এনেদৰে কৈ ছানিনে টেবুলখনলৈ এখন ভিজিটিং কাৰ্ড দলিয়াই দিলে আৰু একেচাবে এজন অফিচাৰৰ আগত থকা প্লেটখনৰপৰা জেমাৰ গোলাপ ফুলটো বুটলি ললে। ডেকাজনে চকীৰপৰা আকৌ এবাৰ উঠিবলৈ চেষ্টা কৰিলে, কিন্তু তেওঁৰ বন্ধুজনে "ক্ষান্ত হোৱা, ক্ষান্ত হোৱা" বুলি তেওঁক বিৰত কৰালে। তেওঁ কৰ্কশভাৱে ছানিনক অভিবাদন জনাই ক'লে যে, কাইলৈ ৰাতিপুৱা এজন অফিচাৰে তেওঁক লগ ধৰিব। চানিনে মুৰ দুপিয়াই প্ৰত্যুত্তৰ দিলে আৰু বেগাই জেমাহঁতৰ ওচৰলৈ খোজ ললে।

হেৰ্ ক্লুবাৰে ছানিনৰ অনুপস্থিতি নাইবা অফিচাৰকেইজনৰ লগত হোৱা তেওঁৰ কথোপকথনৰ কথা নুশুনাৰ ভাও জুৰিছিল। তেওঁ খং কৰি গাড়োৱানটোক গাড়ী জুটিবলৈ হুকুম দিছিল। জেমায়ো ছানিনক একো কোৱা নাছিল আৰু তেওঁৰ পিনে তিমান লক্ষ্য কৰা নাছিল। কিন্তু তেওঁৰ কুঞ্চিত ভ্ৰূযুগল, শেঁতা চেপি ধৰা ওঁঠ দুটা আৰু নীৰৱতাৰ মাজত তেওঁৰ উদ্বিগ্নতা ফুটি উঠিছিল।

এমিলিয়ে মাত্র ছানিনৰ লগত কথা পাতিবলৈ মন কৰিছিল। শেহত গাড়ী সাজু হ'ল। সকলোৱে গাড়ীত উঠিল।

ঘৰলৈ উভতি আহোঁতে বাটত হেৰ ক্ৰ.বাৰে মাথোন কথা কৈ আছিছিল। তেওঁৰ কথাত কোনেও আপত্তি কৰা নাছিল, সম্মতিও দিয়া নাছিল। তেওঁ আক্ষেপ কৰি কৈছিল যে, তেওঁ কোৱামতে আঁৰ-বেৰ থকা গ্ৰীষ্ম-গৃহত ভোজন নকৰাটো মাৰাত্মক ভুল হৈছে। তেওঁৰ কথামতে কাম কৰা হেঁতেন, এনেকুৱা অপ্ৰীতিকৰ ঘটনা হবলৈ নাপালেহেঁতেন। অফিচাৰবোৰৰ এনেকুৱা অসদাচৰণ আৰু অনিয়মানুবৰ্ত্তিতাৰ কাৰণে তেওঁ চৰকাৰক তীব্ৰ সমালোচনা কৰিলে আৰু ইয়াৰ কাৰণেই যে বিদ্ৰোহৰ জুই জ্বলি উঠে তাৰ উদাহৰণ স্বৰূপে ফ্ৰান্সলৈ আঙুলিয়াই তেওঁ এইদৰেও মন্তব্য প্ৰকাশ কৰিবলৈ পাহৰা নাছিল যে, কৰ্তৃপক্ষক তেওঁ যথেষ্ট সন্মান কৰে, বিদ্ৰোহী হবলৈ তেওঁৰ অকনো ইচ্ছা নাই যদিও নিন্দা নকৰি নোৱাৰে— বিশেষকৈ এনেকুৱা লম্পটামিৰ ক্ষেত্ৰত। তেওঁ নৈতিকতা, অনৈতিকতা সন্মানীয়তা আৰু আত্ম-সন্মানৰ বিষয়েও কেইটামান সৰুসুৰা কথা কৈছিল।

হেৰ ক্ৰ.বাৰৰ এই আড়ম্বৰপূৰ্ণ বক্তৃতাত জেমা যে লজ্জিত হৈছিল তাৰ স্পষ্ট চিন দেখা গৈছিল। ঘৰ পোৱাৰ অলপ আগতে জেমাই অন্তৰত তীব্ৰ বেদনা অনুভব কৰিলে, কিন্তু আগৰ বাৰৰ দৰে এইবাৰো তেওঁ ছানিনৰ লগত কোনো কথা নাপাতিলে। শেষত এটি মুহূৰ্ত্ত আহিল। জেমাই হঠাতে ছানিনৰ ওপৰত কৰুণ দৃষ্টি পেলালে। আনহাতে হেৰ ক্ৰ.বাৰৰ প্ৰতি ছানিনৰ যিমান খং আৰু ঘৃণা উপজিছিল, জেমাৰ প্ৰতি তাতোকৈ বেছি পুতৌ জন্মিছিল। পিচদিনা ৰাতিপুৱা মিলিটেৰী অফিচাৰজনৰ লগত মল্লযুদ্ধ কৰাৰ কথা আছে যদিও দিনটোৰ ভিতৰত যিবোৰ ঘটনা ঘটিল তাৰ বাবে ছানিনে মনত এক ক্ষীণ আনন্দ পালে।

অৱশেষত গাড়ী আহি জেমাহঁতৰ দোকানৰ আগত ৰলহি। জেমাক

গাড়ীৰপৰা নমাত সহায় কৰোতে ছানিনে গোপনে গোলাপ ফুলটো জেমাৰ হাতত গুজি দিলে। ত্তালিকে জেমা বঙা-চিঙা পৰি গ'ল। ছানিনৰ হাতত চেপা এটা মাৰি তেওঁ ত্তালিকে ফুলটো কাপোৰৰ ভাঁজত সুমুৱাই থলে। তেতিয়া সন্ধিয়া লাগিছিল মাত্র, তথাপি ছানিনে জেমাহঁতৰ ঘৰত সোমাবলৈ ইচ্ছা নকৰিলে। জেমায়ো সেই বিষয়ে ছানিনক অনুৰোধ নকৰিলে। তদুপৰি পেণ্টালিয়ন দুৱাৰ-দলিলৈ আহি জনালে যে, বোজেলী তেতিয়াও শুই আছে। এমিলিয়ে লাজতে তলমূৰ কৰি ছানিনৰ পৰা বিদায় ললে। হেৰ. ক্লুবাৰে ছানিনক হোটেললৈকে আগ বঢাই থৈ খুব ভদ্রভাৱে মেলানি মাগিলে।

সতৰ

*পি*চদিনা ৰাতিপুৱা প্রসাধনৰ পিচত ছানিনে মনতে ভাবিলে, " মই অফিচাৰজনক দহ বজালৈ অপেক্ষা কৰিম আৰু তেওঁ কি কয় শুনিম।" কিন্তু জার্মান লোক ৰাতিপুৱা সোনকালে উঠাত অভ্যস্ত। ন নৌবাজোতেই পৰিচাৰকে জনালে যে, চেকেণ্ড লেফ্টেনেণ্ট ভন ৰিকাৰে তেওঁক সাক্ষাৎ কৰিবলৈ বিচাৰিছে! তেওঁ লৰালৰিকৈ কোটটো পিন্ধি ভদ্রলোকজনক ভিতৰলৈ লৈ আহিবলৈ আদেশ দিলে। অভ্যাগতজনৰ যুৱসুলভ চেহেৰা দেখি তেওঁ আচৰিত মানিলে। তেওঁৰ ডাড়ি-গোঁফ প্রায় গজাই নাছিল। তেওঁ গাম্ভীর্য্যতাৰ ভাৱ দেখুৱাবলৈ চেষ্টা কৰিলেও অকণো কৃতকার্য্য হব পৰা নাছিল। এনেকি নিজৰ বিবুদ্ধিৰ কথাও তেওঁ গোপনে ৰাখিব পৰা নাছিল আৰু চকী এখনত বহোতে তৰোৱালত উজুতি খাই পৰোঁ-পৰোঁ হৈছিল। তেওঁ থোনাই থোনাই ছানিনক জনালে যে, তেওঁৰ বন্ধু বেৰণ ভন ডনহফে আগদিনাখন কৰা অভদ্র আচৰণৰ বাবে ছানিনৰ ওচৰত

ক্ষমা প্ৰাৰ্থনা চাইছে আৰু ছানিনে যদি সেইটো কৰিবলৈ অমাস্তি হয়, তেনেহলে মল্লযুদ্ধ কৰিবলৈও প্ৰস্তুত আছে। প্ৰত্যুত্তৰত ছানিনে জনালে যে, ক্ষমাৰ পৰিবৰ্ত্তে তেওঁ যুদ্ধ কৰিবলৈ সাজু আছে। হেৰ্‌, ভন ৰিকাৰে ছানিনক সুধিলে এই বিষয়ে কাৰ লগত, কেতিয়া ক'ত তেওঁ প্ৰাথমিক কাৰ্য্য সম্পাদন কৰিব। ছুৰন্টাৰ ভিতৰতে ছানিনে তেওঁক ঘূৰি আহিব পাৰে বুলি ক'লে। ইতিমধ্যে তেওঁ এজন সাৰথি যোগাৰ কৰি লব। তেওঁ দুৱাৰমুখলৈ গৈ ছানিনৰ পিনে চাই কলে যে, তেওঁৰ বন্ধু বেৰণ ভন ডনহফে কৈছে যে, কালিৰ ঘটনাটোৰ কাৰণে কিছু পৰিমাণে ছানিনো দায়ী আৰু সেই কাৰণে তেওঁ সামান্য ভাৱে ক্ষমা খুজিলেই বেৰণ সন্তুষ্ট হব। উত্তৰত ছানিনে ক'লে যে, তেওঁ কেতিয়াও বেৰণৰ ওচৰত ক্ষমা নিবিচাৰে, কিয়নো নিজকে তেওঁ কোনো ক্ষেত্ৰতে দোষী বুলি নাভাৱে।

"তেনেহলে বন্ধুভাৱে গুলীয়া-গুলী হব," বণ্ডা পৰি ৰিকাৰে ক'লে।

তাকে শুনি ছানিনে ক'লে, "মই আপোনাৰ কথা ভালদৰে বুজিব পৰা নাই। আমি ফাকা আৱাজ কৰিব লাগিব নেকি?"

"অ' নহয়, নহয়। সেইটো নহয়," অতি লজ্জিত হৈ চেকেণ্ড লেফ্‌টেনেণ্টজনে ক'লে। "মই হে তেনেকৈ ভাবিছিলোঁ, কিয়নো ইয়াত লিপ্ত হোৱা লোকসকল সম্মানিত ব্যক্তি ·· বাৰু, মই আপোনাৰ সাৰথিৰ লগত কথা হম ·।" এনেদৰে কৈ তেওঁ বাওনা হ'ল।

তেওঁ যোৱাৰ লগে লগে ছানিন চকীখনত বহিল আৰু নানা কথা ভাবিবলৈ ধৰিলে। কিছু সময়ৰ পিচত তেওঁ চকীৰপৰা জাঁপ মাৰি উঠি চিঞৰি চিঞৰি কবলৈ ধৰিলে, "কিন্তু এই বিষয়ে মই কিবা এটা কৰিবই লাগিব, আৰু বেছি সময় নাই।" হঠাৎ তেওঁ পেন্টালিয়নক দেখা পালে। তেওঁৰ হাতত চিঠি এখন।

"মই মুয়াবত কেইবাবাৰো টুকবিয়াইছিলো কিন্তু তোমাৰ যাত নাপালো। ভাবিছিলো তুমি ওলাই গৈছিলা," বুঢ়াই লাহেকৈ ক'লে আৰু ছানিনৰ হাতত চিঠি এখন দিলে। "এইখন কুমাৰী জেমাই দিছে।"

ছানিনে চিঠিখন যন্ত্ৰবৎ হাতত লৈ খুলি চালে। তেওঁ লিখিছিল যে, ছানিনে তেওঁক যেন তত্তালিকে সাক্ষাৎ কৰে, কাৰণ ছানিনৰ জাত কিবা এটা ঘটনাৰ কাৰণে তেওঁ বৰ চিন্তান্বিতা হৈ পৰিছে।

চিঠিখনত কি লিখিছিল পেণ্টালিয়নৰ বুজিবলৈ বাকী নাছিল। তেওঁ কবলৈ ধৰিলে, "কুমাৰী বৰ উদ্বিগ্না হৈ পৰিছে। তুমি কি কৰি আছা তাক চাবৰ কাৰণে আৰু লগতে তোমাক নিবৰ কাৰণে তেওঁ মোক পঠাইছে।"

বুঢ়াৰ পিনে চাই ছানিন চিন্তামগ্ন হ'ল। হঠাতে তেওঁৰ মনলৈ এটা ভাব আহিল। প্ৰথমতে ইয়াক একেবাৰে অসম্ভৱ যেন লাগিল।......

"তথাপিতো ... কিয় নহব?" তেওঁ নিজকে প্ৰশ্ন কৰিলে।

"মঁচিয়ে পেণ্টালিয়ন!" বুলি তেওঁ চিঞৰি উঠিল।

বুঢ়াই উচপ্‌খাই উঠি ছানিনৰ পিনে ভেবা লাগি চাই থাকিল।

"কালিৰ ঘটনাটোৰ কথা তেনেহলে আপুনি শুনিছে?" ছানিনে সুধিলে।

"এৰা, শুনিছো।"

(এমিলিয়ে ঘৰ পোৱাৰ লগে লগে তেওঁক সকলো কথা ভাঙি-পাতি কৈছিল।)

"তেন্তে ভালেই হ'ল। .... এইমাত্ৰ এজন অফিচাৰে মোক দেখা কৰিবলৈ আহিছিল। তেওঁ মোক দ্বন্দ্বযুদ্ধ কৰিবলৈ আহ্বান কৰিছে। তেওঁৰ আহ্বান মই গ্ৰহণ কৰিছো। কিন্তু মোৰ সাৰথি নাই। আপুনি মোৰ সাৰথি হবনে?"

পেণ্টালিয়নে জিকাৰ খাই উঠি সুধিলে, "তেনেহলে তুমি যুদ্ধ কৰিবাই?"

" নিশ্চয়। অন্যথা কৰা মানে চিৰকালৰ বাবে মোৰ সম্মান বিসৰ্জন দিয়া।"

" হয় নেকি? আৰু যদি মই তোমাৰ সাৰথি নহওঁ তেনেহলে তুমি আন কাৰোবাৰ সহায় বিচাৰিবানেকি?"

" বিচাৰিব লাগিব, অৱশ্যে বিচাৰিব লাগিব।"

" মোক ভাবিবলৈ মাত্ৰ এঘণ্টা সময় দিয়া। মোৰ আশ্ৰয়দাতাৰ ছোৱালী ইয়াত জড়িত। এই বিষয়ে মই ভাবিব লাগিব, নিশ্চয় ভাবিব লাগিব। এঘণ্টাৰ ভিতৰতে মই কি সিদ্ধান্তত উপনীত হওঁ তোমাক জানিবলৈ দিম—পৌনে এঘণ্টাৰ ভিতৰতে।"

" ভাল, মই অপেক্ষা কৰিম।"

" এতিয়া কুমাৰী জেমাক মই কি কব লাগিব?"

ছানিনে এটুকুৰা কাকতত লিখিলে

" মৰমৰ বান্ধৱী! উৎকণ্ঠিতা নহবা। তিনি ঘণ্টাৰ ভিতৰতে মই তোমাক লগ ধৰিম। তেতিয়া সকলো কথা জানিব পাৰিবা। তোমাৰ সহানুভূতিৰ বাবে অশেষ ধন্যবাদ।"

কাগজখন পেণ্টালিয়নৰ হাতত দিলে।

অতি সন্তৰ্পণে কাগজখন জেপত সুমুৱাই থৈ " এঘণ্টাৰ ভিতৰত, এঘণ্টাৰ ভিতৰত" বুলি পেণ্টালিয়নে দুৱাৰমুখ পালে। কিন্তু পিচ মুহূৰ্ত্ততে তেওঁ উভতি আহি ছানিনৰ হাতত ধৰি বিস্ময়াভিভূত হৈ ক'লে, " হে মহাপ্ৰাণ ডেকা! দুৰ্বল হৃদয়ৰ বুঢ়া এজনক তোমাৰ বীৰহস্ত মৰ্দন কৰিবলৈ দিয়া," তেনেদৰে কৈ পুনৰ তেওঁ বিদায় ললে।

ছানিনে তেওঁৰ পিনে চাই থাকিল বাওঁৰি কাকত এখন হাতত লৈ তেওঁ পঢ়িবলৈ ধৰিলে। বৃথাই তেওঁ পাটি প'লে, এটা শব্দও বুজি নাপালে ...

ওঠৰ

এঘণ্টা পিচত পৰিচাৰকে পুনৰ আৰু লেডেৰা ভিজিটিং কাৰ্ড এখন ছানিনৰ হাতত দিলে। কাৰ্ডটোৰ ওপৰত লিখা আছিল — " মোডেনাৰ মহামান্য ডিউক বাহাদুৰৰ দৰবাৰৰ গায়ক ভাৰেচি-নিবাসী পেণ্টালিয়ন চিপাটোলা। " পাচে পাচে পেণ্টালিয়নো আহি ওলালহি। তেওঁ ভৰিৰপৰা মূৰলৈকে পোছাক সলাই আহিছিল।

নৰ্ত্তক এজনৰ দৰে বুটজোতাযোৰৰ আগ ভাগত থিয় দি ককালৰ-পৰা মূৰলৈ দোৱাই পেণ্টালিয়নে ফৰাচী ভাষাত ক'লে, " মই তোমাৰ সাৰথি। মই তোমাৰ দিহা-পৰামৰ্শ লবলৈ আহিছোঁ। তুমি শেষ মুহূৰ্ত্তলৈকে যুদ্ধ কৰিব বিচৰানেকি ?"

" তাকো আকৌ সুধিব লাগিছেনে ? কালি দিয়া প্ৰতিশ্ৰুতি মই ভঙ্গ নকৰোঁ, কিন্তু এই কথা ঠিক, মই ৰক্তপিপাসু হব নোৱাৰোঁ। অলপ ৰব। মুহূৰ্ত্তৰ ভিতৰতে মোৰ প্ৰতিদ্বন্দ্বীৰ সাৰথিও আহি ওলাবহি। আপোনালোক দুয়ো এটা সিদ্ধান্তত উপনীত হব। মই কাষৰ কোঠাটোত থাকিম। বিশ্বাস কৰিব আপোনাৰ এই সাহায্যৰ কথা মই কেতিয়াও নাপাহৰোঁ। মোৰ আন্তৰিক ধন্যবাদ গ্ৰহণ কৰিব। "

"এৰা সন্মান সকলোৰে ওপৰত " বুলি কৈ পেণ্টালিয়ন এখন চকীত বহি পৰিল।

খিড়িকীৰে চাই ছানিনে জনালে, " অ', তেওঁ আহি পালেই। "

চকীৰপৰা উঠি পেণ্টালিয়নে ঘড়ীটোৰ পিনে চালে আৰু লিন্না কাপোৰ-কানিবোৰ পৰিপাটিকৈ ললে। ডেকা চেকেও লেফ্‌টেনেণ্টজন ভিতৰলৈ সোমাই আহিল।

ছানিনে উভয়কে পৰিচয় কৰাই দি কাষৰ কোঠাটোলৈ গৈ বিছনাত পৰিল আৰু জেমাৰ কথা ভাবিবলৈ ধৰিলে। কিন্তু উভয়ৰে কথোপকথন তেওঁৰ কাণত পৰিস। তেওঁলোকে নিজৰ নিজৰ বীৰত্ব আৰু গৌৰৱৰ কাহিনীবোৰ বৰ্ণনা কৰিলে। পেণ্টালিয়নে যেতিয়া লেফ্‌টেনেণ্টজনক কোনো এজনী নিৰপৰাধী ছোৱালীৰ কনিষ্ঠ আঙুলিটো পৃথিৱীৰ সকলো অফিচাৰতকৈ বেছি মূল্যবান বুলি ক'লে, তেতিয়া ছানিনৰ হৃদয় চমকি উঠিল। তেওঁ বাৰে বাৰে ক'লে — ই বৰ লাজৰ কথা বৰ কলঙ্কৰ কথা! প্ৰথমতে চেঃ লেফ্‌টেনেণ্টজনে এইবোৰ কথা লৈ কাণসাৰ দিয়া নাছিল। কিন্তু অলপ পিচতে তেওঁ খঙতে কঁপি কঁপি ক'লে যে পেণ্টালিয়নৰ মুখৰপৰা তেওঁ নীতি বচন শুনিবলৈ অহা নাই।

"তোমাৰ বয়সত সদায় নীতি বচন শুনাৰ প্ৰয়োজন," পেণ্টালিয়নে চিঞৰি ক'লে।

প্ৰায়ে উত্তেজনাৰ বশবৰ্ত্তী হৈ দুয়ো এঘণ্টাৰো ওপৰকাল তৰ্ক-বিতৰ্ক কৰিলে। অৱশেষত তেওঁলোক এনেদৰে চুক্তিবদ্ধ হ'ল. বেৰণ ভন ডনহফ আৰু ছানিনে কাইলৈ ৰাতিপুৱা ১০ বজাত হনৌৰ ওচৰৰ সৰু বননি এখনত লগা-লগি হব আৰু বিশ খোজ আঁতৰত গুলীয়াব। সাৰথিৰ সঙ্কেত পোৱাৰ পিচত প্ৰত্যেকে দুবাৰকৈ গুলীয়াব।

হেৰ্‌ ভন বিচাৰ যোৱাৰ লগে লগে পেণ্টালিয়নে দুয়োৰে মাজত হোৱা আলোচনাৰ সিদ্ধান্তৰ কথা জনাবলৈ ছানিনৰ শোৱা-কোঠালৈ ধীৰে ধীৰে সোমাই আহিল আৰু চিঞৰি চিঞৰি ক'লে, "বাঃ বাঃ! তুমি বিজয়ী হবা।"

কেইমিনিটমান পিচতে দুয়ো ৰোজেলীৰ দোকানলৈ যাওনা হ'ল। দ্বন্দ্ব-যুদ্ধৰ কথাটো ঘূণাক্ষৰেও প্ৰকাশ নকৰিবলৈ ছানিনে পেণ্টালিয়নক প্ৰতিজ্ঞা কৰালে।

উনিশ

এঘণ্টামান, ওপৰ ধৰি এমিলিয়ে ছানিনৰ প্ৰতীক্ষাত আছিল। ছানিন অহাৰ লগে লগে স্বাগত সম্ভাষণ জনাবলৈ সি দৌৰি আহিল আৰু কাণে কাণে ক'লে যে, কালিৰ অপ্ৰীতিকৰ ঘটনাৰ বিষয়ে মাকে একো গম পোৱা নাই, এই বিষয়ে যেন ঘূণাক্ষৰেও উল্লেখ কৰা নহয়, তাক আকৌ দোকানলৈ পঠাব খুজিছে, কিন্তু তাৰ যাবৰ মন নাই, কোনো এঠাইত লুকাই থাকিব। কেইমুহূৰ্ত্তমানৰ ভিতৰতে এই সকলোখিনি কথা কৈ সি ছানিনক আকোৱালি ধৰি মনৰ আবেগত চুমা এটা খালে আৰু আলিবাটেদি দৌৰি গ'ল। ছানিনে দোকানৰ ভিতৰত জেমাক লগ পালে। তেওঁ কিবা কবৰ কাৰণে চেষ্টা কৰিছিল, কিন্তু নোৱাৰিলে। তেওঁৰ ওঁঠ দুটা অলপ কঁপিছিল আৰু চকু দুটা অলপ মুদ খাইছিল। ছানিনে জেমাক সান্ত্বনা দি ক'লে যে হোৱা ঘটনা হৈ গ'ল, সেই বিষয়ে ভাবিব নালাগে।

"আপোনাক দেখা কৰিবলৈ আজি জানো কোনো মানুহ অহা নাছিল ?"

"আহিছিল। আমি ঘটনাটোৰ বিষয়ে আলোচনা কৰিছিলোঁ। আৰু আৰু অতি সন্তোষজনক সিদ্ধান্তলৈ আহিছিলো।"

"জেমা কাউণ্টাৰৰ পিচ পিনে গ'ল।"

"তেওঁ মোক বিশ্বাস নকৰে," ছানিনে নিজকে নিজে ক'লে। পাচ কালৰ কোঠাটোলৈ গৈ তেওঁ ৰোজেলীক দেখা পালে।

মুখৰ বিষ কিছু পাতলিছিল যদিও তেওঁক বিষণ্ণমনা দেখা গৈছিল। হাঁহি এটা মাৰি তেওঁ ছানিনক সম্ভাষণ জনালে; কিন্তু লগতে

সাৱধান কৰি দিলে যে আজি তেওঁ ছানিনৰ মনৰ জোখাই সঙ্গিনী নহ'ব, কাৰণ তেওঁ আজি ছানিনক অভ্যৰ্থনা কৰিব পৰা অৱস্থাত নাই। ছানিনে কাষত বহি লক্ষ্য কৰিলে যে যোজেলীৰ চকু দুটা ৰঙা পৰিছে আৰু লগতে উখহি উঠিছে।

"আপোনাৰ কি হৈছে? আপুনি কন্দা নাইতো?"

জীয়েক থকা কোঠাটোলৈ আঙুলিয়াই তেওঁ কাণে কাণে ক'লে, "তেনেকৈ নকবা ডাঙৰকৈ নকবা।"

"আপুনি কান্দিছে কিয়?"

"মই নিজেই নাজানোঁ।"

"কোনোবাই আপোনাক অন্তৰত আঘাত দিছেনেকি?"

"নাই, নাই মই হঠাতে এনেয়ে দুখিত হৈ পৰিছিলোঁ। মোৰ মনত পৰিছিল মোৰ স্বামী জিওভান বেটিস্তাৰ কথা মোৰ গাভৰু কালৰ কথা আৰু এই সকলোবোৰৰ ইমান সোনকালে হোৱা পৰিবৰ্ত্তনৰ কথা। মই আজি বুঢ়ী হৈ পৰিছোঁ ·· মই এই কথা ভাবিবই নোৱাৰোঁ। মই সদায় একে হৈয়ে থাকিব বিচাৰোঁ। কিন্তু বাৰ্দ্ধক্যই আছেই, সদায় আছে।" তেওঁৰ চকু দুটা চকুলোৰে ভৰি পৰিল। "দেখিছোঁ, তুমি মোৰ পিনে আচৰিত হৈ চাই আছা কিন্তু তুমি এদিন বুঢ়া হবা। তেতিয়াহে বুজিবা বাৰ্দ্ধক্য কেনে তিক্ত, কেনে বেদনাদায়ক!"

ছানিনে তেওঁক সান্ত্বনা দিবলৈ চেষ্টা কৰিলে। ল'ৰা-ছোৱালী দুটিৰ কথা সোঁৱৰাই দিলে, যাৰ মাজত তেওঁ নিজৰ গাভৰু কালৰ কথা নতুনকৈ ঘূৰাই আনিব পাৰে। এনেকি ছানিনে তেওঁৰ লগত ধেমালি কৰিবলৈও চেষ্টা কৰিলে, কিন্তু ধেমালি নকৰিবলৈ তেওঁ গহীন সুৰত ছানিনক অনুৰোধ কৰিলে। ছানিনে আজি জীৱনত প্ৰথম বাৰৰ কাৰণে বেচ উপলব্ধি কৰিব পাৰিলে বাৰ্দ্ধক্যৰ অনুভূতি, — বাৰ্দ্ধক্যৰ বেদনা যে কেনে কষ্টদায়ক। ই সান্ত্বনাৰ বস্তু নহয়—সান্ত্বনা দি ইয়াক কোনেও দূৰ কৰিব নোৱাৰে। তেনে স্থলত তাচ খেলাৰ

প্ৰস্তাৱ কথাৰ বাহিৰে তেওঁ আৰু দ্বিতীয় উপায় ভাবি নাপালে। বোজেলীয়ে সানন্দে সম্মতি জনালে।

দুপৰীয়াৰ ভোজনৰ সময়লৈকে ছানিনে তেওঁৰ লগত তাচ খেলিলে। ভোজনৰ পিচতো খেলা চলিল। পেন্টালিয়নেও খেলাত যোগ দিছিল।

মেডাম বোজেলীৰ অভাৱনীয় মনৰ গতি দেখি ছানিন যিমান আচৰিত হৈছিল, তাতোকৈ বেছি আচৰিত হৈছিল তেওঁৰ প্ৰতি কৰা জেমাৰ ব্যৱহাৰত। জেমাই তেওঁক ঠিক এৰাবৰ চেষ্টা কৰা নাছিল, বৰং গোটেইখিনি সময়ে তেওঁৰ নিচেই কাষতে বহিছিল, তেওঁ কোৱা কথাবোৰ মনোযোগেৰে শুনিছিল আৰু তেওঁৰ পিনে চাই আছিল। কিন্তু তেওঁ ইচ্ছা কৰিয়ে ছানিনৰ লগত কথা পতা নাছিল। ছানিনে যেতিয়া তেওঁক উদ্দেশ্য কৰি কোনো কথা কৈছিল, তেতিয়াই তেওঁ মনে মনে থিয় হৈছিল আৰু কেইমিনিটমানৰ কাৰণে বাহিৰলৈ ওলাই গৈছিল, অলপ পিচতে আকৌ ঘূৰি আহি যেনিবা চিন্তামগ্না আৰু বিস্ময়াভিভূত হৈ কোঠাটোৰ এচুকত খুব গহীন হৈ বহিছিল। জেমাৰ কাণ্ড শেষত বোজেলীৰ চকুতো পৰিল। তেওঁ জেমাক এবাৰ নে দুবাৰ সুধিলে, “ তোৰ কি হৈছে ? ”

“ একো হোৱা নাই, ” উত্তৰত জেমাই ক’লে।

“ মই মাজে সময়ে তেনে কৰোঁ, তাক দেখোন তুমি জানাই। ”

“ অৱশ্যে সেইটোও নোহোৱা নহয়, ” মাকে সম্মতিসূচক মন্তব্য কৰিলে। ”

এনেকৈয়ে সৰসতা-নীৰসতা, আনন্দ-নিৰানন্দৰ মাজত দীঘল দিনটোৰ অৱসান ঘটিল। জেমাই যদি তেনে ব্যৱহাৰ নকৰিলে-হেঁতেন হয়তো বিদায় বেলিকা ছানিনে দুখৰ গধুৰ বোজা বৈ উত্তাপ্তিৰ নাজাগিলহেঁতেন। যিহেতু ছানিনে জেমাৰ লগত বেছিকৈ কথা দুৰ পতা নাছিল, সেই কাৰণে কফি খোৱাৰ আগৰ ১৫ মিনিট সময় পিয়ানো বজাই নিজকে সন্তুষ্ট কৰিছিল।

হেৰ, ক্লবাৰৰ বিষয়ে কিবা প্ৰশ্ন কৰিব পাৰে বুলি ভাবি এমিলি দেখিকৈ আহিছিল আৰু সোনকালে যাওনা হৈছিল। ছানিনৰ মেলানি মাগিবৰ হ'লহি।

তেওঁ জেমাৰপৰা বিদায় লব ধৰিলে। কিবা কাৰণত পুছিনৰ ইউজেন ওনেজিনৰ লেন্ স্কী আৰু ওল্গাৰ বিদায়ৰ কথা তেওঁৰ মনত পৰিল। তেওঁ জেমাৰ হাতত টানকৈ চেপা এটা মাৰিলে আৰু জেমাৰ মুখখনৰ পিনে চাবলৈ চেষ্টা কৰিলে, কিন্তু তেওঁৰ চেষ্টা ব্যৰ্থ হ'ল। জেমাই আঙুলিকেইটা আঁজোৰ মাৰি আনি মুখখন কাতিকৈ ধৰিলে।

বিশ

বাটচ'ৰালৈ ওলাই আহি ছানিনে দেখিলে আকাশত জাকে জাকে তৰাবোৰ ওলাইছে। আহা! কিমান যে তৰা! সৰু, ডাঙৰ, হালধীয়া, ৰঙা, সেউজীয়া, বগা — অসংখ্য তৰা। তৰাবোৰে পোহৰ দিছে, তিৰ্‌বিৰাইছে। অবিৰাম চিক্‌মিকাইছে। আকাশত তেতিয়াও জোন ওলোৱা নাই, কিন্তু জোন নোলালেও পাতল, ছাঁহীন অন্ধকাৰত প্ৰত্যেক বস্তুকে স্পষ্টকৈ দেখা গৈছিল। ছানিনে বাটৰ মূৰলৈকে খোজ ললে। সেই মাত্ৰ ঘৰলৈ যাবৰ কাৰণে তেওঁৰ ইচ্ছা নহ'ল। তেওঁৰ কেৱল ইচ্ছা হ'ল বিশুদ্ধ বায়ু সেৱন কৰা আৰু ইফালে-সিফালে ঘূৰা। তেওঁ আকৌ ঘূৰি আহি জেমাহঁতৰ দোকান পাওঁ পওঁ হৈছে। এনেতে হঠাৎ শব্দ কৰি বাটৰ কাষৰ খিড়িকী এখন মেল খালে। অন্ধকাৰ কোঠাটোৰ ভিতৰত দেখা গ'ল এটি নাৰী-মূৰ্ত্তি। নাৰী-মূৰ্ত্তিয়ে তেওঁৰ নাম কাটি মতা শুনিলে — "মঁচিয়ে ডিমিত্ৰি।"

তেওঁ খিড়কীখনৰ ওচৰলৈ দৌৰি গ'ল। নাৰী-মূৰ্ত্তি আন কোনো নহয়, জেমাহে।

জেমাই খিড়িকীৰ চৌকাঠত আঁউজি বাহিৰলৈ মুখখন উলিয়াই আছিল।

তেওঁ মৃদু সুৰত ক'লে, "মঁচিয়ে ভিমিত্রি! দিনৰ দিনটো ধৰি আপোনাক কিবা এটা বস্তু দিবলৈ বিচাৰিছিলোঁ, কিন্তু দিবলৈ মোৰ সাহস নহ'ল। কিন্তু এতিয়া হঠাতে আপোনাক দেখি মোৰ মনত ধাৰণা হৈছে ই যেন বিধিৰ বিধান • "

এইদৰে কোৱাৰ লগে লগে হঠাতে তেওঁৰ বাক্‌শক্তি বন্ধ হ'ল। তেওঁ আৰু কব নোৱাৰিলে। মুহূৰ্ত্ততে এটা অভাৱনীয় ঘটনা ঘটিল।

মেঘমুক্ত নীলিমাৰ গহীন নিস্তব্ধতা ভেদ কৰি হঠাতে জোৰেৰে এছাটি বতাহ বলিল। সমস্ত পৃথিৱী যেন কঁপি উঠিল। তাৰকাৰাজিৰ স্নিগ্ধ জ্যোতি হ্যলিত, তিৰবিৰিত হ'ল। বায়ুমণ্ডলত বতাহৰ জোৱাৰ উঠিল। গছ-গছনি, ঘৰৰ চাল-বেৰ আৰু বাট-পথত মৃদু বতাহৰ পৰশ লাগিল। ছানিনৰ হেট্‌টো উৰি গ'ল। জেমাৰ চুলিকোছা আউল-বাউল হৈ পৰিল। খিড়িকীৰ চৌকাঠৰ সমানে সমানে থকা ছানিনৰ মুৰটো অতৰ্কিতে খিড়িকীৰ মুখলৈ আহিল। জেমাই দুয়োখন হাতেৰে ছানিনৰ কান্ধত আঁকোৱালি ধৰিলে। ছানিনৰ মুৰটোৱে জেমাৰ বুকুৰ পৰশ লাগিল। এমিনিটমান পিচতে প্ৰকৃতিৰ এই ভয়াবহ দৃশ্যৰ অৱসান ঘটিল। উৰি যোৱা প্ৰকাণ্ড চৰাই এজাকৰ দৰে বল হেৰুৱাই ধুমুহাজাক অন্তৰ্দ্ধান হ'ল। প্ৰকৃতিয়ে সৌম্য মূৰ্তি ধাৰণ কৰিলে — প্ৰকৃতিৰ বুকুত আকৌ গভীৰ নিস্তব্ধতা বিৰাজ কৰিলে।

ছানিনে মুৰ দাঙি দেখিলে এখনি মুখ — বেচ মৰমলগা, ভীত, উত্তেজিত; আৰু এযুৰি চকু — বেচ ডাঙৰ, ভীতিব্যঞ্জক, সৌম্য। ইমান সৌন্দৰ্য্য, ইমান সুষমা দেখি মুহূৰ্ত্তৰ বাবে যেন তেওঁৰ উৎসাহ-নিশ্বাহ বন্ধ হৈ গ'ল। তেওঁৰ বুকুত পৰা জেমাৰ শাহুতী চুলিকোছা ওঁঠ দুটাৰে হেঁচি ধৰি তেওঁ কথমপি ক'লে. "জেমা. জেমা।"

উপৰং হাত দুখনিৰে জেতিয়াও ছানিনৰ কান্ধত আঁকোৱালি ধৰি আকাশৰ পিনে ৰ-লাগি চাই জেমাই সুধিলে, " কি হৈছিল? বিজুলী-চেৰেকনি-ধুমুহা ? "

" জেন্না ! " আকৌ এবাৰ ছানিনে ক'লে।

জেমাই এটি হুমুনিয়াহ কাঢ়িলে, পাচৰ পিনে চালে আৰু ততালিকে বুকুৰ কাঁচুলিৰপৰা মৰহি যোৱা গোলাপ ফুল এটা উলিয়াই আনি ছানিনৰ হাতত দিলে।

" মই আপোনাক এই ফুলটো দিব খুজিছিলো "

আগাদিনাখন বুটলি অনা ফুলটোৱে যে এই ফুলটো তাক বুজিবলৈ ছানিনৰ বাকী নাথাকিল।

খিড়িকীখন জোৰেৰে জাপ গ'ল। ক'লা আয়নাখনৰ মাজেদি একো দেখা নগ'ল — এনেকি এখানিমান বগা পোহৰো।

মূৰত হেট নোহোৱাকৈয়ে ছানিন হোটেললৈ উভতি আহিল। হেটটো যে বতাহে উৰুৱাই নিছিল তাকো তেওঁ গম পোৱা নাছিল।

একৈশ

ৰাতি পুৱাও পুৱাও হৈছে। তেতিয়াহে ছানিল বিছনাত পৰিল। নিদ্ৰাৰ আকস্মিক ঘূৰ্ণীবতাহৰ প্ৰভাৱত তেওঁ মুহূৰ্ত্তৰ ভিতৰতে অনুভৱ কৰিলে, জেমা যে এজনী ধুনীয়া ছোৱালী এনে নহয়, নাইবা তেওঁ দেখা ছোৱালীবিলাকৰ ভিতৰত যে জেমা আটাইতকৈ মনোহৰা আছিল সিও নহয় তেওঁ অনুভৱ কৰিলে, তেওঁ যে পৰিছে তেওঁ যে সম্পূৰ্ণৰূপে জেমাৰ প্ৰেমত পৰিছে। অকস্মাতে অহা ঘূৰ্ণীবতাহজাকৰ দৰে প্ৰেমে আহি তেওঁৰ ওপৰত আধিপত্য বিস্তাৰ কৰিছিল। এতিয়া আকৌ দ্বন্দ্বযুদ্ধ। কি যে মূৰ্খামি! আসন্ন বিপদৰ কথা ভাবি তেওঁ জুকলা হৈ পৰিল। অৱশ্যে তেওঁ নমৰিব পাৰে কিন্তু ছোৱালীজনীক ভাল পোৱাৰ পৰা নো তেওঁৰ কি লাভ? তেওঁ যে ইতিমধ্যে আন এজনৰ বাক্‌দত্তা! যদি এই " আন জন " তেওঁৰ মাৰাত্মক প্ৰতিদ্বন্দ্বীৰূপে থিয় হবলৈ সক্ষমো নহয় আৰু যদি জেমাই তেওঁক ভালো পায়, — বোধহয় ইতিমধ্যে ভালো পাইছে তথাপি তাৰপৰা কি লাভ? কি যে প্ৰশ্ন! জেমাৰ নিচিনা ইমান ধুনীয়া ছোৱালী এজনী ..

তেওঁ কোঠাটোৰ ভিতৰত কিছু সময় ইফাল-সিফাল কৰি টেবুলখনৰ ওপৰত বহিল, কাগজ এটুকুৰা উলিয়াই লৈ কেইশাৰীমান লিখিলে আৰু ততালিকে ব্লট কৰিলে . তেওঁ জেমাৰ কথা ভাবি আছিল — ক'লা খিড়িকীখনৰ কাষত তেওঁৰ ধুনীয়া ছবিটিৰ কথা, তৰাৰ পোহৰত বতাহত হালি-জালি আউল-বাউল হোৱা জেমাৰ চুলিডাৰিৰ কথা, এগৰাকী গ্ৰীক দেৱী-মূৰ্ত্তিৰ হাতৰ দৰে তেওঁৰ হাত দুখনিৰ কথা। তেওঁ অনুভৱ কৰিলে জেমাৰ হাত দুখনৰ

তাৰ যেন এতিয়াও তেওঁৰ কাষত জীৱন্ত হৈয়ে আছে। ·· জেমাই দিয়া গোলাপ ফুলটো তেওঁ হাতত তুলি ললে। দেখেলি যোৱা ফুলপাহিবোৰে যেন সদ্য প্ৰস্ফুটিত গোলাপৰ পাহিৰ গোন্ধতকৈও বেছি স্নিগ্ধ সৌৰভ বিলাইছে।

" মই মৰিলে বা বিকলাঙ্গ হলে, কাৰণো কি ক্ষতি হব ? "

তেওঁৰ আৰু বিছনালৈ যোৱা নহল। পিন্ধি থকা পোছাক পাতিৰেই তেওঁ ছোফাখনত শুই পৰিল।

কোনোবাই তেওঁক কান্ধত থপৰিয়াই দিলে। তেওঁ চকু মেলি চাই দেখিলে সন্মুখত পেণ্টালিয়ন।

" মহাবীৰ আলেকজেণ্ডাৰে বেবিলনৰ যুদ্ধৰ আগমুহূৰ্ত্তত শোৱাদি তেওঁ শুইছে।" পেণ্টালিয়নে আচৰিত হৈ কলে।

" কিয়, কিমান বাজিল ? " ছানিনে প্ৰশ্ন কৰিলে।

" সাত বাজিবলৈ পোন্ধৰ মিনিট বাকী। হনৌলৈ ছুঘণ্টাৰ পথ। ফ্ৰাঙ্কফুৰ্টৰ ভিতৰত আটাইতকৈ ভাল ঘোৰাগাড়ীখন মই ভাড়া কৰি আনিছো। "

" পিস্তল ক'তা ? "

" হেৰ, ভন বিচাৰে আনিব। তেওঁ লগত এজন ডাক্তৰো আনিব। "

পেণ্টালিয়নে আগদিনাখনৰ উত্তম বজাই ৰাখিবলৈ চেষ্টা কৰিলে; কিন্তু গাড়ীত উঠি ছানিনৰ কাষত বহি তেওঁ যেন হতাশ হৈ পৰিল।

গাড়ীখন কদমত গৈয়ে থাকিল।

ফ্ৰাঙ্কফুৰ্টৰ ধুনীয়া আলিবাটবোৰ প্ৰভাতৰ হেঙুলি কিৰণ পৰি উদ্ভাসিত হৈ উঠিছে। ঘৰৰ খিড়িকীবোৰ টিনপাতৰ দৰে চিকমিকাই আছে। মাছুল লগোৱা গেটটো পাৰ হোৱাৰ লগে লগে মুৰৰ

ওপৰত, নীল আকাশৰ তলত ভৰত পক্ষীৰ গান শুনা গ'ল। ৰাজপথৰ ভাঁজ এটাত এজোপা ওখ পপ্‌লাৰ গছৰ আঁৰৰ পৰা হঠাতে এজন পৰিচিত লোক তেওঁলোকৰ আগত ওলালহি। ছানিনে আকৌ এবাৰ ভালদৰে জুমি চালে। এয়া দেখোন এমিলি!

ছানিনে পেণ্টালিয়নৰ পিনে চাই সুধিলে, “আমি হুনৌলৈ অহাৰ কথা তেওঁ কেনেকৈ গম পালে?”

“এই দুৰ্ভগীয়া ল'ৰাটোৱে গোটেই নিশাটো মোক শুবলৈ দিয়া নাছিল। শেহত মই তাক সকলো কথা কবলৈ বাধ্য হৈছিলো।”

“এয়ে আপোনাৰ কথাৰ মূল্য?” ছানিনে মুখৰ ভিতৰতে ক'লে।

“তুমি ইয়াত কি কৰিছা?” ছানিনে এমিলিক ধমকিৰ সুৰত সুধিলে।

“মোকো আপোনালোকৰ লগত যাবলৈ দিয়ক,” অনুনয়ৰ সুৰত এমিলিয়ে ক'লে।

“মোৰ প্ৰতি যদি তোমাৰ অকণো মৰম আছে নাইবা মোক যদি তুমি অকণো সন্মান কৰা, তেনেহলে তুমি এই মাত্ৰকে ঘৰলৈ উভতি যোৱা, নতুবা হেৰ ক্ৰুবাৰৰ দোকানলৈকে যোৱা। এই বিষয়ে ঘূণাক্ষৰেও কাৰো আগত প্ৰকাশ নকৰিবা। মই ঘূৰি নহালৈকে অপেক্ষা কৰিবা।”

“ঘূৰি নহালৈকে!” এমিলিয়ে ভগা মাতেৰে দুখমনে ক'লে। “আৰু যদি আপুনি ..”

“এমিলি!” গাড়োৱানৰ পিনে সতৰ্কৰ দৃষ্টি নিক্ষেপ কৰি ছানিনে ক'লে। “মোৰ কথা শুনা এমিলি! তুমি ঘৰলৈ যোৱাঁ। মই তোমাক অনুৰোধ কৰিছো ভাইটি, মোৰ কথা শুনা। তুমি সঁচাকৈ কোৱা তুমি মোক ভাল পোৱা তেনেহলে তুমি ঘৰলৈ যোৱা — অন্ততঃ মোৰ মুখলৈ চাই।”

ছানিনে হাতখন আগুৱাই দিলে। এমিলিয়ে উচুপি উচুপি কান্দি

ছানিনৰ হাতত চুমা এটা খালে আৰু বাট এৰি দি, পথাৰে পথাৰে দৌৰ দিলে,"— ফ্ৰাঙ্কফুৰ্ট অভিমুখে।

পেণ্টালিয়নক মন মাৰি থকা দেখি ছানিনে সুধিলে, "আপোনাৰ সেই অতীতৰ শৌৰ্য্য, অতীতৰ বীৰ্য্য আজি ক'লৈ গ'ল ?"

"অতীতৰ শৌৰ্য্য, অতীতৰ বীৰ্য্য,! আছে, এতিয়াও কিছু বাকী আছে।"

পেণ্টালিয়নে তেওঁৰ অতীত জীৱনৰ গৌৰৱপূৰ্ণ কাহিনীবোৰ কবলৈ ধৰিলে আৰু হানো পোৱাৰ লগে লগে তেওঁক, সম্পূৰ্ণ পৰিবৰ্ত্তিত দেখা গ'ল। শৰৰ দৰে ইমান শক্তিমান — আৰু ইমান শক্তিহীন পৃথিৱীতে আৰু একোৱে নাই।

বাইশ

যিখন হাবিত যুঁজ হোৱাৰ কথা, সেইখন হাবি হনৌৰপৰা প্ৰায় দুই ফাৰ্লং দূৰৈত অৱস্থিত। ছানিন আৰু পেণ্টালিয়ন আগতে পালেগৈ। দুয়ো প্ৰায় এঘণ্টা অপেক্ষা কৰিবলগীয়া হ'ল আৰু তাৰ বাবে ছানিনে বিশেষ একো আমনি বোধ নকৰিলে। তেওঁ সৰু বাট এটাৰে হাবিৰ মাজলৈ সোমাই গৈ ইফাল-সিফাল কৰিবলৈ ধৰিলে। চৰাইবোৰৰ সুমধুৰ সঙ্গীত শুনি আৰু জাকে জাকে উৰি ফুৰা পানীফৰিংবোৰ দেখি তেওঁৰ মনটো ভাল লাগিছিল। প্ৰায় ভাগ কহু লোকে এনে অৱস্থাত চিন্তা নকৰে, ছানিনেও কোনো চিন্তা কৰা নাছিল। এবাৰ মাথোন তেওঁৰ অলপ চিন্তা হৈছিল। তেওঁ এজোপা নেমুটেঙাৰ গছ পৰি থকা দেখিলে। বোধহয় কালিৰ বতাহত পৰিছিল। লেবেলি ফুৰা পাতবোৰৰপৰা স্পষ্টকৈ বুজা গৈছিল যে গছজোপা মৰিব। তেওঁৰ মনত খেলালে "ই অমঙ্গলৰ লক্ষণ নেকি ?" কিন্তু পিচ মুহূৰ্ত্তকে গছজোপাৰ ওপৰত জাঁপ মাৰি

উঠি তেওঁ শুহৰীয়াৰলৈ ধৰিলে। পেণ্টালিয়নে আনহাতে কাঁহি কাঁহি পিঠিখন আৰু আঁঠু দুটা ঘঁহিছিল, জাৰ্মানবোৰক শাও দিছিল আৰু ভোৰ্‌ভোৰাইছিল।

অৱশেষত অফিচাৰ দুজন আহি পালেহি। লগতে অনিছিল ৰেজিমেণ্টৰ চাৰ্জনজনকো। হেৰ্‌ ভন বিচাৰৰ হাতত আছিল পিস্তলৰ বাকচটো। হেৰ্‌ ভন ডনহৃফে লাঠি এডাল ঘূৰাই ঘূৰাই আহিছিল। তেনে কৰাটো তেওঁ খুব 'ষ্টাইল' বুলি ভাবিছিল।

" পেণ্টালিয়ন! " ছানিনে বুঢ়াৰ পিনে চাই ফুচফুচাই ক'লে। " যদি যদি মই মৰোঁ, — কি হয় কোনে জানে? — মনত ৰাখিব — আপুনি মোৰ কাষৰ জেপৰপৰা এটুকুৰা কাগজ উলিয়াই লব। কাগজখনত এটা ফুল মেৰোৱা আছে। এই ফুলটো আপুনি কুমাৰী জেমাক দিব। মোৰ কথা শুনিছে তো? "

বুঢ়াই বিষণ্নমনে তেওঁৰ পিনে চাই মূৰ দুপিয়াই দুপিয়াই সম্মতি জনালে। একমাত্ৰ ভগবানেহে জানিছিল ছানিনে তেওঁক কি কৰিবলৈ কৈছিল আৰু ছানিনৰ কথা তেওঁ কিমানদূৰ বুজিছিল।

ডাক্তৰৰ বাহিৰে আটায়ে ইজনে সিজনক যথানিয়মে নমস্কাৰ জনালে।

হেৰ্‌ ভন বিচাৰে বননিৰ মাজত চাৰিওফালে ৰাশি ৰাশি ফুলৰ থোপাৰে আগুৰা এডোখৰ ধুনীয়া মুকলি ঠাই বিচাৰি উলিয়ালে। বিশ খোজ জুখি এডাল জোঙা মাৰিৰে দুয়ো মূৰে দুটা চিন দিলে। পিস্তলকেইটা বাকচৰপৰা উলিয়ালে আৰু গুলী খাজিবলৈ মাটিত লেপেটা পাৰি বহিল। বিচাৰ য'লৈকে গৈছিল পেণ্টালিয়নো তালৈকে গৈছিল। প্ৰাৰম্ভিক কাৰ্য্যবোৰ কৰাৰ সময় ছোৱাত দুয়ো যোদ্ধাই অলপ আঁতৰা-আতৰিকৈ থিয় হৈ আছিল আৰু শিক্ষকৰ ওপৰত মনে মনে খং কৰি দুজন শাস্তিবিহ্বা স্কুলীয়া ল'ৰাৰ দৰে চাই আছিল।

চৰম মুহূৰ্ত্তটি আহি পালে। প্ৰত্যেকেই পিস্তল হাতত ললে।

পেণ্টালিয়নে-দুয়ো যোদ্ধাকে যুঁজখনৰা বিৰত থাকিবলৈ আৰু ঘৰলৈ উভতি যাবলৈ উপদেশ দিলে।

" মই মিটমাট নকৰোঁ, " ছানিনে ঘপৰাই উত্তৰ দিলে।

" ময়ো নকৰোঁ, " ছানিনৰ প্ৰতিদ্বন্দ্বীয়ে কৈ উঠিল।

" এতিয়া 'এক, দুই, তিনি' বুলি চিঞৰক, " হেৰ্ ভন ৰিচাৰে হতভম্ব হৈ থকা পেণ্টালিয়নৰ পিনে চাই ক'লে।

পেণ্টালিয়নে যিমান পাৰে তিমান ডাঙৰকৈ " এক, দুই, তিনি " বুলি চিঞৰিলে।

ছানিনে প্ৰথমতে গুলীয়ালে আৰু লক্ষ্য ভ্ৰষ্ট কৰিলে। ধুম্‌কৈ শব্দ কৰি তেওঁৰ গুলীটো এজোপা গছৰ গা-গছত পৰিল। ইয়াৰ পিচতেই বেৰণ ভন ডনহফৰ পাল পৰিল। তেওঁ ইচ্ছা কৰিয়ে আকাশৰ পিনে টোঁৱাই গুলী কৰিলে।

এক গভীৰ নিস্তব্ধতা বিৰাজ কৰিলে কোনেও লৰচৰ কৰা নাই। পেণ্টালিয়নে মাথোন সৰুকৈ এটা কেঁকনি মাৰিলে।

" আমি আৰু আগবঢাটো আপুনি বাঞ্ছা কৰেনেকি ? " ডনহফে ছানিনক সুধিলে।

" আপুনি আকাশলৈ কিয় গুলী কৰিলে ? " ছানিনে প্ৰশ্ন কৰিলে।

" সেইটো সুধিবৰ আপোনাৰ কি প্ৰয়োজন ? "

" দ্বিতীয় বাৰো আপুনি আকাশৰ পিনে গুলী কৰিবনেকি ? "

" বোধহয়। মই নাজানো। "

" ডাঙৰীয়াসকল, ডাঙৰীয়াসকল ! " ভন ৰিচাৰে কৈ উঠিল। " দুই যোদ্ধা দুজনৰ মাজত ইজনে সিজনক মতাৰ নিয়ম নাই। ই সম্পূৰ্ণ নীতি বিৰুদ্ধ কথা। "

" মই গুলীৰ সৰ্ত্ত ত্যাগ কৰিলো, " ছানিনে হাতৰপৰা পিস্তলটো দলিয়াই দি ক'লে।

." মোৰো আৰু যুঁজ কৰিবলৈ ইচ্ছা নাই, " হাতৰপৰা পিস্তলটো

বলিয়াই দি ভন ডনহকে চিঞৰি ক'লে। "সিদিনা যে ভুল হৈছিল তাক মই এতিয়া স্বীকাৰ কৰিছো।"

মুহূৰ্ত্তৰ বাবে সন্দিগ্ধচিত্তে থিয় হৈ থাকি তেওঁ দোধোৰ-মোধোৰকৈ হাতখন আগ বঢ়াই দিলে। ছানিনে ক্ৰুতগতিত আহি তেওঁৰ হাতখন জোঁকাৰি দিলে। দুয়ো হাঁহি হাঁহি ইজনে সিজনৰ পিনে চালে। দুয়োৰে মুখ দুখন আনন্দতে ৰঙা পৰি উঠিল।

বাজীকৰৰ পাৰ চৰাই এটাৰ দৰে পেণ্টালিয়ন বননিৰ পৰা ওলাই আহিল। তেওঁ হাত চপৰিয়াই চপৰিয়াই বলিয়াৰ দৰে "বাঃ বাঃ!" কৈ চিঞৰিবলৈ ধৰিলে। ডাক্তৰো পৰি থকা গছজোপাৰপৰা উঠি গা ঘেলাই ঘেলাই বনপ্ৰান্তলৈ ওলাই আহিল।

ভন বিচাৰে ঘোষণা কৰিলে — "উভয় পক্ষৰে সন্মান বজাই থাকিল, আৰু দ্বন্দ্বযুদ্ধৰ ইমানতে ওৰ পৰিল।"

অফিচাৰসকলৰ পৰা বিদায় লৈ ছানিন গাড়ীত উঠিল। তেওঁৰ সৰ্বশৰীৰত এটি শিহৰণ উঠিল। অৱশ্যে ইয়াক প্ৰকৃত আনন্দৰ শিহৰণ বুলিব নোৱাৰি। তেওঁ কিছু লজ্জিত নহৈও নোৱাৰিলে, কাৰণ দুয়োৰে মাজত হোৱা যুঁজখন প্ৰকৃত যুঁজ হোৱা নাছিল। বননিৰপৰা ওলাই আহোতে ডনহফে নাক কোঁচাই ইঁহাৰ কথা তেওঁৰ মনত পৰিল। তদুপৰি বানচ স্বৰূপে তেওঁ ডাক্তৰক চাৰি চেৰভণ্টচি দিবলগীয়া হৈছিল।

সঁচা কথা — ছানিনে জেমাৰ কাৰণে অভদ্ৰ অফিচাৰজনৰ লগত এই সকলোবোৰ কৰিবলগীয়াত পৰিছিল, আৰু হেৰ্ ক্লুবাৰৰ পথ তেওঁ অনুসৰণ কৰিব নোৱাৰিছিল, তথাপিতো তেওঁৰ অন্তৰাত্মা অশান্ত হৈ উঠিছিল। তেওঁ লজ্জিত হ'ল আৰু নিজকে নিজে দোষী সাব্যস্ত কৰিলে।

পেণ্টালিয়নে কিন্তু সত্যবিজয়ী সৈন্যাধ্যক্ষৰ দৰে গৰ্ব অনুভৱ কৰিলে আৰু ছানিনক বীৰ আখ্যাৰে বিভূষিত কৰিলে। নিজৰ বেলিকা

হ'লে তেওঁ যে কিছু ভয় খাইছিল সেই কথা তেওঁ স্বীকাৰ কৰি ক'লে, "তুমি বুজিছাই নহয়, মই এজন শিল্পী। স্বভাৱতে মই দুৰ্বল মনৰ। তুমি হৈছা বৰফ আৰু থিয় গ্ৰেনিট পৰ্বতৰ সন্তান।"

শিল্পী পেণ্টালিয়নৰ উত্তেজনা উপশম কৰিবলৈ ছানিন কিংকৰ্তব্য-বিমূঢ় হৈ পৰিছিল।

দুঘণ্টা আগতে যি ঠাইত এমিলিক লগ পাইছিল, প্ৰায় সেই ঠাইতে তেওঁলোকে এমিলিক পুনৰ লগ পালে। সি গছ এজোপাৰ আঁৰৰপৰা ওলাই আহি একে জঁাপে গাড়ীৰ ভিতৰত সোমাল আৰু ছানিনৰ গাৰ ওপৰতে পৰিল।

"আপুনি জীয়াই আছে, আপোনাৰ ক'তো আঘাত লগা নাই। ক্ষমা কৰিব, মই আপোনাৰ আদেশ পালন কৰা নাছিলোঁ, মই উভতি যোৱা নাছিলোঁ, মই যাব পৰা নাছিলো। ইয়াতে মই আপোনালোকক অপেক্ষা কৰি আছিলো সকলো কথা ভাঙি পাতি কওক। আপুনি তাক বধ কৰিলেনেকি?"

এমিলিক সুস্থিৰ কৰাত আৰু বঝুৱাত ছানিনে বৰ টান পালে। পেণ্টালিয়নে ৰগৰ লগাই এমিলিক সকলো কথা ভাঙি-পাতি ক'লে।

ফ্ৰাঙ্কফুৰ্টৰ পকী ৰাজপথৰ ওপৰত গাড়ীৰ চকাৰ ঘৰ্ ঘৰ্ শব্দ উঠিল। শেষত গাড়ীখন ছানিন থকা হোটেলৰ সন্মুখত ৰললৈ। গাড়ীৰপৰা নামি তিনিওজনে খট্খটীৰে ওপৰ তলালৈ উঠিবলৈ ধৰিলে। এনেতে পৰ্দাপৰিহিতা মহিলা এগৰাকী কৰিডৰৰপৰা বেগাই ওলাই আহিল। তেওঁ ছানিনৰ সন্মুখত হঠাতে ৰৈ গ'ল। পৰ্দাখন অলপ ফাঁক কৰি দি নিশ্বাস লবলৈ মুখখন মেলি দিলে আৰু ভয়বিহ্বল হৈ তললৈ মুৰ কৰি খট্খটীৰে তীব্ৰবেগে নামি আহি ৰাস্তাত উঠিলগৈ। পৰিচাৰকজনক বিস্ময়াভিভূত কৰি লাহে লাহে তেওঁ অন্ধকাৰত বিলীন হৈ গল। পৰিচাৰকজনে ছানিনক কৈছিল যে, এই মহিলা গৰাকীয়ে এঘণ্টাৰো ওপৰ বিদেশী ভদ্ৰলোকজনক বাট চাই আছিল।

যদিও মুহূৰ্ত্তৰ বাবে ছানিনে তেওঁক দেখিছিল, তথাপি সেইখিনি সময়ৰ ভিতৰতে তেওঁ জেমাক চিনি পাইছিল। মুগা পৰ্দাখনৰ ডাঠ পাটৰ কাপোৰৰ তলত ছানিনে তেওঁৰ চকু দুটা দেখিছিল।

"তেনেহলে জেমাই সকলো কথা গম পাইছে ?" এমিলি আৰু পেণ্টাগ্নিয়নৰ পিনে চাই বিৰক্তিৰ সুৰত লেনীয়া মাতেৰে ছানিনে প্ৰশ্ন কৰিলে। এমিলি ৰঙা-চিঙা পৰি গ'ল। তাৰ মুখত হতবুদ্ধিৰ চিহ্ন পৰিলক্ষিত হ'ল।

"মই বাইদেউক সকলো কথা কবলৈ বাধ্য হৈছিলো," এমিলিয়ে খোনাই খোনাই ক'লে। "তেওঁ অনুমান কৰিছিল — আৰু মই নোকোৱাকৈ কিন্তু এতিয়া আৰু কোনো ভয় নাই," সি উৎফুল্লমনে কৈ গ'ল। "সকলো কথা ভালে ভালে হৈ গৈছে। তেওঁ আপোনাক নিৰাপদে ঘুৰি অহা দেখিছে।"

"তোমালোক দুয়ো যে কেনে চেল্‌চেলীয়া।" বিৰক্তিৰ সুৰত ছানিনে ক'লে আৰু কোঠাটোলৈ গৈ চকী এখনত বহিল।

"মোৰ ওপৰত খং নকৰিব," এমিলিয়ে সানুনয়ে অনুৰোধ কৰিলে।

"ভাল বাৰু, নকৰোঁ। এতিয়া তোমালোক যোৱা। মই শ্ৰান্ত হৈ পৰিছো। অলপ শুব লাগিব।"

তেইশ

কেইবা ঘণ্টা জুৰি ছানিন গভীৰ টোপনিত নিমগ্ন হ'ল। তেওঁ এটা সপোন দেখিলে। হেৰ, ক্ৰুবাৰৰ লগত তেওঁ যেন মল্লযুদ্ধ কৰিছে। ভাটৌ চৰাই এটাই এজোপা দেবদাৰু গছৰ ওপৰত বহি অনবৰত টিক্-টিক্ শব্দ কৰি আছে — "এক দুই তিনি এক দুই ... তিনি " এই ভাটৌ চৰাইটো পেণ্টালিয়নৰ বাহিৰে আন কোনো নহয়।

শেষত 'তিনি-তিনি-তিনি'ৰ শব্দ ইমান ডাঙৰ হ'ল যে ছানিনে সাৰ পালে। তেওঁ চকু মেলি গাৰুৰপৰা মূৰটো তুলিলে। কোনোবাই দুৱাৰত টুকৰিয়াই আছিল।

" ভিতৰলৈ আহাঁ, " ছানিনে চিঞৰি ক'লে।

পৰিচাৰকজন আহি ছানিনক ক'লে যে, এগৰাকী মহিলাই তেওঁৰ লগত কথা পাতিবলৈ উদ্বিগ্না হৈ আছে।

" জেমা। " ততালিকে তেওঁৰ মনত খেলালে কিন্তু দেখা গ'ল মহিলা গৰাকী জেমাৰ মাকহে—ৰোজেলী।

তেওঁ এখন চকীত বহিল আৰু কান্দি পেলালে।

" আই, আপোনাৰ কি হৈছে ? " ছানিনে ৰোজেলীৰ কাষত বহি লাহেকৈ তেওঁক হাতত ধৰি সুধিলে। " অলপ সুস্থিৰ হওক, মই আপোনাক কাবৌ কৰিছোঁ। "

" এৰা, হেৰ, ডিমিত্ৰি, সঁচাকৈয়ে মই অসুখী, বৰ অসুখী। "

" আপুনি অসুখী ? "

" এৰা, অতি অসুখী। কোনে ভাবিছিল এনে এটা ঘটনা ঘটিব বুলি। হঠাতে বিনা মেঘে বজ্ৰপাত হোৱাৰ দৰে "

"কিনো হৈছে কওকচোন ? এগিলাচ পানী খাবনেকি ?"

"নাখাওঁ, ধন্যবাদ," ৰোজেলীয়ে কমাল এখনেৰে চকু দুটা মচি আগতকৈ আৰু বেছি জোৰেৰে কান্দিবলৈ ধৰিলে। "মই সকলো কথা শুনিছো, সকলো কথা।"

"সকলো কথা মানে ?"

"আজি ঘটা সকলো কথা। আৰু ইয়াৰ কাৰণো মই জানোঁ। তুমি এজন সাহসী লোকৰ কাম কৰিছা। কিন্তু কি যে মোৰ দুৰ্কপাল। যদিও তোমাৰ লগত পৰিচয় হবৰ পাঁচ দিন হ'ল মাত্ৰ, তথাপি তোমাক এজন সন্মানিত ব্যক্তি আৰু বন্ধু বুলি ভাবি মই তোমাৰ ওচৰলৈ আহিছো কিন্তু তুমি জানা মই এজনী বিধবা, মই অকলশৰীয়া মোৰ ছোৱালীজনীয়ে মোৰ ছোৱালীজনীয়ে — জেমাই — মোক কৈছে যে, তাই হেৰ্ ক্ৰুবাৰক বিয়া নকৰায়। আৰু এই কথা মই তেওঁক কব লাগে।"

ছানিন উচপ্ খাই উঠিল।

মই লাজ-চৰমৰ কথা নকৰেই। ছোৱালীয়ে জানো ভাবী দৰাক নাকচ কৰাৰ কথা কোনোবাই শুনিছে। কিন্তু হেৰ ডিমিত্ৰি, সেইটো কৰিলে আমাৰ সৰ্বনাশ হব। আমাৰ দোকানৰ আয়ৰপৰা আমি কোনোমতে চলিব নোৱাৰোঁ। হেৰ্ ক্ৰুবাৰ এজন চহকী লোক, আৰু ক্ৰমশ তেওঁ চহকী হব। কিয় তেওঁক নাকচ কৰিবলগীয়া হ'ল ? তেওঁৰ বাক্‌দত্তাৰ হকে থিয় নিদিয়াৰ কাৰণেনেকি ?"

"ক্ষমা কৰিব, মেডাম ৰোজেলী! আপুনি মোক দোষাৰোপ কৰা যেন পাওঁ "

"মই তোমাক অলপো নোদোষোঁ। তোমাৰ কথা সম্পূৰ্ণ পৃথক — আন আন কছুৰ দৰে তুমিও এজন সামৰিক লোক।"

"ক্ষমা কৰিব, মই নহওঁ ..."

"তুমি এজন বিদেশী, এজন পৰ্য্যটক। তোমাৰ ওচৰত মই কৃতজ্ঞ।"

" আগতে আমাৰ কাৰবাৰ খুব ভাল চলিছিল। 'এঞ্জেল কেক' আমিয়ে মাখোন তৈয়াৰ কৰিছিলোঁ। এতিয়া এঞ্জেল কেক ঘৰে ঘৰে। এনে অৱস্থাত আমি কেনেকৈ জীৱন নির্বাহ কৰিম ? এতিয়া তোমাৰ ওপৰতে সকলো নির্ভৰ কৰিছে। তুমি জেমাক বুজাব পাৰিবা। "

" মই ? "

" এৰা তুমি, তুমি পাৰিবা। তাইৰ কাৰণে তুমি তোমাৰ জীৱন বিপদাপন্ন কৰিছিলা। তাইক তুমি বুজাব পাৰিবা যে, হেৰ ক্লুবাৰৰ লগত তাইৰ বিয়া নহলে তাইৰ আৰু আমাৰ সকলোৰে সর্বনাশ হব। তুমি মোৰ ল'ৰাৰ জীৱন বচাইছিলা, এতিয়া যেন ছোৱালীজনীকো বচোৱা। "

বোজেলীয়ে চকীখনৰপৰা আধা উঠা কৰি ছানিনৰ ভৰিত ধৰিব খুজিলে। ছানিনে বাধা দি ক'লে, " আপুনি যি ভাল দেখে তাকে কৰিম। মই জেমাক সকলো কথা কম। "

বোজেলীয়ে এটি আনন্দসূচক ধ্বনি কৰিলে।

" জেমাই স্পষ্টকৈ কৈছেনেকি যে, তেওঁ হেৰ ক্লুবাৰক বিয়া নকৰায় ? " কিছু সময় নীৰৱে থাকি ছানিনে শুধিলে।

" তাই একেবাৰে অমান্তি হৈছে। তায়ো পিতাকৰ দৰে উগ্ৰ স্বভাৱৰ। "

" উগ্ৰ স্বভাৱৰ ? জেমা ? "

" এৰা, এৰা , কিন্তু তাই এজনী দেৱদূতীও। তাই তোমাৰ কথা মানিব। তুমি সোনকালে আহিবাদেই। " চকীখনৰপৰা উঠি তেওঁ আবেগতে ছানিনক সাবটি ধৰি ক'লে, " বোপা, ভগবানে তোমাৰ মঙ্গল কৰক। এতিয়া বাৰু পানী এগিলাচ দিয়া। "

ছানিনে পানী এগিলাচ দিলে আৰু অতি সোনকালে তেওঁলোকৰ ঘৰলৈ যাব বুলি প্ৰতিশ্ৰুতি দিলে। তেওঁ বোজেলীক পদূলিমুখলৈকে আগ বঢ়াই থৈ আহিল।

"ঘটনা-প্রবাহে এতিয়া প্রচণ্ড মূৰ্ত্তি ধাৰণ কৰিছে," ছানিনে নিজকে নিজে ক'লে। "আৰু ই ইমান বেগাই ধাৱিত হৈছে যে, মোৰ আচৰিত হৈছে। তেওঁৰ মাকেই কৈছে 'তেওঁ উগ্ৰ স্বভাৱৰ।' হয় জানো? আৰু মই তেওঁক উপদেশ দিব লাগে। 'তাইক উপদেশ দিবা' উপদেশ মোৰ কাৰণে বেচ উপদেশ।"

ছানিনৰ মূৰৰ ঘূৰণি উঠিল। সকলো উত্তেজনা, সকলো স্মৃতি, সকলো অপ্ৰকাশিত চিন্তাৰাশিৰ চাকনৈয়াৰ মাজত জেমাৰ ছবিটো তেওঁৰ সম্মুখত ভাহি উঠিল। জেমাৰ ছবিটোৱে তেওঁৰ মনৰ ওপৰত মছিব নোৱাৰাকৈ সাঁচ বহুৱাইছিল। সিদিনাৰ সেই নাতি-উষ্ম নিশা তৰাৰ পোহৰ আৰু বিজুলীৰ চিক্‌মিকনিত ক'লা খিড়িকীখনৰ কাষত জেমাৰ ছবিটোৰ কথা তেওঁ পাহৰিব পৰা নাছিল।

দ্বিধা-সঙ্কোচিত মন লৈ তেওঁ জেমাহঁতৰ ঘৰলৈ গ'ল। বাহিৰৰ সৰু কোঠা এটাৰ ভিতৰত বোজেলীৰ লগত তেওঁৰ সাক্ষাৎ হ'ল। তেওঁক দেখি বোজেলীৰ মনত আনন্দ লাগিল আৰু লগতে ভয়ো উপজিল।

ইখনৰ পাচত সিখন হাতেৰে ছানিনৰ হাত দুখন জোকাৰি তেওঁ কাণে-কাণে ক'লে, "মই তোমাক বাট চাই আছিলো। বাগিচালৈ যোৱা। তাই তাতে আছে। মনত ৰাখিবা তোমাৰ ওপৰতে সৰ্বভাৰসা।"

ছানিন বাগিচালৈ গ'ল।

জেমাই বেঞ্চ এখনত বহি ডাঙৰ পাচি এটাৰপৰা পকা চেৰি ফলবোৰ বাছি বাছি কাঁহী এখনত থৈছিল।

ছড়েনলৈ যাওঁতে পিন্ধা হেট্‌টোকে জেমাই পিন্ধি আছিল। হেট্‌টোৰ তলেদি তেওঁ ছানিনৰ পিনে চাইছিল আৰু পাচিটোৰ ওপৰত গা হেলাই আছিল।

ধীৰে ধীৰে জেমাৰ কাষলৈ গৈ তেওঁ চেৰি ফলবোৰ বুটলাৰ কাৰণ সুধিলে।

উত্তৰ দিয়াত জেমাৰ কিছু পলম হ'ল।

" সেইবোৰ — আটাইতকৈ পকাবোৰ — জেলিৰ কাৰণে আৰু এইবোৰ — কেঁচাবোৰ — মিঠাইৰ কাৰণে।"

এনেদৰে কৈ জেমাই আৰু বেছিকৈ হালি আঙুলিৰ মাজত যঁজা চেৰি এটা ধৰি পাচিটো আৰু কাঁহীখনৰ মাজত সোঁহাতখন ওলমাই ৰাখিলে।

" মই তোমাৰ কাষত বহিব পাৰোঁনে ?"

" নোৱাৰিব কিয় ? জেমা অলপ এফলীয়া হ'ল আৰু ছানিন তেওঁৰ কাষত বহিল।"

" আজি আপুনি দ্বন্দ্বযুদ্ধ কৰিছিল," জেমাই বিমোৰত পৰি ৰঙচুৱা গোলাপী মুখখনিৰে তেওঁৰ পিনে চাই উৎকণ্ঠিতস্বৰে ক'লে। গভীৰ কৃতজ্ঞতাত তেওঁৰ চকুযুৰি উদ্ভাসিত হৈ উঠিল। " আপুনি কেনে প্ৰশান্ত! বোধহয় এতিয়া আৰু আপোনাৰ কোনো বিপদৰ ভয় নাই।"

" মই তো কোনো বিপদত পৰা নাছিলো।"

" মিছা কথা। আপুনি মোৰ চকুত ধুলি মাৰিব নোৱাৰে। পেণ্টালিয়নে মোক সকলো কথা ভাঙি কৈছে।"

" আৰু তুমি পেণ্টালিয়নক বিশ্বাস কৰিছা ?"

" তেওঁৰ কথা হাস্যাস্পদ হব পাৰে, কিন্তু তেওঁৰ ভাবত নাইবা আপোনাৰ কাৰ্য্যত কোনো হাস্যাস্পদতাৰ চিন নাই। আৰু এই সকলোবোৰ মোৰ কাৰণেই মোৰ কাৰণেই মই আজীৱন এই কথা পাহৰিব নোৱাৰোঁ।"

" তুমি নিশ্চয়কৈ জানিবাঁ, জেমা! "

" মই কেতিয়াও ইয়াক পাহৰিব নোৱাৰোঁ," ছানিনৰ পিনে ৰ-লাগি চাই পুনৰ তেওঁ ক'লে আৰু একাষৰীয়া হ'ল।

এতিয়া ছানিনে তেওঁৰ একাষৰীয়া ছবিটিৰ ধুনীয়া, স্পষ্ট আঁচবোৰ দেখা পালে। তেওঁৰ অন্তৰাত্মাত বহ্নি শিখা জ্বলি উঠিল।

" জেমা ! ... " মুহূৰ্ত্তৰ সন্দিগ্ধতাৰ পিচত ছানিনে কবলৈ ধৰিলে।

" কি কয় ? "

তেওঁ ছানিনৰ পিনে চোৱা নাছিল। পকা চেৰি'বাৰ বাছি লৈ ঠাৰিত ধৰি আঙুলিৰ আগত লৈ বৰ যত্ন কৰি তেওঁ পাতবোৰ গুচাবলৈ ধৰিলে কিন্তু অতি সন্তৰ্পণে " কি কয় ? " বোলা মাতষাৰিত কিমান বিশ্বাস্য মৰম লুকাই আছিল।

" তোমাৰ মাৰাই তোমাক একো কোৱা নাইনে ? বিষয়ে ? "

" কাৰ বিষয়ে ? "

" মোৰ বিষয়ে। "

জেমাৰ হাতৰপৰা চেৰিবোৰ পাচিটোত পৰি গ'ল।

" তেওঁ আপোনাৰ লগত কথা হৈছিলনেকি ? "

" এৰা। "

" আপোনাক কি ক'লে ? "

" তোমাৰ অভিপ্ৰায়ৰ কথা, তোমাৰ ভৱিষ্য জীৱনৰ কথা। "

" তেনেহলে মায়ে আপোনাক কৈছে মই হেৰ্ ক্লুবাৰৰ পত্নী হবলৈ বাঞ্ছা নকৰোঁ। "

" এৰা। "

জেমাই বেঞ্চখনত ইকাতি-সিকাতি কৰিলে। পাচিটো কাতি হৈ পৰি গ'ল। কেইটামান চেৰি ৰাস্তাত বাগৰি পৰিল। জেমাৰ বুকুত সঘনাই ধপ্-ধপনি উঠিল।

" আপোনাক কিয় কবলগীয়া হ'ল ? "

" যিহেতু আমাৰ উভয়ৰে মাজত ইমান কম সময়ৰ ভিতৰতে বন্ধুত্ব গঢ়ি উঠিছে। সেই কাৰণে তোমাৰ মাৰাৰ বিশ্বাস মই তোমাক সজ উপদেশ দিম আৰু তুমি মোৰ কথা শুনিবা। "

জেমাৰ হাত দুখন ধীৰে ধীৰে কোলালৈ নামি গ'ল আৰু তেওঁ সাজপাৰৰ ভাঁজবোৰ টানিটুনি ললে।

" আপুনি মোক কি উপদেশ দিব খোজে, মঁচিয়ে ডিমিত্রি ? "

ছানিনে দেখিলে জেমাৰ হাত দুখন কঁপিবলৈ ধৰিছে আৰু পোছাক-পাতি ঠিক কৰাৰ অজুহাতত জেমাই হাতৰ কঁপনি মাথোন লুকাবৰ প্ৰয়াস কৰিছে। ছানিনে লাহে লাহে জেমাৰ কঁপনি উঠা আঙুলিবোৰৰ ওপৰত তেওঁৰ হাতখন থলে

" জেমা, তুমি মোৰ পিনে নোচোৱা কেলেই ? "

জেমাই হেটটো নমাই থৈ ছানিনৰ পিনে একেথৰে চাই থাকিল — বিশ্বাস আৰু কৃতজ্ঞতাৰ চাৱনিত। তেওঁ কিবা কব বুলি জেমাই বাট চাই আছিল কিন্তু জেমাৰ মুখৰ লাৱণ্যতাই তেওঁক বিবুদ্ধিত পেলালে আৰু তেওঁৰ চকুত চমক মাৰি ধৰিলে। সন্ধিয়াৰ সুৰুযৰ শেষ ৰশ্মিৰাজিয়ে জেমাৰ মুখত সোণালী ৰহণ সানি দিলে। তেওঁৰ মুখৰ চেহেৰা ৰবি-ৰশ্মিতকৈও উজ্জ্বলতৰ আৰু স্পষ্টতৰ হৈ উঠিল।

ভ্ৰূযুগল ওপৰলৈ তুলি মুখত মিচিকিয়া হাঁহি এটি লৈ তেওঁ ক'লে, " মঁচিয়ে ডিমিত্রি, মই আপোনাৰ উপদেশ নিশ্চয় সাৰোগত কৰিম। আপোনাৰ নো কি উপদেশ ? "

" সিদিনাখন বিশেষ বীৰত্ব প্ৰদৰ্শন নকৰাৰ বাবে হেৰ্ ক্লুবাৰক প্ৰত্যাখ্যান কৰাটো তোমাৰ সমীচীন নহব। তুমি ত্ৰনেকুৱা এটা গুৰুত্বপূৰ্ণ সিদ্ধান্তত উপনীত হোৱাৰ আগতে ভৱিষ্যতৰ ফলাফলৰ বিষয়ে ভাবি চোৱা উচিত। ঘৰখনৰ প্ৰত্যেকৰে ওচৰত তোমাৰো এটা কৰ্ত্তব্য আছে। "

" সেই সকলোবোৰ মাৰ অভিমত — মাৰ কথা। আপোনাৰ অভিমত কি ? "

" মোৰ অভিমত ! " ছানিন নিস্তব্ধ হ'ল। তেওঁৰ কণ্ঠ ৰোধ হ'ল। তেওঁ কথমপি ক'লে, " ময়ো ভাবো .. "

জেমাই মূৰটো দাঙি ক'লে, " আপুনিও, আপুনিও ? "

" এৰা, মই কব খুজিছো " ছানিনে প্ৰকৃততে এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিলে।

"ভাল। যদি বন্ধু হিচাপে আপুনি মোক সিদ্ধান্ত পৰিবৰ্ত্তন কৰিবলৈ উপদেশ দিয়ে — তাৰ মানে, যদি আগৰ সিদ্ধান্ত বাহাল ৰাখিব লাগে — মই এই বিষয়ে চিন্তা কৰি চাব লাগিব।" তেওঁ যে কি কৰি আছিল তাক একেবাৰে পাহৰি চেৰি ফলবোৰ কাঁহীখনৰপৰা বুটলি লৈ আকৌ পাচিটোত থলে। "মাই আশা কৰিছে আপুনি মোক যি কৰিবলৈ কয় মই তাকে কৰিম। খুব ভাল কথা। সম্ভৱতঃ মই তাকেই কৰিম।"

"কিন্তু, জেমা। মই প্ৰথমতে জানিব খোজোঁ কি কাৰণে তুমি এনে কৰিবলৈ ওলাইছা?"

"আপুনি যি কৰিবলৈ কয় মই তাকে কৰিম। মোৰ কাৰণে আপুনি ইমান কৰিছে। আপুনি যি কৰিবলৈ কয় তাকে কৰিবলৈ মই বাধ্য। মাক কম এই বিষয়ে মই ভাবি-চিন্তি চাব লাগিব। অ' তেওঁ আহিলেই।"

মাক বৰ উদ্বিগ্না হৈ আছিল। তেওঁ ভাবিছিল জেমা আৰু ছানিনৰ কথা-বতৰা শেষ হৈছে, যদিও দুয়োৰে মাজত কথা-বতৰা হবৰ মাথোন পোন্ধৰ মিনিটহে হৈছিল।

"ভগবানৰ দোহাই দি কৈছোঁ, তুমি তেখেতক একো নকবা, একো নকবা," — ভয়-বিহ্বল হৈ ছানিনে জেমাক অনুৰোধ কৰিলে। "অপেক্ষা কৰিবা মই তোমাক নোকোৱা পৰ্য্যন্ত, মই তোমালৈ নিলিখা পৰ্য্যন্ত কোনো সিদ্ধান্তলৈ নাহিবা অপেক্ষা কৰিবা।"

তেওঁ জেমাৰ হাতত চিকুটি দি বেঞ্চখনৰপৰা ঘপক্ কৰে উঠিল আৰু হেটটো হাতত লৈ ভোৰভোৰাই কিবাকিবি কৈ স্তম্ভিতা বোজেলীৰ কাষেদি সাউৎ কৰে গুচি গ'ল আৰু শেষত অদৃশ্য হৈ পৰিল।

জেমাৰ ওচৰলৈ গৈ বোজেলীয়ে উভয়ৰে মাজত হোৱা আলোচনাৰ কথা সুধিলত জেমাই কাইলৈকে কেৱল বাট চাবলৈ অনুৰোধ কৰিলে।

জেমাৰ চকুত আনন্দ-লোতক দেখি মাকে সুধিলে, "তোৰ কি হৈছে? তই হঠাতে কান্দিছ কেলেই?"

"একো হোৱা নাই, মা, একো হোৱা নাই। বাট চোৱা, মা, বাট চোৱাঁ। কাইলৈকে মোক একো সুসুধিবা। এতিয়া আমি চেৰিবোৰ বুটলোঁ আহা। সূৰ্য্য অস্ত যাবলৈ আৰু বেছি সময় নাই।"

জেমাৰ চকুলো দুধাৰি গাল দুখনিতে শুকাই গ'ল।

চৌবিশ

দুজানিনে প্ৰায় একে দৌৰে হোটেল পালেগৈ। তেওঁ চিন্তামগ্ন হৈ এখন ডেস্কত বহিল আৰু উদাসকণ্ঠে চিঞৰি উঠিল: "মই তেওঁক ভাল পাওঁ, মই তেওঁৰ কাৰণে বলিয়া।" জেমাই বেঞ্চখনৰ ওপৰত কেনেকৈ বহি আছিল, কেনেকৈ তেওঁ হঠাতে হেটটো পেলাই থৈ তেওঁৰ পিনে কিমান বিশ্বাসেৰে চাইছিল — সকলো কথা তেওঁৰ মনত পৰিল প্ৰেম-কম্পন, প্ৰেম-তৃষ্ণা তেওঁৰ ধমনিত প্ৰবাহিত হ'ল। আজি দুদিন ধৰি লগত লৈ ফুৰা গোলাপ ফুলটিৰ কথা তেওঁৰ মনত পৰিল। গোলাপ ফুলটো জেপৰপৰা উলিয়াই লৈ ইমান জোৰে তেওঁৰ ওঁঠ দুটাৰ ওপৰত ঘঁহি দিলে যে বেদনাতে তেওঁ প্ৰকৃততে কোচমোচ খালে। তেওঁ বিবেক-বিহীন হৈ পৰিল। তেওঁ পৰিণামৰ কথা নাভাবিলে, ভৱিষ্যতৰ পিনে লক্ষ্য নকৰিলে, অতীতৰ যোগসূত্ৰ তেওঁৰ বিচ্ছিন্ন হৈ পৰিল, ভৱিষ্যতক তেওঁ আকোৱালি ললে। তেওঁ তেওঁৰ অকলশৰীয়া অবিবাহিত জীৱন-নৈৰ তীৰত বান্ধি থোৱা নঙৰ চিঙি দি আনন্দ লহৰত নিজকে উটুৱাই দিলে — ক'লৈ যে তেওঁক উটুৱাই নিছে, ক'ত যে তেওঁৰ টুলুঙা নাৱখনি শিলাখণ্ডত লাগি বিদীৰ্ণ হব তালৈ তেওঁৰ ভ্ৰূক্ষেপ নাই।

তেওঁ এখন কাগজ উলিয়াই ললে আৰু প্ৰায় কলম নোতোলাকৈ ধুনীয়াকৈ লিখিলে —

" মৰমৰ জেমা,

তোমাক উপদেশ দিবলৈ গাত নোৱাৰ কথা তুমি জানা। তোমাৰ মাৰাই কি কামনা কৰিছে সিও তোমাৰ অবিদিত নহয়। কিন্তু তুমি যিটো কথা নাজানা আৰু যিটো কথা কবৰ কাৰণে মই বাধ্য, সেইটো হ'ল — মই তোমাক ভাল পাওঁ, অন্তৰৰ সকলো কামনা, সকলো বাসনা লৈ মই তোমাক ভাল পাওঁ। ইয়াৰ আগতে মই কাৰো ওচৰত প্ৰেম নিবেদন কৰা নাই। অভাবনীয়ভাৱে মোৰ অন্তৰত কামনাৰ বহ্নি-শিখা জ্বলি উঠিছে, কিন্তু ইয়াৰ শক্তি যে কিমান তাক প্ৰকাশ কৰিবলৈ মোৰ ভাষা নাই। তোমাৰ মাৰা আছি মোৰ সহায় বিচৰাত, ই মোক তুঁহ-জুইৰ দৰে উমাই উমাই পুৰি মাৰিছিল, নহলে এজন সৰল সাধু লোকৰ দৰে বোধহয় মোৰ ওপৰত ন্যস্ত কৰা কৰ্ত্তব্যৰ মহাভাৰ সমাধা কৰিবলৈ অপাৰগ বুলি প্ৰত্যাখ্যান কৰিলো-হেঁতেন মোৰ এই স্বীকাৰোক্তি এজন সাধু লোকৰ স্বীকাৰোক্তি বুলি জানিবা। তুমি কাক ভাল পোৱা তাক তুমি নিজেই বিচাৰ কৰি লবা। আমাৰ ভিতৰত যেন কোনো ভুল বুজাবুজি নহয়। তুমি বুজিছাই তোমাক মই কোনো উপদেশ দিব নোৱাৰোঁ.. মই তোমাক ভাল পাওঁ, ভাল পাওঁ, ভাল পাওঁ — মোৰ মনত বা মোৰ অন্তৰত ইয়াৰ বাহিৰে দ্বিতীয় আৰু কোনো চিন্তা নাই।

ডি, ছানিন।"

চিঠিখন নো জেমাক কেনেকৈ দিয়ে, এই কথা ভাবি ভাবি তেওঁ ৰাস্তাৰ পিনে ওলাই আহিল। কিছুদূৰ গৈ তেওঁ বাটত এমিলিক লগ পালে। এমিলি তেতিয়া দোকানৰপৰা ঘৰমুখে ৰাওনা হৈছিল।

"প্ৰেমিকৰ ওপৰত গ্ৰহ সুপ্ৰসন্ন হয়,' এই বচন ফাঁকিত নিশ্চয় কিবা সত্যতা আছে," ছানিনে মনতে ভাবি'ল। তেওঁ এমিলিক কাষলৈ মাতি চিঠিখন হাতত দি ক'লে, "চিঠিখন গোপনে জেমাক দিবা।"

" সেই বিষয়ে চিন্তা নকৰিব " বুলি কৈ সি ঘৰলৈ দৌৰ দিলে।

ছানিনে তেওঁৰ কোঠাটোলৈ গৈ মমবাতি নজ্বলোৱাকৈয়ে যুবৰ তলত হাত দুখন ৰাখি প্ৰথম প্ৰেমৰ প্ৰবল উত্তেজনাৰ ওচৰত আত্ম সমৰ্পণ কৰিলে।

কিছু সময়ৰ পিচত এমিলি ঘূৰি আহি ছানিনক ফুচ্‌ফুচাই ক'লে, " এয়া উত্তৰ, " আৰু ভাঁজ কৰা কাগজ এখন ছানিনৰ মুখৰ আগত ধৰিলে।

ছোফাখনৰপৰা জঁাপ মাৰি উঠি ছানিনে এমিলিৰ হাতৰপৰা কাগজখন নিলে। তেওঁ খিড়িকীৰ ওচৰলৈ গৈ ৰাস্তাৰ দঁাতিৰ লেম্প এটাৰ পোহৰত তলৰ কথাখিনি পঢ়িলে —

" মোৰ সানুনয় অনুৰোধ, সানুনয় প্ৰাৰ্থনা — আপুনি যেন কাইলৈ গোটেই দিনটো আমাৰ ঘৰলৈ নাহে, আমাক যেন দেখা নিদিয়ে। মোৰ কাৰণে ই দৰকাৰ হৈ পৰিছে — সম্পূৰ্ণৰূপে দৰকাৰ হৈ পৰিছে। পিচত সকলো কথা মীমাংসা হব। মই জানো মোৰ কথা আপুনি নেপেলায়, কাৰণ

জেমা। "

ছানিনে জেমাৰ লেখাখন দুবাৰ পঢ়িলে। তেওঁৰ মানত তেওঁৰ হাতৰ আখৰবোৰ কেনে মিঠা, কেনে সুন্দৰ, কেনে প্ৰাণস্পৰ্শী।

তেওঁ এমিলিৰ পিনে চাই ক'লে, " জেমাক কৰা যে তেওঁৰ কথা মতে কাম কৰা হব। তুমি কাইলৈ কি কৰিব খুজিছা ? "

" মই ? মই কি কৰিলে ভাল পায় ? "

" পাৰিলে কাইলৈ ৰাতিপুৱা এপাক মাৰিবা। আমি ফ্ৰাঙ্কফুৰ্টৰ আশে-পাশে ঘূৰিম। "

এমিলিয়ে ৰংমনে সম্মতি জনালে আৰু ছানিনক চুমা এটা খাই বিদায় ললে।

অনাগত নতুন জীৱনৰ সুখ-দুখ, আনন্দ-নিৰানন্দ, মধুৰতা-তিক্ততাৰ নানা চিন্তা আৰু কল্পনাৰ সোঁতত তেওঁ নিজকে উটুৱাই দিলে।

পচিশ

*পি*ছদিনা ৰাতিপুৱা আঠ বজাত তাৰ্টাগলিয়াক লগত লৈ এমিলি ছানিনৰ ওচৰ পালেহি। সি ঘৰত মিছা মাতিছিল। সি কৈছিল যে, ৰাতিপুৱাৰ আহাৰৰ আগে আগে সি ছানিনৰ লগত ফুৰিব আৰু তাৰ পিচত বাহিৰে বাহিৰে দোকানলৈ যাব। ছানিনে কাপোৰ পিন্ধি থাকোতে এমিলিয়ে জেমা আৰু হেৰ্ ক্লু্বাৰৰ মাজত লগা কাজিয়াখনৰ কথা ক'লে। ছানিন নীৰৱ হৈয়ে থাকিল।

কফি খোৱাৰ পিচত দুয়ো ফ্রাঙ্কফুৰ্টৰ ওচৰৰ সৰু গাওঁ এখনলৈ খোজ ললে। গাওঁখনৰ চাৰিও দিশ হাবিৰে ঢকা। সিদিনাৰ বতৰটো আছিল ফৰকাল আৰু ৰ'দবোৰ আছিল বেচ আৰামদায়ক। সেউজীয়া পাতৰ আৰে-আঁৰে এছাটি মৃদু বতাহ বলি চেঁ-চেঁৱনি শব্দ কৰিছিল। আকাশৰ ওপৰত ঢৌ খেলা মেঘমালাৰ সৰু সৰু ছাঁবোৰ পৃথিৱীৰ বুকুলৈ নামি আহিছিল আৰু অবাধ গতিত অন্তৰ্দ্ধান হৈছিল।

দুয়ো গৈ এখন হাবিত সোমাল। কিছু সময় অনাই-বনাই ঘূৰাৰ পিচত দুয়ো এখন হোটেলত আহাৰ কৰিলে। তাৰ পিচত এখন পৰ্ব্বত বগালে আৰু শহাপহুৰ দৰে জঁপিয়াই জঁপিয়াই আনন্দতে কৰতালি দি শিলৰ টুকুৰাবোৰ তললৈ বগৰাই দিলে। তাৰ পিচত দুয়ো চুটি, শুকান, বেগুনীয়া-হালধীয়া শেলুৱৈৰ ওপৰত শুই পৰিল। শুই উঠি আন এখন হোটেললৈ গৈ মদ খালে। পিচত দৌৰৰ প্ৰতিযোগিতা চলিল। দুয়ো গান গালে, মল্লযুদ্ধ কৰিলে, গছৰ ঠেঙুলি ভাঙিলে, হেট দুটা ঢেঁকীয়া জাতীয় গছৰ পাতেৰে সজালে, নাচিলে। তাৰ্টাগলিয়াই পাৰ্য্যমানে দুয়োৰে লগত যোগ দিছিল।

সঁচা কথা — সি শিল বগৰাব নোৱাৰিছিল, কিন্তু তাৰ পৰিবৰ্ত্তে সি দুয়োৰে পাচে পাচে লুটিবাগৰ দি গৈছিল। দুয়ো গান গোৱা সময়ত সি পেন্‌পেনাই কান্দিছিল। এনেকি মদো খাইছিল, অৱশ্যে স্পষ্ট বিৰক্তিৰ সৈতে।

খোজ কঢাৰ লগে লগে ছানিনে ভাগ্য বা অদৃষ্টবাদৰ কথা উলিয়ালে। কিন্তু অলপ পিচতেই দুয়োৰে কথোপকথন সাধাৰণ কথালৈ আহিল। এমিলিয়ে কছিয়াৰ বিষয়ে নানা কথা সুধিলে আৰু ছানিনে এমিলিৰ পিতাকৰ কথা, মাকৰ কথা আৰু অন্যান্য ঘৰুৱা কথা সুধিলে। জেমাৰ নাম ধৰি সি কোনো কথা সোধা নাছিল — যদিও জেমাৰ বাহিৰে তেওঁৰ আন চিন্তা নাছিল। প্ৰকৃত কথা কবলৈ গ'লে, তেওঁ ঠিক জেমাৰ কথা ভবা নাছিল, ভাৱিছিল কাইলৈৰ দিনটোৰ কথা, যিটো দিনে তেওঁৰ কাৰণে লৈ আহিব অভূতপূৰ্ব্ব আৰু অদ্ভুত আনন্দ। তেওঁৰ কল্পনা ৰাজ্যত যেন ঢৌ খেলি থকা পৰ্দা এখন ভাহি উঠিল। পৰ্দাখনৰ সিফালে যেন আছিল যৌৱনদীপ্ত এখনি মুখচ্ছবি — নিশ্চল, স্বৰ্গীয়, অধৰত মৃদু হাঁহি, কৃত্ৰিম কঠোৰতাত চকুপতাৰ লোম নমিত। এইখন জেমাৰ মুখ নহয়, স্বয়ং আনন্দৰ। অৱশেষত মাহেন্দ্ৰ ক্ষণটি আহি পালে, পৰ্দাখন ওপৰলৈ উঠিল, অধৰযুগল মেল খালে, চকু-নোম ওপৰলৈ উঠিল — দেৱীয়ে তেওঁৰ ওপৰত শুভদৃষ্টি কৰিলে। ৰবি-ৰশ্মিৰ উজ্জ্বলতা, অসীম আনন্দ আৰু অনন্ত উল্লাসত চতুৰ্দিশ উদ্ভাসিত হৈ উঠিল। যেতিয়া তেওঁ সেই মাহেন্দ্ৰ ক্ষণৰ কথা, কাইলৈৰ দিনটোৰ কথা ভাবিলে তেতিয়া ভবিষ্যতৰ এক অভিনৱ আনন্দ, এক ক্ৰমবৰ্দ্ধমান আশা-আকাঙ্ক্ষাৰ শিহৰণত তেওঁৰ হৃদয়ৰ স্পন্দন যেন বন্ধ হৈ গ'ল।

এই আশা, আকাঙ্ক্ষাবোৰে কোনো কাৰ্য্যতে তেওঁক বাধা দিয়া নাছিল, মাত্ৰ প্ৰায়ে এই ভাববোৰ বিজুলীৰ চিক্‌মিকনিৰ দৰে তেওঁৰ মনলৈ আহিছিল। দুয়ো আন এখন হোটেলত দুপৰীয়াৰ আহাৰ

কৰিলে। তাৰ পিচত কিছুসময় খেলা-ধূলা কৰি গধূলি ছয়ো ফ্ৰাঙ্কফুৰ্টলৈ উভতি আহিল।

"মাইঁতে মোক ভৎ'সনা কৰিব," ছানিনবপৰা বিদায় লৈ এমিলিয়ে ক'লে। "কিন্তু মই তালৈ ভ্ৰুক্ষেপ নকৰোঁ। মই আজিৰ দিনটো বেচ উপভোগ কৰিছো।"

ছানিনে হোটেললৈ আহি দেখা পালে জেমাৰ পৰা এখন চিঠি আহিছে। পিচদিনা ৰাতিপুৱা সাত বজাত ফ্ৰাঙ্কফুৰ্টৰ কোনো এখন পাৰ্কত দেখা কৰিবলৈ তেওঁ ছানিনক অনুৰোধ কৰিছে।

ছাব্বিশ

ছানিমে পাঁচ বজাত সাৰ পালে, ছয় বজাত কাপোৰকানি পিন্ধিলে আৰু চাৰে ছয় বজাত জেমাই কোৱা মতে গ্ৰীষ্ম কালৰ সৰু বিশ্ৰাম-গৃহ এটাৰ পিনে লক্ষ্য কৰি পাৰ্কটোলৈ যাবলৈ ধৰিলে।

গীৰ্জাৰ ওপৰত থকা ঘড়ীটোত টং টং কৈ সাত বাজিল। ছানিন থমকি ৰ'ল। "তেওঁ নাহিবনেকি?" তেওঁৰ অঙ্গ-প্ৰত্যঙ্গবোৰত এটা কঁপনি উঠিল। মুহূৰ্ত্তৰ পিচতে আকৌ এটা কঁপনি উঠিল, কিন্তু সম্পূৰ্ণ বেলেগ কাৰণত। ছানিনৰ পাচপিনে ক্ষীণ পদক্ষেপ, এজনী তিৰোতাৰ সাজপাৰৰ মৃদু শব্দ তেওঁ ঘূৰি চালে। দেখিলে জেমা।

জেমা ছানিনৰ পাচে পাচে গৈ থাকিল। তেওঁ ছানিনৰ পিনে এবাৰ চালে, মূৰটো কাতি কৰিলে, আৰু তেওঁক অতিক্ৰম কৰি বেগাই খোজ ললে।

"জেমা।" ছানিনে শুনা-নুশুনাকৈ মাতিলে।

কিন্তু তেওঁ অলপ তলমূৰ কৰি গৈয়ে থাকিল। ছানিনে তেওঁক অনুসৰণ কৰিলে।

জেমাই বিশ্ৰাম-গৃহটো অতিক্ৰম কৰি সোঁফাললৈ ঘূৰিলে, এটা সৰু অথচ নিজৰা পাৰ হৈ গ'ল। নিজৰাৰ পানীত ঘনচিৰিকা চৰাই এটাই অকলসৰে আছাৰেকণি মাৰি আছিল। তেওঁ ওখ লাইলাক ফুল কেইজোপামানৰ মাজেদি গৈ এখন বেঞ্চত বহিল। এই নিভৃত চুকটি আছিল এখনি শান্তি-নিকেতন। ছানিন তেওঁৰ কাষতে বহিল।

এক মিনিট গ'ল। কাৰো মুখত মাত-বোল নাই। জেমাই ছানিনৰ পিনে চোৱাকে নাছিল। ছানিনেও তেওঁৰ মুখৰ পিনে চোৱা নাছিল, চাইছিল মাথো তেওঁৰ সৰু ছাতিটোৰ ওপৰত ভাঁজ লগাই থোৱা তেওঁৰ হাত দুখনিৰ পিনে। কবলগীয়া নো কি থাকিব পাৰে? অকলশৰীয়াভাৱে, ইমান সোনকালে, ইমান ওচৰা-ওচৰিকৈ দুয়ো একেলগ হৱ পৰাটো জানো কম কথা — কম অৰ্থব্যঞ্জক?

"তুমি তুমি মোক খং কৰিছানেকি?" অৱশেষত ছানিনে মাত লগালে।

এনেদৰে প্ৰশ্ন কৰাতকৈ যে আৰু কিবা মূৰ্খামিৰ কথা হব পাৰে তাক তেওঁ সুবুজাকৈ থকা নাছিল, কিন্তু তথাপিও নীৰৱতা ভঙ্গ হৈছিল।

"আপোনাক খং কৰিছো?" তেওঁ একে সুৰতে প্ৰশ্ন কৰিলে। "কিহৰ কাৰণে? নাই, কৰা নাই?"

"তুমি মোক বিশ্বাস কৰিছা জানো?"

"তাৰ মানে? আপুনি চিঠিত লিখা মতে?"

"এৰা।"

জেমাই মূৰ দোঁৱালে, কিন্তু মুখেৰে একো মাত নামাতিলে। হঠাৎ তেওঁৰ হাতৰপৰা ছাতিটো পিচলি পৰিল। ততালিকে তেওঁ সেইটো বুটলি ললে।

"মোক বিশ্বাস কৰাঁ,! বিশ্বাস কৰাঁ। তোমালৈ মই যি

লিখিছো। তাক তুমি বিশ্বাস কৰাঁ। যদি পৃথিৱীত পৱিত্ৰ সত্য বুলি, চিৰন্তন সত্য বুলি কিবা এটা বস্তু আছে তেনেহলে সেইটো হৈছে — মই তোমাক ভাল পাওঁ, জেমা! মই তোমাক সানুৰাগে ভাল পাওঁ।"

ক্ষণিকৰ বাবে তেওঁ ছানিনৰ পিনে কেৰাহিকৈ চালে।

"মোক বিশ্বাস কৰাঁ, জেমা! বিশ্বাস কৰাঁ!" জেমাৰ পিনে হাত দুখন আগ বঢ়াই দি ছানিনে সানুনয়ে কলে, কিন্তু তেওঁক স্পৰ্শ কৰিবলৈ তেওঁৰ সাহস নহল। "মই তোমাক কেনেকৈ প্ৰত্যয় জন্মাওঁ?"

জেমাই তেওঁৰ পিনে আকৌ এবাৰ চালে।

"মঁচিয়ে ডিমিত্ৰি, বাৰু কওকোচন, সিদিনাখন যেতিয়া আপুনি মোক বুজনি দিবলৈ আহিছিল, আপুনি তেতিয়াও জনা নাছিল · তেতিয়াও অনুভব কৰা নাছিল "

"মই অনুভব কৰিছিলো, কিন্তু মই জনা নাছিলো। প্ৰথম দৃষ্টিতে মই তোমাক ভাল পাইছিলো, কিন্তু তোমাৰ মনৰ ভাব মই বুজা নাছিলো। তদুপৰি মই শুনিছিলো তুমি বাক্‌দত্তা · প্ৰথমতে, মাৰাৰ অনুৰোধকে ধৰা। তেখেতৰ অনুৰোধনো মই কেনেকৈ প্ৰত্যাখ্যান কৰোঁ? আৰু দ্বিতীয়তে, মই ইয়াক এনেভাবে সমাধা কৰিছিলো যে তুমি অনুমান কৰিব পাৰিবা তোমাৰ মাৰাই কৈছিল যে তুমি মাস্তি নহলে লোকে তোমাৰ বদনাম গাব (জেমাই খঙতে চকু থিয় কৰিলে)। তেখেতে ইয়াকো কৈছিল যে, এই অবাঞ্ছনীয় কথাৰ কাৰণে মোৰ কাৰ্য্যকলাপো কিছু পৰিমাণে দায়ী আৰু সেই কাৰণে মই তোমাৰ পাণিপ্ৰাৰ্থী হেৰ, ক্লুবাৰক প্ৰত্যাখ্যান নকৰিবলৈ তোমাক বুজনি দিবলৈ এক প্ৰকাৰ বাধ্য হৈছিলো যাতে তুমি তেওঁক প্ৰত্যাখ্যান নকৰা।"

জেমাৰ কাষৰ পিনে ওলমি থকা ছানিনৰ চুলিবোৰৰ ওপৰেদি হাত বুলাই দি জেমাই ক'লে, "মঁচিয়ে ডিমিত্ৰি, অনুগ্ৰহ কৰি

হেৰ, মুবাৰক মোৰ পাণিপ্ৰাৰ্থী বুলি নকব। মই কেতিয়াও তেওঁৰ সহধৰ্মিনী হ'ব নোৱাৰোঁ। মই তেওঁক প্ৰত্যাখ্যান কৰিছো।"

"প্ৰত্যাখ্যান কৰিছা? কেতিয়া?"

"কালি।"

"মুখামুখিকৈ?"

"হয়, মুখামুখিকৈ। আমাৰ ঘৰত তেওঁ আমাক দেখা কৰিবলৈ আহিছিল।"

"জেমা! তাৰ মানে তুমি মোক ভাল পোৱা?"

জেমাই তেওঁৰ পিনে মুখ তুলি চালে।

"ভাল নাপালে জানো ইয়ালৈ আহোঁ?" হাত দুখন বেঞ্চখনৰ ওপৰত থৈ তেওঁ লাহেকৈ ক'লে।

ছানিনে নিঃসহায় অৱস্থাত পৰি থকা জেমাৰ হাত দুখন বেঞ্চখনৰ ওপৰৰ পৰা লাহে লাহে টানি আনিলে আৰু তেওঁৰ চকু আৰু ওঁঠৰ ওপৰত বুলাই দিলে। তেওঁৰ চকুৰ আগত যিখন পৰ্দা ভাহি আছিল সেইখন পৰ্দা এতিয়া আঁতৰি গল। এতিয়া সৰ্বত্ৰ আনন্দ, সৰ্বত্ৰ ৰক্তিম আভা বিৰাজ কৰিলে।

ছানিনে মূৰ দাঙি জেমাৰ পিনে চালে। জেমায়ো অলপ তলমূৰ কৰি প্ৰতিদান দিলে। অৱনত চকুপতা দুটিৰ তলৰপৰা স্বৰ্গীয় আনন্দ-লোতক নিস্তৃত তেওঁৰি চকুযুৰি ওৰণিখনৰ মাজেদি উজলি উঠিল। তেওঁৰ মুখৰ মিচিকি হাঁহিটি ঠিক যেন মিচিকি হাঁহি নহয়, ই যেন এক স্বৰ্গীয়, অপূৰ্ব হাঁহি।

ছানিনৰ ভাব হ'ল জেমাক যেন তেওঁ বুকুৰ মাজত আঁকোৱালি লব, কিন্তু তেওঁ নীৰৱে হাঁহি এটি মাৰি মূৰ জোঁকাৰি পিচুৱাই গ'ল।
"এতিয়া নহয়!" জেমাৰ আনন্দ-দীপ্ত চকুযুৰিয়ে যেন ক'লে।

"জেমা! তুমি যে মোক এনেদৰে ভাল পাবা তাক জানো মই কেতিয়াবা কল্পনা কৰিব পাৰিছিলো?"

"ময়ো কেতিয়াও ভাবিব পৰা নাছিলো।"

" মাত্ৰ এঘণ্টা বা দুঘণ্টা কটাবৰ কাৰণে ফ্ৰাঙ্কফুৰ্টলৈ আহি যে মই মোৰ সমস্ত জীৱনৰ আনন্দ পাম তাক জানো মই কেতিয়াবা ভাবিব পাৰিছিলো ? "

" আপেনাৰ সমস্ত জীৱনৰ ? প্ৰকৃততে ই জানো সত্য ?"

" চিৰকালৰ কাৰণে মোৰ সমস্ত জীৱনৰ ! " অসীম আনন্দত আকৌ এবাৰ আপ্লুত হৈ ছানিনে ক'লে ।

" এতিয়া যাওঁ বলক, " জেমাই লাহেকৈ ক'লে । " একেলগে — যাব জানো ? "

সেই মুহূৰ্ত্তত যদি তেওঁ ছানিনক ক'লেহেঁতেন — " সাগৰত জাঁপ দিয়ক — দিব জানো ? " তেওঁৰ বাক্যটো শেষ হওঁ-নোহওঁতেই ছানিন সাগৰত জঁপিয়াই পৰিলহেঁতেন ।

দুয়ো পাৰ্কৰপৰা একেলগে ওলাই আহিল । ৰাজপথেদি নগৈ তেওঁলোক নগৰৰ আশে-পাশে থকা সৰু সৰু নিৰ্জন পথেৰে গৃহাভিমুখে ৰাওনা হ'ল ।

সাতাইশ

ছানিন জেমাৰ কাষে কাষে গৈ আছিল, কিন্তু প্ৰায়ে তেওঁ জেমাতকৈ কেইখোজমান পাচ পৰি গৈছিল । মুখত মিচিকিয়া হাঁহি লৈ তেওঁ জেমাৰ পিনে চাই চাই গৈছিল । যদিও জেমাক বেগাই যোৱা যেন দেখা গৈছিল, তথাপি তেওঁ মাজে মাজে হঠাতে থমকি ৰৈছিল ! আচল কথা কবলৈ গ'লে গৈ থাকোতে দুয়ো যেন সপোনহে দেখিছিল । কেইমিনিটমান আগতে উভয়ে উভয়ৰ ওচৰত কৰা আত্ম-সমৰ্পণ ইমান প্ৰচণ্ড, ইমান অভিনৱ আৰু ইমান ভয় লগা হৈছিল যে, দুয়ো তত্তালিকে নিজ নিজ অস্তিত্ব হেৰুৱাই পেলাইছিল । সিদিনাৰ নৈশ ঘূৰ্ণীবতাহত উভয়ে উভয়ৰ বাহুবন্ধনত আবদ্ধ হোৱাৰ

দৰে আজিও যেন উভয়ে ঘূৰ্ণীবতাহৰ মাজত পৰিল। ছানিনে জেমাক যেন আজি আন এটা ৰূপত দেখিলে। মুহূৰ্ত্তৰ ভিতৰতে ছানিনে তেওঁৰ পিনে বেলেগ ৰূপত চাই আছে।

প্ৰথম বাৰৰ কাৰণে উভয়ে উভয়ৰ প্ৰেমত পৰিছিল। প্ৰথম প্ৰেমৰ সকলো অলৌকিক ঘটনা তেওঁলোকৰ মাজত ঘটিবলৈ ধৰিলে। প্ৰথম প্ৰেমক এটি বিপ্লৱ বুলি কব পাৰি। মুহূৰ্ত্তৰ ভিতৰতে গতানুগতিক জীৱন ইয়াৰ আগত ভাগি-চিগি চুৰমাৰ হৈ যায়। প্ৰাচীৰৰ ওপৰত উজ্জ্বল নিচান উকৰাই ভাগ্যত যি আছে তাকে হাঁহিমুখে বৰণ কৰিবলৈ যৌৱন সদায় প্ৰস্তুত থাকে, তেহেলৈ মৃত্যুয়ে হওক বা নতুন জীৱনেই হওক।

আগদিনাখন ঘটা ঘটনাবোৰৰ এটা বিৱৰণ দিবলৈ ছানিনে জেমাক অনুৰোধ কৰিলে।

ভাবৰ খেলিমেলি লগাই ততালিকে তেওঁ বৰ্ণনাত লাগি গ'ল। মাজে মাজে তেওঁ মিচিকি-মিচিকি হাঁহিছিল, হুমুনিয়াহ কাঢ়িছিল আৰু ছানিনৰ লগত উদ্দীপ্ত চাৱনিৰ বিনিময় কৰিছিল। পৰহিদিনা কথোপকথনৰ পাচত মাকে কেনেকৈ তেওঁৰপৰা নিশ্চিত অভিমত এটা পাবৰ কাৰণে চেষ্টা কৰিছিল, সিদ্ধান্তত উপনীত হবৰ কাৰণে এদিন বাট চাবলৈ কৈ মাকক তেওঁ কেনেকৈ বিমোৰত পেলাইছিল, কেনেকৈ হেৰ ক্ৰুবাৰ অকস্মাতে তেওঁলোকৰ ঘৰলৈ আহিছিল, কেনেকৈ তেওঁ অপৰিচিত কছজনৰ অমাৰ্জনীয় ল'ৰামতীয়া ব্যৱহাৰত খং আৰু ঘৃণাৰ বশৱৰ্ত্তী হৈছিল — "তেও আপোনাৰ মল্লযুদ্ধৰ কথা বুজাইছিল। ই তেওঁৰ সন্মানত বৰকৈ আঘাত দিছিল আৰু আপোনাক আমাৰ ঘৰত প্ৰৱেশাধিকাৰ নিদিবলৈ দাবী জানাইছিল।" ইয়াৰ পিচত জেমাই তেওঁ কোৱা কথা ভেঙুচালি কৰি কৈছিল, "তেওঁ কৈছিল, 'কাৰণ, ই মোৰ সন্মানত চেকা লগাইছে। দেখা গৈছে মই যেন মোৰ বাক্‌দত্তাৰ কাৰণে থিয় দিবলৈ অপাৰগ। কাইলৈ ফ্ৰাঙ্কফুৰ্টৰ সকলো লোকে জানিব যে, এজন

অপৰিচিত ব্যক্তিয়ে মোৰ বাক্দত্তাৰ কাৰণে এজন অকিচাৰৰ লগত যুদ্ধ কৰিছিল — এনেকুৱা ঘটনা জানো কোনোবাই কেতিয়াবা শুনিছে ! ই মোৰ সম্মানত আঘাত দিছে।' আচম্বিত কথা — মায়ো তেওঁৰ কথাত হয়ভৰ দিছিল, কিন্তু মই তৎক্ষণাৎ কৈছিলো যে, তেওঁ তেওঁৰ সম্মানৰ কাৰণে মূৰ ঘঁমাব নালাগে, তেওঁৰ বাক্দত্তাৰ বিষয়ে কথা শুনি অপমান বোধ কৰিব নালাগে, কিয়নো মই এতিয়া আৰু তেওঁৰ বাক্দত্তা নহয় আৰু কেতিয়াও তেওঁৰ পত্নী নহওঁ। তেওঁৰ লগত সম্বন্ধ চিঙি দিয়াৰ আগতে আপোনাৰ লগত কথা হবলৈ বিচাৰিছিলো, কিন্তু তেওঁ আহি পালে সেই কাৰণে মই আৰু একো উপায় নাপালো। মাই ভয়তে চিঞৰি উঠিছিল, কিন্তু মই কাষৰ কোঠাটোলৈ গৈ তেওঁ দিয়া আঙুঠিটো লৈ আহিছিলো — আপুনি লক্ষ্য কৰা নাছিল বোধহয় — দুদিন আগতে মই আঙুঠিটো সোলোকাই থৈছিলো — আৰু তেওঁক ঘূৰাই দিছিলো। তেওঁ ভীষণ অসন্তুষ্টি বোধ কৰিছিল, কিন্তু যিহেতু তেওঁ দাম্ভিক আৰু অহঙ্কাৰী আছিল, তেওঁ বেছি কথা নকলে, কেৱল ওলাই গ'ল। কিন্তু মাৰপৰা মই অনেক গালি-শপনি শুনিব লগাত পৰিছিলোঁ আৰু তেওঁৰ দুখ দেখি মই অত্যন্ত আঘাত পাইছিলো, এনেকি মই ভাবিছিলো যে অতি ততাতৈয়াকৈ মই কামটো কৰিলো। আপুনি জানেই ইতিমধ্যে মই আপোনাৰ চিঠি পাইছিলো। অৱশ্যে চিঠি নোপোৱাৰ আগতেই মই জানিছিলো ·· ”

“তোমাক যে মই ভাল পাইছিলো,” ছানিনে মাজতে বপৰাই ক'লে।

“হয়, আপুনি যে মোক ভাল পাইছিল।”

জেমাই মিচিকিয়াই হাঁহি হাঁহি সৰু সৰুকৈ কথা কৈ গৈছিল, কেতিয়াবা কথাৰ আঁত হেৰুৱাইছিল, আৰু কাৰবাক ওচৰলৈ অহা দেখিলে বা কোনোবাই তেওঁলোকক অতিক্ৰম কৰিলে হঠাতে তেওঁ কথা কবলৈ বন্ধ কৰিছিল। ছানিনে আপোন পাহৰা হৈ জেমাৰ

কথাবোৰ শুনি গৈছিল আৰু তেওঁৰ সুমধুৰ কণ্ঠস্বৰ উপভোগ কৰিছিল।

" মাই ভবা কথা আজি সম্পূৰ্ণ বিপৰীত হৈছে," জেমাই লৰা-ধপৰা কৰি কবলৈ ধৰিলে। " তেওঁৰ মুখত এই কথাটো কোনোপধ্যে নোসোমায় যে, হেৰ্ ক্ৰুবাৰক মই ঘৃণা কৰোঁ .... তেওঁ আপোনাক সন্দেহ কৰে · তেওঁ এতিয়া বুজি পাইছে মই যে, আপোনাৰ প্ৰেমত পৰিছো। এতিয়া তেওঁ আপোনাক এজন টেঙৰ প্ৰতাৰক বুলি অভিহিত কৰিছে আৰু কৈছে যে, আপুনি তেওঁক বিশ্বাস ভঙ্গ কৰিছে আৰু তেওঁ মোক সাৱধান কৰি দিছে যে, আপুনি মোকো ঠগিব "

" কিন্তু, জেমা! তুমি তোমাৰ মাৰাক কোৱা নাছিলা জানো "

" মই তেওঁক একো কোৱা নাছিলো। আপোনাক নোসোধাকৈ কৰব মোৰ কি অধিকাৰ আছিল ? "

" আশাকৰোঁ, এতিয়া তুমি সকলো কথা মাৰাৰ আগত ব্যক্ত কৰিবা আৰু তেখেতৰ ওচৰলৈ মোক লৈ যাবা তেখেতৰ আগত মই প্ৰমাণ কৰিব খোজোঁ যে, মই প্ৰতাৰক নহয়। "

" তোমাৰ পাণিগ্ৰহণ কৰাতকৈ — তোমাৰ স্বামী হোৱাতকৈ — বেছি আনন্দৰ কথা মই কেতিয়াও ভাবিব নোৱাৰোঁ। "

ছানিনে তেনেদৰে কোৱাৰ লগে লগে জেমাই আগতকৈ বেগাই যাবলৈ ধৰিলে এই অভাৱনীয় আনন্দৰ বোজা বহন কৰিব নোৱাৰি তেওঁ যেন দৌৰি যাবলৈ বিচাৰিলে।

এনেদৰে কথা পাতি গৈ গৈ শেষত ছুয়ো জেমাইঁতৰ দোকান পালে।

" মা, " ছানিনৰ লগত বোজেলী থকা কোঠাটোলৈ গৈ জেমাই ক'লে। " মই তোমাৰ কাৰণে আচল জনকে আনিছো। "

আঠাইশ

জেমাই যদি ক'লেহেঁতেন যে মাকৰ কাৰণে তেওঁ কলেৰা বা মৃত্যু লগত লৈ আহিছে, তথাপি বোজেলী হতাশ নহৈ তাৰ সন্মুখীন হ'লহেঁতেন। কিন্তু ছানিনক দেখা মাত্রকে তেওঁ বেৰৰ পিনে মুখ কৰি কোঠাটোৰ এচুকত বহিল আৰু উচুপি উচুপি কান্দিবলৈ ধৰিলে। জেমা শোকতে ম্রিয়মাণ হৈছিল আৰু মাকৰ ওচৰলৈ যাবলৈ সাহস কৰা নাছিল। তেওঁ কোঠাটোৰ মাজত হতভম্ব হৈ থিয় হৈয়ে আছিল। ছানিনে কিং-কৰ্ত্তব্য-বিমূঢ় হৈ কান্দো কান্দো অৱস্থাত পৰিছিল। এই অসান্ত্বনীয় কান্দোন এঘণ্টা ধৰি চলিল — পূৰা এঘণ্টা। পেণ্টালিয়নে বাটৰ কাষৰ দুৱাৰখন বন্ধ কৰি দিলে যাতে কোনো অপৰিচিত লোক ভিতৰত সোমাব নোবাৰে। তেওঁ বিস্ময়াভিভূত হৈছিল — তেওঁ জেমা আৰু ছানিনৰ কাৰ্য্যক সমৰ্থন কৰিব নোৱাৰিলে, অৱশ্যে তেওঁলোকক সমালোচনাও নকৰিলে, বৰং দৰকাৰ হ'লে তেওঁলোকক সহায় কৰিবলৈ প্ৰস্তুত হ'ল, কাৰণ হেৰ্ ক্লুবাৰক তেওঁ একেবাৰে দেখিব নোৱাৰিছিল। এমিলিয়ে নিজকে ছানিন আৰু জেমাৰ মাজৰ মানুহ বুলি ভাবিছিল আৰু যি হৈছে ভালৰ কাৰণেই হৈছে বুলি ভাবি গৌৰৱ অনুভৱ কৰিছিল। ছানিনৰ অৱস্থা সবাতোকৈ পুত্তৌ কৰিব-লগীয়া হৈছিল। তেওঁ কেইবাবাৰো বোজেলীৰ কাষলৈ যাব খুজিছিল, কিন্তু বোজেলীয়ে কান্দি কান্দি হাত জোকাৰি জোকাৰি প্ৰত্যেকবাৰতে বাধা দিছিল। "মই আপোনাৰ জীয়াৰীৰ পাণিগ্ৰহণ কৰিবলৈ বিচাৰো," ছানিনে কেইবাবাৰো চিঞৰি চিঞৰি ক'লে, কিন্তু সকলো অথলে গ'ল। বোজেলীয়ে চকুলো টুকি কৰবলৈ

ধৰিলে, "যদি আজি মোৰ স্বামী জীয়াই থাকিলহেঁতেন, তেনেহলে এইবোৰ অঘটন ঘটিবলৈ নাপালেহেঁতেন।"

অৱশেষত বিষাদৰ ধুমুহাই শাম কাটিলে। বোজেলীয়ে কান্দিবলৈ এৰিলে আৰু খিড়িকীৰ কাষৰ এখন চকীলৈ তেওঁক নিবলৈ জেমাক ক'লে আৰু খাবলৈ কেইঢোকমান পানী বিচাৰিলে। ছানিনক তেওঁৰ কাষলৈ যাবলৈ দিয়া নাছিল যদিও কোঠাটোৰ ভিতৰতে তেওঁক থাকিবলৈ অনুমতি দিয়া হৈছিল আৰু তেওঁক কথা কবলৈ বাধা দিয়া নাছিল। এই সুযোগতে ছানিনে তেওঁৰ অসাধাৰণ বাক্পটুতাৰ পৰিচয় দিলে। ইনান দৃঢ়বিশ্বাস আৰু যুক্তিৰে বোধহয় জেমাৰ ওচৰতো তেওঁ তেওঁৰ মনৰ আশা-আকাঙ্ক্ষা আৰু আবেগ-অনুভূতি নিবেদন কৰিব নোৱাৰিলেহেঁতেন। সঁচা কথা, তেওঁ এজন বিদেশী আৰু তেওঁৰ লগত সিদিনা মাথোন তেওঁলোকৰ চিনা-পৰিচয় হৈছে আৰু তেওঁৰ বিষযে বা তেওঁৰ আয়-উৎপাদনৰ বিষয়ে তেওঁলোকৰ কোনো স্পষ্ট ধাৰণা নাথাকিব পাৰে, কিন্তু তেওঁ যে এজন সম্ভ্ৰান্ত লোক আৰু মগনিয়াৰ নহয় তাক প্ৰমাণ কৰিবলৈ তেওঁ প্ৰস্তুত আছে। তেওঁ আশা কৰিছিল জেমা তেওঁৰ লগত সুখী হব আৰু পৰিয়ালৰ লগত বিচ্ছেদ হলেও জেমাৰ জীৱন মধুৰ হব। 'বিচ্ছেদ' শব্দটো শুনাৰ লগে লগে বোজেলীৰ গাৰ কঁপনি উঠিল। ছানিনে তৎক্ষণাৎ সুৰ বদলাই দি ক'লে যে, এই বিচ্ছেদ একেবাৰে খন্তেকীয়া হব, এনেকি ইয়াৰ দৰকাৰ নহবও পাৰে।

ছানিনৰ বাগ্মিতা অথলে নগল। বোজেলীয়ে তেওঁৰ পিনে চালে। বোজেলীৰ খং-দুখ বহুখিনি পাতলিল। ছানিনক তেওঁৰ কাষলৈ মাতি নি বহিবলৈ ক'লে (জেমা তেওঁৰ সিকাষে বহিছিল)। তেওঁৰ ভৰ্ৎসনা আৰু আপত্তিৰ সুৰ লাহে লাহে কোমল হৈ আহিল। তেওঁ ছানিন আৰু জেমা উভয়কে নানা প্ৰশ্ন কৰিলে, ছানিনক তেওঁৰ হাতখনত ধৰিবলৈ দিলে তাৰ পিচত তেওঁ আৰু কিছু চকুলো টুকিলে, কিন্তু এই চকুলো আগৰ চকুলো নহয়, সম্পূৰ্ণ পৃথক।

মুহূৰ্তৰ ভিতৰতে দুয়ো অপৰাধীয়ে — ছানিন আৰু জেমাই — তেওঁৰ কাষত আঁঠু ললে। তেওঁ উভয়ৰে মূৰত ধৰি আশীৰ্বাদ কৰিলে। ততালিকে দুয়ো তেওঁক আঁকোৱালি ধৰিলে আৰু চুমা খালে। আনন্দতে এমিলিৰ মুখখন ৰঙা পৰি উঠিল। সি দৌৰ মাৰি ভিতৰলৈ সোমাই আহিল।

পেণ্টালিয়নে ভিতৰলৈ জুমি চাই মিচিকিয়া হাঁহি এটা মাৰিলে, কিন্তু ই যেন ভ্ৰূকুটিৰ হাঁহি! তেওঁ দোকানলৈ গৈ বাটৰ কাষৰ দুৱাৰখন মেলি দিলে।

ঊনত্ৰিশ্

(ৰোজেলীৰ মনৰ গতি নৈৰাশ্যৰপৰা বিষণ্ণতা আৰু বিষণ্ণতাৰপৰা সম্পূৰ্ণ সহিষ্ণুতাত পৰিণত হওঁতে বেছি সময় নালাগিল। আৰু এই সহিষ্ণুতা গৈ অতি শীঘ্ৰে গোপন মানসিক শান্তিত পৰিণত হ'ল। অৱশ্যে এই কথা তেওঁ কাৰো আগত ব্যক্ত কৰা নাছিল, বৰং যিমানে পাৰে তিমানে গোপনে ৰখাটো সমীচীন বুলি ভাবিছিল। প্ৰথম পৰিচয়ৰ দিন ধৰি তেওঁ ছানিনৰ প্ৰতি আকৰ্ষিত হৈছিল। ছানিনক জোঁৱাইৰূপে পোৱাৰ কথা যেতিয়া তেওঁৰ মনত খেলালে তেতিয়া তেওঁৰ বিশেষ কোনো অসন্তুষ্টিৰ ভাব নোহোৱা হ'ল, তথাপিতো তেওঁ কিছুসময়ৰ কাৰণে আঘাত পোৱা বা উদ্বিগ্নতাৰ ভাব প্ৰকাশ কৰাটো উচিত বুলি ভাবিলে এগৰাকী সাংসাৰিক অভিজ্ঞতাসম্পন্না নাৰীৰূপে আৰু সন্তানৰ মঙ্গলকামিনী যথাৰ্থ মাতৃৰূপে ৰোজেলীয়ে ছানিনক নানা প্ৰশ্ন কৰিলে। ছানিনক সম্ভ্ৰান্ত বংশসম্ভূত বুলি জানিব পাৰি তেওঁ পৰম সুখী হ'ল।

ৰোজেলীয়ে কথা-প্ৰসঙ্গত ক'লে যে, জেমাৰ পূৰ্বপ্ৰণয়প্ৰাৰ্থী হেৰ্ ক্লুবাৰৰ আয় আঠ হাজাৰ গিল্ডাৰ আৰু বছৰি বছৰি ই বাঢি যাব।

ছানিনৰ আয়ৰ কথা শুধিলত তেওঁ ক'লে, " মোৰ আয় তাভোকৈ ভালেখিনি কম। তুলা গুবাণিয়াত মোৰ এখন সক খাত আছে। ভালকৈ চলালে ইয়াৰপৰা বছৰেকত পাঁচ-ছয় হাজাৰ কবল আয় কৰিব পাৰি মই কোনো এটা চৰকাৰী পদবী ললে সহজে মাহিলি দু হাজাৰ কবল বেতন পাব পাৰোঁ। "

" কছিয়াত কোনো এটা পদবী ললে ! " বোজলীয়ে আচৰিত হৈ ক'লে। ' তাৰ মানে জেমা আমাৰ লগত নাথাকে ? "

" মই কূটনৈতিক বিভাগত এটা চাকৰি পাব পাৰোঁ, " ছানিনে চিন্তা কৰি ক'লে। " মোৰ কেইজনমান সম্পৰ্কীয় লোক আছে ... তাৰ মানে মই বিদেশত থাকিব পাৰিম, নহলে মই মোৰ খাতখন বিক্ৰী কৰি পোৱা টকাৰে যিকোনা এটা লাভজনক ব্যৱসায় কৰিব পাৰিম, উদাহৰণ স্বৰূপে আপোনালোকৰ দোকানখনকে উন্নততৰ কৰিব পাৰিম। "

" হেৰ্ক্লুবাৰেও দোকানখনৰ অৱস্থা টনকিয়াল কৰিবলৈ কিছু ধন দিব খুজিছিল, " খন্তেক ইতস্তত কৰি বোজেলীয়ে ক'লে।

" ইস্ ! মা, তুমি এইবোৰ কি বলকিছা ? " ইটালীয় ভাষাত জেমাই চিঞৰি উঠিল।

" বাছা, এই সময়তে এইবোৰ ভঙা-পতা কৰা উচিত, " মাকেও একে ভাষাতে উত্তৰ দিলে।

ইয়াৰ পিচত তেওঁলোকৰ মাজত কছ দেশৰ বৈবাহিক প্ৰথা সম্পৰ্কে আলোচনা হ'ল।

ছানিনে বুজাই ক'লে যে বোধহয় বিয়াৰ আগতে তেওঁ কেইদিনমানৰ কাৰণে কছিয়ালৈ যাব লাগিব আৰু তেওঁৰ সা-সম্পত্তি বিক্ৰী কৰিব লাগিব মূঠতে তেওঁ দৰকাৰী ধন লৈ আহিব। কছিয়ালৈ যাবলগীয়া হোৱাৰ কথা কওঁতে ছানিনৰ অন্তৰখন যেন বেদনাত কোঁচ খাই গ'ল। জেমাই তেওঁৰ পিনে চাই বুজি পালে

তেওঁৰ অন্তৰৰ বেদনা। জেমাৰ মুখখনো ৰঙা পৰি উঠিল। তেওঁ চিন্তাযুক্তা হ'ল।

বিবাহৰ দিনা মূৰত সোণালী মুকুটটোৰ সৈতে শুভ্ৰ-বস্ত্ৰ-পৰিহিতা জেমাৰ কথা কল্পনা কৰি ৰোজেলী আনন্দত অধীৰা হ'ল।

"ৰূপত তাই ৰাজৰাণী," মাতৃসুলভ গৰিমা লৈ ৰোজেলীয়ে ক'লে। "প্ৰকৃততে তাই গোটেই বিশ্বৰ অদ্বিতীয়া দীপলিপা ৰাজৰাণী।"

"গোটেই বিশ্বতে দ্বিতীয় এগৰাকী জেমা আৰু নাই!" ছানিনেও উচ্চকণ্ঠে ৰোজেলীক সমৰ্থন কৰিলে।

"এৰা, — সেই কাৰণেই তাইৰ নাম দিয়া হৈছে জেমা!" (ইটালীয় ভাষাত জেমা মানে ৰত্ন।)

জেমাই মাকক চুমা এটা খালে। এতিয়াহে যেন তেওঁ অনায়াসে উশাহ লব পাৰিলে, তেওঁৰ কান্ধৰপৰা যেন গধুৰ বোজা এটা আঁতৰি গ'ল।

কেইদিনমান আগতে এই কোঠালিকেইটাৰ ভিতৰত ছানিনে যি সপোন ৰচিছিল সেই সপোন আজি বাস্তৱত, সঁচাকৈয়ে বাস্তৱত পৰিণত হোৱাৰ কথা ভাবি তেওঁ মনত অপৰিসীম আনন্দ — বালসুলভ আনন্দ — অনুভৱ কৰিলে। গৰ্বত তেওঁৰ বুকু ফুলি উঠিল। দোকানলৈ গৈ তেওঁ কাউণ্টাৰৰ কাষত থিয় হবলৈ দৃঢ়সঙ্কল্প হ'ল আৰু মনতে ভাবিলে, "মোৰ সেইটো কৰিবলৈ সম্পূৰ্ণ অধিকাৰ আছে, বৰ্ত্তমান মই এই পৰিয়ালৰে এজন।

এনেদৰে ভাবি ছানিন কাউণ্টাৰলৈ গ'ল আৰু দুজনী ছোৱালীৰ ওচৰত মিঠাই বিক্ৰী কৰিলে।

খাবৰ সময়ত ছানিন জেমাৰ কাষত বহিছিল। এমিলিয়ে তেওঁক কছিয়ালৈ নিব লাগে বুলি আমনি কৰিলে। শেহত ঠিক হ'ল ছানিন পোন্ধৰ দিনৰ ভিতৰত কছিয়ালৈ যাব।

জেমাই ইমান বেলি প্ৰায় কথাই কোৱা নাছিল, কিন্তু তেওঁৰ

মুখৰ চেহেৰা কোনোদিনে ইমান সুন্দৰ, ইমান উজ্জ্বল হোৱা নাছিল। ভোজনৰ পিচত জেমাই খস্তেকৰ কাৰণে ছানিনক বাগিচালৈ মাতি নিলে আৰু দুদিন আগতে যিখন বেঞ্চত বহি চেৰী ফলবোৰ বুটলিছিল সেই বেঞ্চখনৰ ওচৰত বৈ ক'লে, "ডিমিত্রি, মোক খং নকৰিব। আপোনাক আকৌ এবাৰ কব খোজোঁ যে, আপুনি নিজকে বাধ্য বুলি নাভাবিব ..."

এনেদৰে কৈ জেমাই মুখখন ঘুৰালে।

সক জৰী এডালেৰে বন্ধা গার্ণেট ক্রুছ এটা তেওঁৰ গলত ওলমি আছিল। তেওঁ ক্রুছটোত ধৰি জোৰেৰে জৰীডাল চিগিলে আৰু ক্রুছটো ছানিনৰ হাতত দিলে।

"যদি মই আপোনাৰ, তেনেহলে আপোনাৰ ধর্মই মোৰ ধর্ম।"

অশ্রুসিক্ত চকু দুটা লৈ ছানিন জেমাৰ লগত গৃহাভিমুখে ৰাওনা হ'ল।

গধূলিৰ লগে লগে সকলোৰে মাজত এটি ঘৰুৱা পৰিবেশৰ সৃষ্টি হ'ল। আটায়ে তাচো খেলিলে।

ত্ৰিশ

পিচদিনা দোকমোকলিতে ছানিন শুই উঠিল। মানবীৰ সুখৰ শেষ সীমা পোৱাৰ কাৰণেই তেওঁৰ নিদ্ৰা ভঙ্গ হোৱা নাছিল। তেওঁৰ সা-সম্পত্তিবোৰ সোনকালে কেনেকৈ উপযুক্ত দামত বিক্ৰী কৰিব পাৰে, সেই চিন্তাতে তেওঁৰ মানসিক শান্তি ভঙ্গ হৈছিল। তেওঁ মনতে নানা কল্পনা-জল্পনা কৰিলে, কিন্তু কোনো সিদ্ধান্তত উপনীত হব নোৱাৰিলে। অলপ মুকলি বতাহ সেৱন কৰি মনটো পাতলাবৰ কাৰণে তেওঁ বাহিৰলৈ ওলাই গ'ল। তেওঁ কাৰ্য্যকৰী আঁচনি এখন লৈ জেমাৰ আগত ওলাবলৈ দৃঢ়সঙ্কল্প হ'ল।

ছানিনে বাটত এজন মানুহ লগ পালে। অনুমান হ'ল মানুহজনক যেন তেওঁ কৰবাত দেখিছিল। জুমি চাই দেখিলে তেওঁৰ বাল্য-বন্ধু প'লোৰোভ। আজি পাঁচ বছৰৰ মূৰত ছানিনে তেওঁক দেখা পালে।

"মোৰ ভাগ্য আকৌ সুপ্ৰসন্ন হৈছে," ততালিকে তেওঁৰ মনত খেলালে।

"প'লোৰোভ নেকি হে?" ছানিনে মাত লগালে।

"অ', ছানিন নেকি?" প'লোৰোভেও একে সুৰতে সুধিলে।

"তুমি ক'ৰপৰা আহিলা?"

"ৱিজবাডেনৰপৰা। গৃহিনীৰ কাৰণে কিবাকিবি বজাৰ কৰিবলৈ আহিছো, আকৌ তালৈ যাওনা হয়।"

"শুনিছো তোমাৰ গৃহিনী বোলে ৰূপৱতী আৰু আঢ্যৱতী।"

"মানুহেতো তেনেকৈয়ে কয়।"

"তুমি নিজে নাজানা নেকি?"

" গৃহিনীৰ কোনো কাৰ্য্যতে মই হস্তক্ষেপ নকৰোঁ।"

" একেবাৰে নকৰানেকি ?"

একেবাৰে নকৰোঁ · তেওঁ নিজৰ খুচী মতে চলে আৰু ময়ো মোৰ খুচী মতে চলোঁ।"

" এতিয়া তুমি ক'লৈ যোৱা ?"

" মই এতিয়া ক'লৈকো নাযাওঁ। তোমাৰ লগত কথা পাতি মই এতিয়া বাতাত থিয় হৈ আছোঁ। তোমাৰ কথা শেষ হলে হোটেললৈ গৈ জলপান খাব লাগিব।"

" ময়ো লগত যাম নেকি ?"

" তাৰ মানে— জলপান খাবলৈ ?"

" এৰা।"

" নিশ্চয়, নিশ্চয়! আহা, আহা — লগ লাগি খোৱাতকৈ আৰু কিবা সুখৰ কথা হব পাৰেনে ? তুমি তো চেলেপু নহয় ?"

" তেনে বুলি নাভাবোঁ।"

" আহা তেন্তে।"

দুয়োৰে মাজত বেছি কথা-বতৰা হোৱা নাছিল। ছানিনে বুজিছিল যে, প'লোঝোভে বেছি কথা ভাল নাপাইছিল। সেই কাৰণে তেওঁ চিধাচিধি তেওঁৰ ভূ-সম্পত্তিখিনি বিক্ৰী কৰাৰ কথা উলিয়াইছিল।

প'লোঝোভে নীৰৱে সকলো কথা শুনিলে, কিন্তু তেওঁৰ নজৰ আছিল জা-জলপানত। অৱশেষত জলপান আহি পালে। প্ৰধান পৰিচাৰকজনে আন দুজন পৰিচাৰকৰ লগত ৰূপৰ ঢাকনিৰে ঢকা ঠাল এখন লৈ আহিল।

" তোমাৰ খাওখন তুলা গুবাৰ্ণিয়াত নেকি ?"

" এৰা।"

তেওঁ কাটা-চামুচ হাতত লৈ কপীতজা অলপ মুখত ভৰালে। " মোৰ পৰিবাৰ মাৰীয়া নিকোলায়েভনাৰো তাৰ ওচৰতে এখন খাও আছে। তুমি খাওখন কিয় বেচিবলৈ ওলাইছা ?"

" তাই, মোৰ টকাৰ বৰ দৰকাৰ। কম দামতে বিক্ৰী কৰিম। তুমি কিনিবা নেকি ?"

প'লোৰোৱে এগিলাচ মদ খালে, কমালেৰে মুখখন মচিলে আৰু পুনৰ মোকোৰা-মোকোৰে চোৱোৱাত লাগিল।

" মোৰ টকা নাই, কেনেকৈ খাত-পাম কিনিম ? ৰাখনখিনি দিয়াচোন। মোৰ পৰিয়ালে অৱশ্যে কিনিব পাৰে। তুমি তেওঁৰ লগত কথা হব লাগিব। যদি যথাৰ্থ দাম কৰা, তেওঁ আপত্তি নকৰে। এই জাৰ্মানবোৰ একেবাৰে গাধ, মাছ বাছিবও নাজানে। কাৰ্বুচি, এই জবত গৰুৰ দানাখিনি লৈ যা।"

" তাৰ মানে তুমি কব খুজিছা তোমাৰ পৰিয়ালেই সকলো কাৰ্য্য পৰিচালনা কৰে ?"

" এৰা। এতিয়া কাটলেটত ধৰোঁ। ঠিক আছে, কাটলেটবোৰ বেচ ঠিক আছে। পুনৰ তোমাক কওঁ — পৰিয়ালৰ কোনো কাৰ্য্যতে মই হস্তক্ষেপ নকৰোঁ।"

" কিন্তু মই তেওঁক কেনেকৈ কম ?"

" সেই বিষয়ে ভাবিব নালাগে, তুমি ৰিজবাডেনলৈ গ'লেই হ'ল। ইয়াৰপৰা বেছি দূৰ নহয়। কেৱল অলপো সময় নষ্ট নকৰিবা। আমি পৰহিদিনা যাওনা হম। আৰু এগিলাচ ধৰি লোৱা। এইখিনি বেচ সুগন্ধি মদ।"

প'লোৰোৱৰ মুখখন তেজে ফুটো ফুটো হ'ল। খাব-পিব পাৰিলেহে তেওঁৰ মুখলৈ তেজ আহে।

" মই যে কি কৰোঁ একো ভাবি উৱাদিহ পোৱা নাই," ছানিনে অস্পষ্ট সুৰত ক'লে।

" তুমি সোনকালে বিক্ৰী কৰিব লাগেনেকি ?"

" এৰা, মোৰ বিয়াখন পাতিব খুজিছো।"

" বিয়া ? হঠাতে যে ?"

" এৰা। অতি সোনকালে।"

" তোমাৰ বাক্‌দত্তাৰ ঘৰ কহিয়াতে হবলা ?"

" নহয়। ক্ৰাইষ্টচাৰ্চ।"

" তেওঁৰ বহুত ধন-সম্পত্তি আছে নেকি ?"

" নাই, একেবাৰে নাই।"

" তেনেহলে, দেখিছো তোমাৰ প্ৰেম খুব গভীৰ।"

" নিশ্চয়, নিশ্চয়। তুমি ঠিকেই ধৰিছা।"

প'লোঝোভে মদখিনি খালে, মুখখন কুল্‌কুল্‌ কৰিলে, আঙুলিৰ মুৰকেইটা পানীত তিয়াই দিলে, কমালেৰে হাতখন মছিলে আৰু চিগাৰ এটা জ্বলালে। ছানিনে নীৰৱে তেওঁৰ পিনে চাই আছিল।

" আন উপায় নাই," যুৱটো পাচ পিনে হলাই এলানি পাতল ধোঁৱা উলিয়াই দি প'লোঝোভে ভে-ভেকৈ চিঞৰি ক'লে। " আমাৰ শ্ৰীমতীক দেখা কৰা। ইচ্ছা কৰিলে তেওঁ তোমাৰ সকলো চিন্তা দূৰ কৰিব পাৰিব।"

" কিন্তু মই তেওঁক কেনেকৈ লগ ধৰোঁ ? তোমালোক বোলে পৰহিদিনা যাবা ?"

প'লোঝোভে চকু মুদিলে।

" কি কৰিব লাগে কওঁ শুনা," ওঁঠ দুটাৰ মাজত চিগাৰটো ঘূৰাই ঘূৰাই তেওঁ ক'লে। " ঘৰলৈ যোৱা আৰু অতি শীঘ্ৰে বিছনা-পত্ৰ বোৰ লৈ আহা গৈ। মই এক বজাত যাম। গাড়ীত যথেষ্ট ঠাই আছে। মই তোমাক লগত লৈ যাম। এইটোৱে আটাইতকৈ উত্তম উপায়। এতিয়া মই এটা কলাঘুমটি মাৰোঁ। আহাৰ কৰাৰ পিচত মই সদায় শুব লাগে। অভ্যাসে বাধ্য কৰাইছে। মই ইয়াক বাধা দিব নোৱাৰোঁ। মোক আৰু আমনি নকৰিবা। যোৱা, এতিয়াই যোৱা।"

" ভাল, এতিয়া বিদায়হে। মই চাৰে বাৰ বজাত পুনৰ ইয়ালৈ আহিম। আশা কৰোঁ তোমাৰ শ্ৰীমতীয়ে খং নকৰে।"

প'লোবোতে ইতিমধ্যে নাকেবে ঘৰ্‌ঘৰাব ধৰিলে। "মোক আৰু আমনি নকৰিবা," তেওঁ ভোৰ্‌ ভোৰাই ক'লে আৰু সৰু ল'ৰা এটাৰ দৰে ভতালিকে তেওঁৰ টোপনি আহিল।

ছানিনে বেগাবেগিকৈ বোজেলীহঁতৰ দোকানৰ পিনে খোজ ললে।

একত্ৰিশ

ছানিনে জেমা আৰু মাকক দোকানৰ ভিতৰত দেখা পালে। বোজেলীয়ে এফুটীয়া কল-মাৰি এডালেবে খিড়িকীৰ মাজৰ ঠাইখিনিৰ মাপ লৈ আছিল। তেওঁ বংমনে ছানিনক সম্ভাষণ জনালে, কিন্তু তেওঁ যেন অলপ বিব্ৰত হ'ল।

তুমি কালি কৰবেপৰা দোকানখনৰ উন্নতি সাধনাৰ্থে মোৰ মনত নানা ভাব খেলাইছে। এইখিনিতে আইনাৰে থাক থাক কৰি আমি দুটা আলমাৰি বনাব পাৰোঁ। আজি-কালি এইটো এটা 'ফেশ্বন' হৈ পৰিছে, তুমি জানাই। আৰু তাৰ পাচত ''

"বেচ, বেচ!" ছানিনে মাজতে বাধা দি ক'লে। "সেই পৰিকল্পনাবোৰৰ কথা পিচত চিন্তা কৰি চাব লাগিব .... কিন্তু এতিয়া এইপিনে আহক, মই আপোনালোকক কিছু কথা কবলগীয়া আছে।" তেওঁ সকলোকে পাচফালৰ কোঠাটোলৈ মাতি নি বহিবলৈ ক'লে। তেওঁ অঙ্গী-ভঙ্গী দি প'লোবোভৰ লগত হোৱা সকলো কথা বৰ্ণনা কৰিলে।

"আপুনি কেতিয়া যাব লাগে," জেমাই সুধিলে।

"আজিয়েই — এঘণ্টাৰ ভিতৰতে। মোৰ বন্ধুজনে এখন গাড়ী ভাড়া কৰিছে। তেওঁ মোক লগতে নিব।"

"আপুনি আমালৈ লিখিব তো?"

"নিলিখিম কিয় ? সেই মহিলা গৰাকীৰ লগত কথা হোৱাৰ পিচতেই লিখিম।"

"তুমি কৈছা তেওঁ বৰ চহকী — সেই মহিলা গৰাকী।" বোজেলীয়ে মন্তব্য কৰিলে।

"হয়, অতি চহকী। তেওঁৰ পিতাক আছিল লক্ষপতি। পিতাকৰ অতুল সম্পত্তিৰ তেওঁ আজি উত্তৰাধিকাৰিণী।"

"ভাল কথা। তোমাৰে ভাগ্য ভাল। কিন্তু মনত ৰাখিবা তুমি যেন একেবাৰে কম দামতে মাটি-বাৰীখিনি বিক্ৰী নকৰা। যিমানেই বেচি দাম পোৱা তিমানেই তোমালোক দুজনৰ কাৰণে আৰু তোমালোকৰ সন্তি-সন্ততিৰ কাৰণে মঙ্গল।"

জেমাই মুখখন ইকাতি-সিকাতি কৰিলে। ছানিনে ক'লে, "দাম খেলা-খেলি কৰিবৰ ইচ্ছা নাই। মই প্ৰকৃত দামৰ কথা কম আৰু যদি তেওঁ মান্তি হয় বৰ ভাল কথা, আৰু যদি মান্তি নহয়, তেওঁ যি ভাল বুলি বিবেচনা কৰে তাকে কৰিব।"

"সেই মহিলা গৰাকী আপোনাৰ পৰিচিত নেকি ?" জেমাই সুধিলে।

"নহয়, তেওঁক মই আগতে দেখা নাই।"

"আপুনি কেতিয়া ঘূৰিব ?"

"যদি লগ ধৰাৰপৰা একো ফল নধৰে তেনেহলে পৰহিদিনা, আৰু যদি ফল ধৰা যেন দেখোঁ, দুই-এদিন পলম হবও পাৰে। মুঠতে মই এক মুহূৰ্ত্তও অবাবত নকটাওঁ।"

ছানিনে বোজেলীক চুমা এটা খালে, কিন্তু জেমাক মুহূৰ্ত্তৰ কাৰণে তেওঁৰ কোঠাটোলৈ যাবলৈ কলে, কাৰণ তেওঁৰ লগত বিশেষ কথা এটা আছিল ·· আচল কথা জেমাৰপৰা অকলশৰীয়া-ভাৱে তেওঁ বিদায় লব বিচাৰিছিল। মাকে কথাটো বুজি পাইছিল

ইয়াৰ আগতে ছানিনে জেমাৰ কোঠাত কেতিয়াও পদাৰ্পণ কৰা নাছিল। জেমাৰ পদ-পৰশ-পূত দুৱাৰদলি অতিক্ৰম কৰাৰ লগে

লগে প্ৰেমৰ সকলো সম্মোহনী শক্তি, সকলো বহ্নি-শিখা, সকলো আনন্দোল্লাস, সকলো মিষ্ট-ভয়-বিহ্বলতাই তেওঁৰ দেহ প্ৰজ্বলিত আৰু অন্তৰ পৰিপূৰ্ণ কৰিলে ·· আবেগভৰা দৃষ্টিত তেওঁ চাৰিওপিনে এবাৰ চালে, মৰমী জেমাৰ ওচৰত আঁঠু ললে আৰু কঁকালত মুখমণ্ডলৰ বুলনি বুলালে ····

"আপুনি মোৰ জানো? আপুনি সোনকালে ঘূৰিব জানো?"

"মই তোমাৰ। মই উভতিম।"

"প্ৰিয়তম, মই আপোনাৰ কাৰণে বাট চাই থাকিম।"

কেইমিনিটমান পিচতেই ছানিনে হোটেললৈ বেগাই খোজ ললে।

এক ৰাত্ৰিবলৈ পোন্ধৰ মিনিট থাকোতেই ছানিন প'লোবোতৰ ওচৰত ওলালগৈ।

গাড়ী এখন হোটেলৰ আগত ইতিমধ্যে সাজু হৈ আছিল। ছানিনক দেখি প'লোবোতে ক'লে, "দেখিছো তুমি দৃঢ়প্ৰতিজ্ঞ হৈছা।" তেওঁ সাজ পাৰ পিন্ধি বাট-চ'ৰালৈ গ'ল। পৰিচাৰকৰ হতুৱাই বস্তু-বেহানিবোৰ গাড়ীত তুলি দিয়ালে আৰু চিগাৰ এটা জ্বলালে। তাৰ পিচত তেওঁ ছানিনক ইঙ্গিত দি মাতি যেন ক'লে, "তুমিও ভিতৰ সোমোৱা।" ছানিন তেওঁৰ কাষত বহিল। ঘোঁৰা-গাড়ীখন আগবাঢ়ি গ'ল।

বত্ৰিশ

তাহানিখন ফ্ৰাঙ্কফুৰ্টৰপৰা ৱিজবাডেনলৈ যাওঁতে বাটত অন্ততঃ পাঁচবাৰ গাড়ী বদলাব লাগিছিল।

প'লোঝোভে ওৰেবাটে টোপনিয়াই টোপনিয়াই গৈছিল, কথা-বতৰা প্ৰায়ে পতা নাছিল। প্ৰাকৃতিক সৌন্দৰ্য্যবোৰেও তেওঁক কোনো আনন্দ দিব পৰা নাছিল। ছানিনেও কথা পতা নাছিল। নানা চিন্তা আৰু স্মৃতিৰ সোঁতত তেওঁ নিজকে উটুৱাই দিছিল। প্ৰত্যেক ষ্টেচনতে প'লোঝোভে গাড়োৱানক ঠিকমতে ভাড়া দি বিদায় দিছিল। আধা বাট যাওঁতে প'লোঝোভে পাচিটোৰপৰা দুটা কমলা উলিয়াই ললে আৰু ভালটো নিজৰ কাৰণে লৈ বেয়াটো ছানিনক দিলে। ছানিনে তেওঁৰ পিনে চাই হাঁহি এটা মাৰিলে।

চুটি, বগা হাতৰ আঙুলিৰ নখ কেইটাৰে কমলাটো ভালদৰে বাকলি গুচাই তেওঁ ছানিনক সুধিলে, "তুমি কিয় হাঁহিছা?"

"মই? আমাৰ এই যাত্ৰাৰ কথা ভাবি।"

"ইয়াত নো কি ভাবিবলগীয়া আছে?" অৰ্দ্ধচন্দ্ৰাকৃতিৰ একোঁহ টেঙা মুখত ভৰাই প'লোঝোভে সুধিলে।

"কি আচৰিত কথা! মই কালি চীনৰ সম্ৰাটৰ কথা ভাবিলেও তোমাৰ কথা ভাবিব পৰা নাছিলো আৰু আজি তোমাৰ কাষত বহি মা-সম্পত্তি বিক্ৰী কৰিবৰ কাৰণে তোমাৰ শ্ৰীমতীৰ ওচৰলৈ যাব ওলাইছো। আচৰিত কথা তেওঁৰ বিষয়েও মই একো নাজানোঁ।"

"আৰু অলপ বয়স হবলৈ দিয়া। একো আচৰিত নালাগিব। উদাহৰণ স্বৰূপে মোৰ পিনে চোৱাঁ। মই এজন সামৰিক বিষয়া

আছিলো, কিন্তু আজি মোঁৰাগাড়ীৰ ওপৰত এনেকৈ উঠিব লগাত পৰিছো।"

"তোমাৰ শ্ৰীমতীৰ মেজাজ কেনেকুৱা? মই তেওঁৰ বিষয়ে কিছু জানি থোৱা ভাল।"

"মোৰ শ্ৰীমতী? এৰা, আন তিৰোতাৰ দৰে তেৱোঁ এজনী তিৰোতা। কলাঘুমটিত তেওঁ যেন তোমাক নাপায়। তেওঁ এইটো একেবাৰে পছন্দ নকৰে। আচল কথা তেওঁৰ লগত কথা পাতি তেওঁক হাঁহিৰ খোৰাক যোগোৱা। তোমাৰ প্ৰেমৰ কথা কৰা তেনেকুৱা কথা কিন্তু মনত ৰাখিবা ই যেন আমোদজনক হয়।"

"আমোদজনক?"

"তুমি দেখোন কৈছিলা, তুমি প্ৰেমত পৰিছা আৰু বিয়াৰ কাৰণে বলিয়া হৈছা। এই সকলোবোৰ কথা তেওঁক কৰা।"

ছানিনৰ অলপ খং উঠিল। তেওঁ অস্বস্তি বোধ কৰিলে।

"ইয়াত নো কি আমোদ পাবলগীয়া আছে?"

প'লোৱোভে কেৱল চকু ঘূৰালে। টেঙাৰ বস তেওঁৰ থুঁতৰিলৈ পৰিল।

ছানিনে কিছু সময় টলকা মাৰি সুধিলে, "বস্তু-বেহানি কিনিবলৈ তেওঁ তোমাক ফ্ৰাঙ্কফুৰ্টলৈ পঠাইছিলনেকি?"

"এৰা।"

"কি কি কিনিলা?"

"তুমি নাজানানেকি? পুতলা।"

"পুতলা? তোমালোকৰ লৰা-ছোৱালী আছে জানো?"

"কেলেই? ল'ৰা-ছোৱালী কেলেই থাকিব লাগে? তুমি নাজানানেকি যে খেলনা, কাপোৰ-কানি, অলঙ্কাৰপাতি তিৰোতাৰ প্ৰিয় বস্তু?"

"কিন্তু তুমি কোৱা নাছিলা জানো যে তোমাৰ শ্ৰীমতীৰ কাৰ্য্যৰ লগত তোমাৰ কোনো সম্পৰ্ক নাই?"

" মই তেওঁৰ আন আন কাৰ্য্যৰ কথাহে কৈছিলো। ইয়াতকৈ আন ভাল কাম একো নথকাৰ কাৰণে এনেবোৰ কামকে মই কৰিবলৈ বিচাৰোঁ। আৰু মোৰ কচিৰ ওপৰত তেওঁৰ বেচ বিশ্বাস আছে।"

লাহে লাহে প'লোবোৰৰ মাতটো ক্ষীণ হৈ আহিল। তেওঁ ক্লান্ত হৈ পৰিল।

" তোমাৰ শ্ৰীমতী খুব চহকী নেকি ?"

" চহকী, খুব চহকী। কিন্তু টকা-পইচা প্ৰায়ে তেওঁ নিজৰ হাতততে ৰাখে।"

" বুজিলো। তাৰ বাবে তুমি কোনো প্ৰকাৰৰ আপত্তি কৰিব নোৱাৰা।"

" মই তেওঁৰ স্বামী। ইয়াক কোনোবাই দুই কৰিব পাৰে জানো ? মই মোৰ সা-সুবিধা কেলেই হেৰুৱাম ? তদুপৰি মই তেওঁৰ অনেক কামত আহোঁ। মই তেওঁৰ মানত মহাৰ্ঘ। মই এজন আটাইতকৈ সুবিধাজনক স্বামী।"

তেওঁ পাটৰ কমাল এখনেৰে মুখখন মচিলে আৰু জোৰেৰে কোৰোহনি মাৰিবলৈ ধৰিলে। তেওঁ যেন প্ৰাৰ্থনা কৰিলে, " মোক পুতৌ কৰা। মোক আৰু কথা কবলৈ বাধ্য নকৰিবা। তুমি জানাই মোৰ কাৰণে ই কিমান টান কাম।"

ছানিনে তেওঁক শান্তিত শুবলৈ দি আকৌ চিন্তামগ্ন হ'ল।

অৱশেষত ৰাজ-অট্টালিকাসদৃশ ৱিজবাডেন হোটেলৰ সন্মুখত গাড়ী ৰল। ভিতৰত ঘণ্টা বাজি উঠিল। হৈ-চৈ লাগি পৰিল। ক'লা দীঘল কোট পিন্ধা ভদ্ৰলোক কেইজনমান ঘাই প্ৰবেশদ্বাৰলৈ আহি ইফাল-সিফাল কৰিব ধৰিলে। ছুৱৰীজনে গাড়ীখনৰ দুৱাৰ খুলি দিলে।

এজন বিজুৰী বীৰৰ দৰে গাড়ীৰ ভিতৰৰপৰা প'লোৰোভ নামি আহিল আৰু সুগন্ধি, দলিছা-পৰা খট্‌খটাৰে ওপৰলৈ উঠি গল। ভৃত্য এজনে তেওঁৰ বুটযোৰ খুলি দিলে।

"মাৰীয়া নিকোলায়েভনা ঘৰত আছেনে ? প'লোৰোভে ভৃত্যটোক সুধিলে।

"হয়, চাহাব, মেম চাহাবে সাজপাৰ পিন্ধিব ধৰিছে। তেখেত কাউন্টেছ লাচুনস্কায়াৰ লগত আহাৰ কৰিবলৈ ওলাইছে। প'লোৰোভে তাক গাড়ীৰপৰা বস্তু-বেহানিবোৰ নমাই আনিবলৈ হুকুম দিলে আৰু ছানিনক এটা কোঠালি বাছি লবলৈ অনুৰোধ কৰিলে।

ছানিনৰ সোৰোপা বন্ধু প'লোৰোভে গা-পা ধুই মীৰৱে বহি আছিল। ছানিনে তেওঁৰ ওচৰলৈ গৈ কিবাকিবি কবলৈ ধৰিলে। এনেতে কাষৰ কোঠাটোৰ দুৱাৰখন মেল খালে। সুন্দৰী তৰুণী এজনীয়ে দুৱাৰডলিত ভুমুকি মাৰিলে — স্বয়ং মাৰীয়া নিকোলায়েভনা প'লোৰোভা। তেওঁ গাত পিন্ধিছিল ক'লা পটী লগোৱা বগা পাটৰ কাপোৰ, আঙুলিত পিন্ধিছিল হীৰাৰ আঙুঠি আৰু ডিঙিত পিন্ধিছিল হীৰাৰ হাৰ। চেচ্‌নাটসদৃশ তেওঁৰ চিকচিকিয়া লাহতী চুলিকোছা তেওঁৰ মুখৰ দুয়োকাষে ওলমি আছিল। চুলিকোছা আছিল বেণীগুঁঠা, পিন-নমৰা।

তেত্ৰিশ

"ক্ষমা কৰিব দেই!" ইতস্ততঃ আৰু ঈষৎ ঠাট্টাৰ সুৰত মিচিকিয়া হাঁহি এটা মাৰি, বেণী এডালৰ মূৰটো ওপৰলৈ তুলি ডাঙৰ মুগা উজ্জল চকু দুটাৰে ছানিনৰ পিনে ৰ-লাগি চাই মাৰীয়া নিকোলায়েভনাই ক'লে। "আপুনি ইয়াৰ আগতে ইয়ালৈ অহাৰ কথা মনত নপৰে।"

"মোৰ বাল্য-বন্ধু ছানিন, ডিমিত্রি পাভলোভিচ," প'লোঝোভে ঘৈণীয়েকৰ পিনে চাই ক'লে।

"অ', তুমি যে কৈছিলা! আপোনাক লগ পাই পৰম আনন্দ পাইছো। কিন্তু ইপ্পোলিট চিডোৰিক, তোমাৰ লগত মোৰ অলপ কথা আছিল · লিগিৰীজনীয়ে আজি একেবাৰে মূৰ্খামি কৰিছে · "

"অ' তোমাৰ চুলিবোৰ ঠিক কৰি দিব লাগে?"

"এৰা, যদি বেয়া নোপোৱা। ক্ষমা কৰিব দেই!" ছানিনৰ পিনে তলমূৰ কৰি চাই হাঁহি এটা মাৰি মাৰীয়া নিকোলায়েভনাই ক'লে আৰু তত্তালিকে কোঠাটোৰ ভিতৰলৈ সোমাই গ'ল। ক্ষণিকৰ কাৰণে হলেও তেওঁৰ পাচত ৰৈ গ'ল তেওঁৰ ধুনীয়া ডিঙি, আচৰিত কান্ধ আৰু অদ্ভুত কঁকালৰ সুন্দৰ এটা স্মৃতি।

প'লোঝোভ উঠিল আৰু গেথোঁগেঁথোকৈ মাৰীয়া নিকোলায়েভনাৰ পাচ ললে।

প'লোঝোভৰ অতিথি সোধ,পোছ কৰা কোঠাটোলৈ যে ছানিন আহিছিল আৰু সেই কথা ঘৰৰ গিৰিহঁতনীয়ে যে সম্পূৰ্ণৰূপে গম পাইছিল তাত ছানিনৰ অকণো সন্দেহ নাছিল। তেওঁ

আহিছিল কেৱল ছুলিতাৰিৰ বাহাৰ দেখুৱাবলৈ। অৱশ্যে ছুলিতাৰি বৰ ধুনীয়া আছিল। মেডাম প'লোৰোভাৰ ভাওত ছানিনে পেটে-পেটে আনন্দ পাইছিল। তেওঁ ভাবিছিল যদি তেওঁ মোৰ অন্তৰত সঁচ বছৰৰ খোজে আৰু যদি তেওঁ মোৰ আগত সৌন্দৰ্য্যৰ বাহাৰ দেখুৱাব খোজে, তেনেহলে মোৰ বিশ্বাস মাটিৰ দাম-দৰ লৈ তেওঁ কোনো আপত্তি নকৰে। তেওঁৰ অন্তৰাত্মা জেমাৰ চিন্তাত ইমান নিমগ্ন হৈছিল যে আন তিৰোতাক তেওঁ খেৰ-কুটা যেন জ্ঞান কৰিছিল, সিহঁতৰ প্ৰতি তেওঁৰ লক্ষ্য নাছিল। অৱশ্যে তেওঁ মনতে ভাবিছিল, " প'লোৰোভে কোৱা কথা সম্পূৰ্ণ সত্য। মহিলা গৰাকীৰ সম্মোহনী শক্তি আছে।"

যদি ছানিনৰ মনৰ অৱস্থা বৰ্ত্তমানৰ উচ্চ পৰ্য্যায়ত উপনীত নহলহেঁতেন। তেওঁ নিঃসন্দেহে ক'লেহেঁতেন : মাৰীয়া নিকোলায়েভনা এগৰাকী অনন্যসাধাৰণ ব্যক্তিত্বসম্পন্না নাৰী। ইয়াৰ কাৰণ এয়ে নহয় যে তেওঁ বৰ ৰূপৱতী আছিল — প্ৰকৃততে তেওঁৰ চেহেৰাত বংশমৰ্য্যাদাৰ কোনো চিন নাছিল। তেওঁৰ কপালখন আছিল নমা, নাকটো মোটা, ওপৰলৈ উঠা। ছালৰ মসৃণতা বা হাত-ভৰিৰ ৰূপ-লাৱণ্যতাৰ ফালৰ পৰাও তেওঁ কোনো গৌৰৱ অনুভৱ কৰিব নোৱাৰিছিল। কিন্তু এইবোৰেই জানো মূল কথা? পুৰুষে কোৱাৰ দৰে ঘটনাক্ৰমে কোনোবাই তেওঁক দেখিলে থমকি ৰবলৈ বাধ্য হৈছিল, তেওঁৰ নাৰীসুলভ সম্মোহনী শক্তিৰ বাবে — কছু আৰু অযোৰীৰ সংমিশ্ৰণৰ বাবে — " সৌন্দৰ্য্যৰ মন্দিৰ "ৰ কাৰণে নহয়।

কিন্তু জেমাৰ প্ৰতিমূৰ্ত্তিয়ে ছানিনক ৰক্ষা কৰিছিল।

দহ মিনিট পিচত গিৰিয়েকৰ সৈতে মাৰীয়া নিকোলায়েভনা আকৌ ছানিন বহা কোঠাটোত সোমালহি। ধীৰে ধীৰে তেওঁ ছানিনৰ কাষলৈ গৈ হাতখন আগবঢ়াই মৌসনা সুৰত কছু ভাষাত ক'লে, " মোৰ কাৰণে বাট চাব নেই। নাচাব জানো? মই অলপ পিচতেই ঘূৰি আহিম।"

ছানিনে সসম্ৰমে মূৰ দোঁৱালে। মাৰীয়া নিকোলায়েভনাই তুৱাৰৰ পৰ্দাখনৰ আঁৰ হোৱাৰ আগ মুহূৰ্ত্তত কান্ধৰ পিনে চাই হাঁহি এটা মাৰিলে আৰু পাচত এৰি গ'ল আগৰ বাৰৰ দৰে এটি মনোৰম স্মৃতি।

হাঁহোতে তেওঁৰ গালৰ তিনি ঠাইত তিনিটা পোটোকা পৰিছিল। কোমল, কোমল, গোলাপী ওঁঠ দুটাৰ মাজৰ বাওঁকালৰ কোণটোত দেখিবলৈ পোৱা গৈছিল দুটা নিচেই সৰু তিল। তেওঁৰ চকু দুটাই ওঁঠ দুটাতকৈও বেছিকৈ হাঁহিছিল।

প'লোজোভ চক্ষু-পলকতে কোঠাটোৰ ভিতৰ সোমাল আৰু চকী এখনত বহিল। তেওঁ আগৰ দৰে নীৰৱ হৈয়ে থাকিল। যদিও তেওঁ ছানিনতকৈ তিনি বছৰে মাথোন ডাঙৰ আছিল তথাপি তেওঁক বহুত বয়সীয়া যেন দেখা গৈছিল।

লাহে লাহে নৈশ ভোজনৰ সময় হ'লহি। মদ, মাংস, কফি আদি নানা তৰহৰ সামগ্ৰীৰে টেবুল উপচি পৰিল। প'লোজোভ ৰংমনে খোৱাত লাগিল। ছানিনে কিন্তু কেৱল বিৰক্তি বোধ কৰিলে। তেওঁৰ মানত এইবোৰ বস্তু খঁকুৱা মানুহৰ কাৰণেহে। ভোজনৰ পিচত দুয়ো তাচ খেলিবলৈ বহিল।

এনেতে মাৰীয়া নিকোলায়েভনা ওলালহি। তেওঁ দুয়োকে খেলাত ব্যস্ত থকা দেখি ডাঙৰকৈ হাঁহিলে। ছানিন থিয় হ'ল। তেওঁ চিঞৰি ক'লে, "খেলক, খেলক! মই কাপোৰ সলাই আহোঁ।" তেওঁ বেগাই প্ৰস্থান কৰিলে আৰু গৈ থাকোতে হাত-মোজাযোৰ সোলোকালে।

সঁচাকৈয়ে তেওঁ অতি সোনকালে উভতি আহিল। তেওঁ বেঙুনীয়া পাটৰ সোলোক-ঢোলোক গাউন এটা পিন্ধি আহিছিল। চোলাটোৰ হাত দুখন ওলমি আছিল আৰু গাউনটো পকোৱা জৰী এডালেৰে কঁকালত বন্ধা আছিল। খেলখন শেষ নোহোৱা পৰ্য্যন্ত তেওঁ গিৰিয়েকৰ কাষত বহি আছিল। প'লোজোভ হাৰিল আৰু

" মূৰ্খ " বুলি অভিহিত হ'ল। তেওঁ গিৰিয়েকৰ পিনে চাই ক'লে, " মেদেলা, হৈছে, হৈছে! হব মেদেলা, হব!" মেদেলা বোলাৰ লগে লগে ছানিনে আচৰিত হৈ তেওঁৰ পিনে চালে। তেওঁ নিৰ্ভয়ে ছানিনৰ চকু দুটাৰ পিনে চাই হাঁহিলে। "হব, আৰু নালাগে। তোমাক টোপনিয়ে আমনি কৰিছে। হাতত চুমা এটা দি তুমি এতিয়া আঁতৰ হোৱা। ছানিনৰ লগত মই অলপ কথা পাতোঁ।"

"মোৰ টোপনি ধৰা নাই," চকীৰ পৰা উঠি তেওঁ খেঁহাই খেঁহাই ক'লে। "যাব লাগে যদি যাম, কিন্তু তোমাৰ হাতত চুমা এটা খাম।"

হাঁহি হাঁহি ছানিনৰ পিনে ৰ-লাগি চাই তেওঁ হাতখন আগবঢ়াই দিলে।

প'লোঝোভেও ছানিনৰ পিনে চাই আছিল। এনেকি " গুড্ নাইট্ " বুলি নোকোৱাকৈয়ে তেওঁ আঁতৰি গ'ল।

"আহক, আপুনি এতিয়া সকলো কথা কব পাৰে," উলং হাত দুখন মেজৰ ওপৰত থৈ নখে নখে খুঁজাই উৎসুকতা পৰৱশ হৈ মাৰায়া নিকোলায়েভনাই ক'লে, "শুনিছো, আপুনি হেনো বিয়া কৰাবলৈ ওলাইছে। কথাটো সঁচানে?"

তেওঁ কথা পাতি থাকোতে ক্লদমুখ কৰি একেথৰে অনুসন্ধিৎসু দৃষ্টিৰে ছানিনৰ চকু দুটাৰ পিনে চাই আছিল।

চৌত্রিশ

মেডাম প'লোখোভাৰ এই খোলাখুলি ব্যৱহাৰত ছানিন বিৰক্ত হ'লহেঁতেন। যদি তেওঁৰ এই স্বাধীনতা আৰু ঘনিষ্ঠতাৰ অন্তৰালত তেওঁ তেওঁৰ কাৰ্য্যসিদ্ধিৰ শুভ লক্ষণ নেদেখিলেহেঁতেন। ছানিনে ঠিক কৰিলে, এই আঢ্যৱন্তী ভদ্ৰমহিলাৰ হুজুগ তেওঁ পৰিতুষ্ট কৰিব। যিমান বাচালতাৰে তেওঁ প্ৰশ্ন কৰিলে তিমান বাচালতাৰে তেওঁ উত্তৰ দিলে ·

"হয়, মই বিয়া কৰাবলৈ ওলাইছো।"

"কাক? কোনোবা বিদেশী ছোৱালীক নেকি?"

"হয়।"

"আপুনি তেওঁক আগৰপৰা নাজানে, জানে জানোঁ? আপুনি তেওঁক ফ্ৰাঙ্কফুৰ্ট ত লগ পাইছিলনেকি?"

"ঠিকেই ধৰিছে।"

"বেয়া নাপায় যদি সুধিব পাৰোঁনে কোন সেই ভাগ্যৱতী?"

"নিশ্চয় পাৰে। তেওঁ এজনী মিঠাইৱালীৰ ছোৱালী।"

তেওঁ আচৰিত হৈ ছানিনৰ পিনে চালে।

"বৰ ভাল কথা, অতি আচৰিত কথা। মই ভাবোঁ আপোনাৰ নিচিনা আৰু কোনো ডেকাকে মই লগ নাপাম। মিঠাইৱালীৰ ছোৱালী।"

"দেখিছো আপুনি আচৰিত হৈছে, কিন্তু প্ৰথম কথা মোৰ কোনো অন্ধ-বিশ্বাস নাই · "

"সেই বাবে মই অলপো আচৰিত হোৱা নাই। মোৰো অন্ধ-বিশ্বাস নাই। মই নিজেই এজন ঠিকাদাৰৰ ছোৱালী। হয়,

মই নিজেই। আপোনাৰ দৰে এজন লোকক লগ পাই মই আচৰিত হৈছো আৰু লগতে আনন্দ পাইছো, কিয়নো আপুনি প্ৰেমত পৰিবলৈ ভয় নকৰে। আপুনি তেওঁক ভাল পায়, নাপায় জানো ?"

" নিশ্চয়।"

" তেওঁ খুব ধুনীয়া হবলা ?"

এই প্ৰশ্নটো শুনি ছানিন কিছু বিমোৰত পৰিল, কিন্তু এতিয়া আৰু যুঁজত হাৰ মানি পলাই যোৱাৰ সময় নহয়।

ছানিনে কবলৈ ধৰিলে — " মাৰীয়া নিকোলায়েভনা, আপোনাৰ নিশ্চয় অবিদিত নহয় যে, প্ৰত্যেক প্ৰেমিকে ভাবে যে তেওঁৰ প্ৰেমিকাৰ তুল্য আৰু কোনো নাই। কিন্তু মোৰ বাকদত্তা, মোৰ বাকদত্তা সঁচাকৈয়ে এটি সৌন্দৰ্য্যৰ প্ৰতিমূৰ্ত্তি।"

" অ', হয় নেকি ? তেওঁৰ 'ষ্টাইল' কেনেকুৱা ? — ইটালীয় ? ক্লাছিকেল ?"

" হয়, তেওঁৰ চলন-ফুৰণ অতি সহজ, অতি সৰল।"

" তেওঁৰ নামটো ?"

" জেমা।"

" আৰু আপোনাৰ ?"

" ডিমিত্ৰি পাভলোভিচ।"

" শুনক, ডিমিত্ৰি পাভলোভিচ' আপোনাৰ কথা শুনি পৰম সন্তোষ লভিলো। আপুনি এজন সজ লোক। তাত অলপো সন্দেহ নাই। চাওঁ আপোনাৰ হাতখন। আমি এতিয়া বান্ধৱ-বান্ধৱী হওঁহক।"

বগা ধুনীয়া আঙুলি কেইটাৰে তেওঁ ছানিনৰ হাতখন জোঁকাৰি দিলে। তেওঁৰ হাতখন ছানিনৰ হাতখনতকৈ বহু সৰু, বেছি গৰম, মিহি, কোমল আৰু তেজাল আছিল।

" কছিয়াৰ কোন খিনিত আপোনাৰ ঘৰ ?"

" তুলা গুবাৰ্ণিয়াত।"

" তেনেহলে আমি একেঠাইবে মানুহ। মোৰ পিতা ··· মোৰ পিতা কোন আছিল আপুনি জানেনে ? "

" তেওঁৰ জন্ম হৈছিল তুলাত   তেওঁ এজন তুলাবাসী আছিল। ভাল, এতিয়া আমি আচল কথালৈ আহোঁহক। "

" আচল কথালৈ অহাৰ মানে ? আপুনি তেনেকৈ কোৱাৰ মানে কি ? "

মাৰীয়া নিকোলায়েভনাৰ চকু দুটা অলপ মুদ খালে। " আপুনি ইয়ালৈ কিয় আহিছিল ? আপুনি বিচাৰিছে মই আপোনাৰ খাতখন কিনিব লাগে। নহয় জানো ? বিয়াৰ কাৰণে আপোনাৰ টকাৰ দৰকাৰ। কথাটো সঁচা নে ? "

" হয়। "

" ভালেখিনি টকাৰ দৰকাৰ নেকি ? "

" প্ৰথমতে অলপ কেইহাজাৰমান ফ্ৰাঙ্ক হ'লেই হব। আপোনাৰ স্বামীয়ে মোৰ খাতখনৰ কথা জানে। আপুনি এই বিষয়ে তেওঁৰ লগত আলোচনা কৰিব পাৰে। মই বৰ বেছি দাম নকৰোঁ। "

মাৰীয়া নিকোলায়েভনাই লাহে লাহে বাওঁফালৰ পৰা সোঁফাললৈ মূৰটো ঘূৰালে। " প্ৰ-থ-ম-তে, " প্ৰত্যেকটো আখৰকে ভাঙি ভাঙি কৈ আৰু ছানিনৰ ফ্ৰককোটটোৰ হাতখনত আঙুলিৰ আগেৰে লাহে লাহে ধৰি তেওঁ ক'লে, " স্বামীৰ লগত সাজ-পোছাকৰ বাহিৰে আন কথা আলোচনা কৰা মোৰ অভ্যাস নাই। সেই বিষয়ত তেওঁ খুব পাকৈত। আৰু দ্বি-তী-য়-তে, আপুনি কম দামত বেচাৰ কথা কিয় কৈছে ? বৰ্ত্তমান অৱস্থাত আপুনি গভীৰ প্ৰেমাসক্ত হ'ল বুলিয়ে আৰু ক্ষতি স্বীকাৰ কৰিবলৈ প্ৰস্তুত হ'ল বুলিয়ে যে মই সুবিধা লম তেনে মনোভাব মোৰ নাই   আপোনাৰ ক্ষতি হবলৈ মই দিব নোৱাৰোঁ। আপোনাৰ — কি কয় সেইটোক — আপোনাৰ আবেগানুভূতিক চৰিতাৰ্থ কৰাৰ পৰিবৰ্ত্তে মই জানো জীয়াই জীয়াই

আপোনাৰ ছাল কাটিম ? সেইটো মোৰ নীতি নহয়। সময় বুজি মই কঠোৰ হব পাৰোঁ, কিন্তু এই ক্ষেত্ৰত নহয়।"

তেওঁ ছানিনক উপহাসেই কৰিছিল নে আচল কথাই কৈছিল, ছানিনে একো তত্তকে ধৰিব পৰা নাছিল।

ভূত্য এজনে চাহ, মাখন, বিস্কুট আৰু নানা তৰহৰ কছ দেশীয় উপাদেয় মিঠাই আনি ছানিন আৰু মেডাম প'লোৰোভাৰ মাজৰ মেজ এখনত থৈ গ'ল।

তেওঁ ছানিনৰ কাৰণে একাপ চাহ বাকিলে। কাষৰ মেজখনৰ ওপৰত এপাত চেপেনা থকা সত্বেও তেওঁ আঙুলিকেইটাৰে চেনিৰ টুকুৰা এটা ধৰি কাপটোৰ ভিতৰত পেলাই দিলে আৰু ক'লে "মোৰ আঙুলিকেইটাৰ ঠাচ দেখি নাহাঁহিব দেই।"

"নাই, নাই ইমান ধুনীয়া হাত চুখন "

ছানিনে বাক্যটো শেষ কৰিব নোৱাৰিলে। প্ৰথম ঢোক চাহ খাওঁতেই তেওঁৰ যেন উশাহ-নিশাহ বন্ধ হৈ গ'ল। মাৰীয়া নিকোলায়েভনাই একে থৰে তেওঁৰ পিনে চাই থাকিল।

' মই কম দামৰ কথা কৈছিলো, কাৰণ মই ধৰি লৈছিলো, যিহেতু আপুনি বিদেশত আছে। আপোনাৰ হাতত বেছি টকা নাথাকিবও পাৰে, তত্বুপৰি মইবুজোঁ এনেকুৱা সময়ত সাধাৰণতে সম্পত্তি কিনা-বেচা কৰা নহয়।"

এনেদৰে নিজেই তেওঁ তৰ্ক-সূত্ৰত আবদ্ধ হ'ল। মাৰীয়া নিকোলায়েভনাই এখন হাত আনখন হাতৰ ওপৰত থৈ চকীখনত আঁউজি ছানিনৰ মুখৰ পিনে চায়ে আছিল। শেষত তেওঁ কথা বন্ধ কৰিলে।

"কোনো কথা নাই, কৈ থাকক, কৈ থাকক। মই শুনি আছো — আপোনাৰ কথা শুনি ভাল লাগিছে, কৈ যাওক।"

ছানিনে খাতখনৰ কথা বৰ্ণাবলৈ ধৰিলে। তাৰ মাটি-কালি, ভৌগোলিক পৰিস্থিতি, প্ৰাকৃতিক সম্পদ, ভৱিষ্যতৰ আয়-উৎপন্ন

প্ৰভৃতি সকলো কথা ক'লে। মুখত বক্ৰিম আভা লৈ একাগ্ৰচিত্তে মাৰীয়া নিকোলায়েভনাই ছানিনৰ মুখৰ পিনে চাই আছিল। তেওঁৰ ওঁঠ দুটা অলপ কঁপিছিল যদিও ওঁঠ দুটাৰ মাজত হাঁহিৰ ৰেখা বিৰিঙা নাছিল। তেওঁ তলৰ ওঁঠটো কামুৰিছিল। ছানিন বিমোৰত পৰিল আৰু দ্বিতীয় বাৰৰ কাৰণে নিস্তব্ধ হ'ল।

"ডিমিত্ৰি পাভলোভিচ," মাৰীয়া নিকোলায়েভনাই কবলৈ ধৰিলে, কিন্তু কিবা এটা কথা ভাবি থমকা মাৰিলে। "ডিমিত্ৰি পাভলোভিচ" তেওঁ পুনৰাই ক'লে। "শুনক, মই বটিয়াকৈ বুজিছো আপোনাৰ ভূমিদাৰীৰপৰা আমাৰ যথেষ্ট লাভ হব, কিন্তু আপুনি মোক দুদিন সময় দিব লাগিব। হয়, দুদিন। আপোনাৰ ভাবী পত্নীৰপৰা দুদিন আঁতৰত থকাটো আপুনি জানো সহ্য কৰিব পাৰিব? আপোনাৰ ইচ্ছাৰ বিৰুদ্ধে আপোনাক আৰু বেছি দিন আটক কৰি ৰাখিব নোখোজোঁ — মই আপোনাক কথা দিলো। কিন্তু যদি এতিয়াই আপোনাক পাঁচ-ছয় হাজাৰ ফ্ৰাঙ্ক লাগে, তেনেহলে মই সানন্দে আপোনাক ধাৰলৈ দিব পাৰোঁ। আৰু আমি পিচে-পৰেও মাটিৰ দাম-দৰ ঠিক্ ঠাক্ কৰি লব পাৰিম।"

ছানিনে চকীৰপৰা উঠি কবলৈ ধৰিলে : "মাৰীয়া নিকোলায়েভনা, যিজন মানুহ অপোনাৰ ওচৰত অপৰিচিত বুলি ক'লেও অত্যুক্তি কৰা নহয় সেইজন মানুহকে আপুনি সহায় কৰিবলৈ যি আন্তৰিকতা আৰু তৎপৰতা দেখুৱালে তাৰ বাবে আপোনাকে ধন্যবাদ জ্ঞাপন কৰিছো। আপুনি মোৰ খাতথনৰ বিষয়ে কোনো এটা সুসিদ্ধান্তত উপনীত নোহোৱা পৰ্য্যন্ত মই অপেক্ষা কৰিবলৈ মান্তি আছো মই দুদিন ইয়াতে থাকিম।"

"ডিমিত্ৰি পাভলোভিচ, এই দুটা দিন মোৰ কাৰণে দৰকাৰ হব। দুদিন বাট চোৱাটো জানো আপোনাৰ কাৰণে বৰ টান হব? কওক, বৰ টান হব নেকি?"

“মাৰীয়া নিকোলায়েভনা, মই মোৰ ভাবী পত্নীক ভাল পাওঁ আৰু তেওঁৰ পৰা আঁতৰত থকাটো মোৰ পক্ষে উজু নহয়।”

“দেখিছো, আপুনি কম মানুহ নহয়।” হুমুনিয়াহ কাঢ়ি মাৰীয়া নিকোলায়েভনাই ক'লে। “মই কথা দিছো, আপোনাক বৰ বেছি দিন নাৰাখোঁ। এতিয়া যাবই নেকি ?”

“হয়, বহুত দেৰিয়ে হ'ল।”

“ভ্ৰমণৰ পিচত আৰু স্বামীৰ লগত তাচ খেলাৰ পিচত অৰণ্যে বিশ্ৰাম লোৱা দৰকাৰ। আপুনি চাগৈ স্বামীৰ এজন পৰম বন্ধু ?”

“হয় আমি স্কুলত একেলগে পঢ়িছিলো”

“তেতিয়াও তেওঁ এনেকুৱা আছিল নে ?”

“কেনেকুৱা ?”

মাৰীয়া নিকোলায়েভনাই হঠাতে হাঁহি এটা মাৰিলে। মুখখন ৰঙা নপৰালৈকে তেওঁ হাঁহিলে, ৰুমালখনেৰে ওঁঠ দুটা ঢাকি থলে আৰু চকীখনৰপৰা উঠি ভাগৰত ক্লান্ত হোৱা যেন দেখুৱাই হাতখন আগবঢ়াই ছানিনৰ ওচৰলৈ গ'ল।

ছানিনে নমস্কাৰ জনাই দুৱাৰখনৰ পিনে ধাবিত হ'ল।

“কাইলৈ ৰাতিপুৱা আহিব দেই।” মাৰীয়া নিকোলায়েভনাই পাচ পিনৰ পৰা মাত লগালে। কোঠাটোৰপৰা ওলাই যাওঁতে ছানিনে পাচৰ পিনে চালে আৰু দেখিলে তেওঁ আকৌ চকীখনত বহি পৰিছে — মূৰৰ তলত হাত দুখন থৈ। তেওঁৰ গাউনটোৰ সোলোক-ঢোলোক হাত দুখন একেবাৰে ঘাৰৰ ওচৰলৈ পিচলি গৈছে।

পয়ত্ৰিশ

মাজনিশাৰ পিচতো ছানিনৰ কোঠাটোত লেম্প এটা জ্বলি আছিল। তেওঁ মেজখনৰ কাষত বহি তেওঁৰ ‘মৰমৰ জেমা’লৈ এখন চিঠি লিখি আছিল। তেওঁ জেমাক সকলো কথা বিবৰি কৈছিল, প’লোঝোভ দম্পতীৰ বিষয়ে সকলো কথা বৰ্ণনা কৰিছিল, কিন্তু নিজৰ অন্তৰ্বৰ আবেগ-অনুভূতিৰ ওপৰত তেওঁ বেছি জোৰ দিছিল আৰু তিনি দিনৰ ভিতৰত সকলো ঠিক্-ঠাক্ হব বুলি লিখি চিঠিখন শেষ কৰিছিল। শেষত তেওঁ তিনিটা বিস্ময়বোধক চিন দিছিল। পিচদিনা ৰাতিপুৱা চিঠিখন ডাকত দি তেওঁ বাগিচাৰ পিনে ফুৰিবলৈ গ’ল। তেওঁ আলিৰ দাঁতিৰ হোটেল এখনত কফি খাই বাগিচাৰ মাজৰ সৰু বাট এটাৰে যাবলৈ ধৰিলে। কিছুদূৰ গৈ তেওঁ বেঞ্চ এখন পালে। বেঞ্চখনত বহি তেওঁ নানা কথা ভাবিবলৈ ধৰিলে।

পাচফালৰপৰা কোনোবাই ছাতিৰ দাণ্ডী এডালেৰে তেওঁৰ কান্ধত টুকৰিয়াই দিলে। তেওঁ চক খাই উঠিল মাৰীয়া নিকোলায়েভনা তেওঁৰ আগত থিয় হ’লহি। গ্ৰীষ্মকালৰ ঊষাৰ দৰে তেওঁক দেখা গ’ল জীৱন্ত, ৰক্তাভ। কিন্তু তেওঁৰ চলন-ফুৰণ আৰু চাৱনিত ফুটি উঠিছিল এটা তন্দ্ৰাসিক্ত অলসতা।

“গুড্ মৰ্ণিং” বুলি তেওঁ ছানিনক সম্ভাষণ জনালে। “ৰাতি-পুৱাতে মই আপোনাক মাতিছিলো, কিন্তু ইতিমধ্যে আপুনি বাহিৰ হৈছিলেই। মই এইমাত্ৰ দুগিলাচ পানী খাইছো আৰু বেচ বল পাইছো। এঘণ্টাৰ কাৰণে মই ফুৰিব পাৰিম। আপুনি মোৰ লগত যাব জানো? পিচত আমি কফি খাম।”

ছানিনে থিয় হৈ ক'লে, "মই এইমাত্র কফি খালো। আপোনাৰ লগত ফুৰিবলৈ পালে বৰ আনন্দিত হ'ম।"

"তেনেহলে আপোনৰ বাহুটো আগ বঢ়াই দিয়ক। ভয় নাখাব — আপোনাৰ বাক্‌দত্তা ইয়াত নাই, তেওঁ আপোনাক দেখা নাপায়।"

ছানিনে কৃত্রিম হাঁহি এটা মাৰিলে। মাৰীয়া নিকোলায়েভনাই যেতিয়াই জেমাৰ নাম উনুকিয়াইছিল তেতিয়াই তেওঁ অস্বস্তি বোধ কৰিছিল, কিন্তু তেওঁ হালি গ'ল। মাৰীয়া নিকোলায়েভনাৰ হাতখন ধীৰে ধীৰে ছানিনৰ বাহুৰ ওপৰলৈ উঠি গ'ল আৰু তেওঁক যেন খামোচ মাৰি ধৰিলে।

"এইপিনে আহক। মই এই পার্কৰ বিষয়ে সকলো কথা জানোঁ। মই আপোনাক চাবলগীয়া সকলো ঠাইলৈ লৈ যাম। বুজিছেনে, আমি এতিয়া মাটি কিনা-বেচা সম্পর্কে একো আলোচনা নকৰোঁ। কফি খোৱাৰ পিচত এই বিষয়ে আমি ভালকৈ আলোচনা কৰিম। এতিয়া আপোনাৰ বিষয়ে সকলো কথা শুনিবলৈ মন গৈছে। মোৰ বিষয়েও যদি শুনিবলৈ মন কৰে পিচত কম। ৰাজী হৈছে তো?"

"কিন্তু, মাৰীয়া নিকোলায়েভনা, আপুনি নো ইয়াত কি আমোদ পাব?"

"হৈছে, হৈছে। আপুনি মোক ভুল বুজিছে। মই আপোনাৰ লগত প্রেমালাপ কৰিবলৈ বিচৰা নাই," তেওঁ ঘাৰ জোঁকাৰি অস্বস্তিৰ সুৰত ক'লে। "দেৱীমূর্ত্তিসদৃশ যিজনাৰ এজনী বাক্‌দত্তা আছে, সিজনাৰ লগত জানো মই প্রেমালাপ কৰিবলৈ চেষ্টা কৰিব পাৰোঁ? সদাগৰ হিচাপে মই কি মাল-বস্তু কিনোঁ, ক'ৰপৰা কিনোঁ, সেই সকলোবোৰ কথা জানিবলৈ ইচ্ছা কৰোঁ। সেইটো মোৰ পিতাৰ নিয়ম আছিল। ভাল, এতিয়া আৰম্ভ কৰক। আপুনি ল'ৰাকালৰ কথা বাদ দি বিদেশলৈ অহা সময় পৰা আৰম্ভ কৰিব

পাৰে। ইয়াৰ আগতে আপুনি ক'ত আছিল? ইমান বেগাই কেলেই গৈছে? লৰা-ধপৰা কৰিবৰ কোনো প্ৰয়োজন নাই।"

"মই ইয়াৰ আগতে ইটালীত কেইবামাহো আছিলোঁ।

"বোধহয় ইটালীৰ সকলো বস্তুৰ প্ৰতি আপুনি আসক্ত। তাত এজনী জীৱন-সঙ্গিনী যোগাৰ কৰি লব। নোবাৰাটোহে আচৰিত কথা আপুনি কলাসক্ত নে, চিত্ৰাসক্ত? নে সঙ্গীতৰ প্ৰতি আপোনাৰ ৰাগ বেছি?"

"মই কলাপ্ৰিয় মই সৌন্দৰ্য্যৰ উপাসক।"

"আৰু সঙ্গীত?"

"সঙ্গীতো মই ভাল পাওঁ।"

"আৰু মই? মই হলে সঙ্গীত অকণো ভাল নাপাওঁ। বসন্ত কালত গাঁৱলীয়া পৰিবেশত কছু গানহে মই ভাল পাওঁ গান আৰু নাচ একেলগে ৰঙা কপাহী কাপোৰ, তিৰোতা মানুহৰ কপালত পিন্ধা মুকুতা মণিৰ মালা, পথাৰত নতুনকৈ গজা-ঘাঁহ, ধোঁৱাৰ গন্ধ এইবোৰ মই ভাল পাওঁ। কিন্তু এতিয়া মোৰ কথা নকওঁ। কওঁক, কৈ যাওঁক, আপোনাৰ বিষয়ে কৈ যাওঁক।'

প্ৰথমতে অনিচ্ছাসত্বেও আৰু লাজ লাজকৈ তেওঁ কবলৈ ধৰিলে, কিন্তু পিচত তেওঁ কথাচহকী হৈ পৰিল। মাৰীয়া নিকোলায়েভনা কথা শুনাত বৰ পাকৈত আছিল। তেওঁক ইমান অন্তৰ-খোলা যেন দেখা গৈছিল যে তেওঁৰ লগত আনেও অলক্ষিতে দিলখোল হবলৈ বাধ্য হৈছিল। ছানিনে তেওঁক তেওঁৰ ভ্ৰমণ-বৃত্তান্ত, পিটাৰ্চবুৰ্গত থকা কালছোৱাৰ কাহিনী আৰু ডেকা কালৰ সকলো কথা ক'লে। যদি মাৰীয়া নিকোলায়েভনা মাৰ্জিত আচাৰ ব্যৱহাৰসম্পন্না ভদ্ৰ মহিলা হ'লহেঁতেন, তেনেহলে হয়তো তেওঁ ইমান খোলাখুলিকৈ কথা কব নোৱাৰিলেহেঁতেন, তেওঁ নিজকে নিজে কৈছিল যে তেওঁ এজনী সাধাৰণ তিৰোতা, তেওঁ বাগাড়ম্বৰ অলপো ভাল নাপায়। অন্ততঃ ছানিনৰ ওচৰত তেওঁ তেনেভাবেই দেখা দিছিল। তেওঁ ছানিনৰ বাউসিত ধৰি মুখৰ পিনে চাই কইনা বুলনেৰে গৈ আছিল।

ছানিন আৰু মাৰীয়া নিকোলায়েভনাই এনেদৰে খোজ কাঢ়ি কথা পাতি এঘণ্টাৰো ওপৰ কাল কটাইছিল। দুয়ো বাটত কতো ৰোৱা নাছিল, পার্কৰ অগণন ৰাস্তাৰে গৈয়ে আছিল। কেতিয়াবা এচলীয়া ৰাস্তাৰ ওপৰলৈ গৈছিল — প্ৰকৃতিৰ শোভাৰাশিৰ গুণ বখানি আৰু কেতিয়াবা তললৈ নামি আহিছিল — অভেদ্য ছাঁৰ মাজত ডুব মাৰিবলৈ। গোটেইখিনি সময় তেওঁলোকে বাউসিত ধৰা-ধৰিকৈ গৈ আছিল। মাজে সময়ে ছানিনে বিৰক্তি বোধ কৰিছিল। তেওঁ জেমাৰ লগত — তেওঁৰ মৰমৰ জেমাৰ লগত কেতিয়াও ইমান বেলি খোজ কঢ়া নাছিল। এই তিৰোতা গৰাকীয়ে তেওঁৰ ওপৰত প্ৰভুত্ব চলাইছিল, ইয়াৰপৰা তেওঁ পৰিত্ৰাণ পোৱা নাছিল। “আপোনাৰ ভাগৰ লগা নাইনে?” বুলি ছানিনে তেওঁক কেইবাবাৰো সুধিছিল আৰু উত্তৰত পাইছিল, “মোৰ কেতিয়াও ভাগৰ নালাগে।” দুয়ো বাটত বহুত মানুহ লগ পাইছিল। প্ৰায় সকলোবোৰেই মাৰীয়া নিকোলায়েভনাক নমস্কাৰ জনাইছিল — কিছুমানে ভদ্ৰতাৰ খাতিৰত, কিছুমানে আনুগত্যৰ ভাবত। এজন ভদ্ৰলোকক তেওঁ দূৰৈৰপৰাই নিৰ্ভুল ফৰাচী ভাষাত অভিনন্দন জনাইছিল। ভদ্ৰলোকজনে হেটটো হাতত লৈ তেওঁক অভিবাদন জনাইছিল।

“সেইজন কোন?”

“এজন ফৰাচী লোক। ইয়াৰ আশে-পাশে বহুতো ফৰাচী লোক বাস কৰে। আমি এতিয়া যাওঁ বলক। আপোনাৰ চাগৈ এতিয়া ভোক লাগিছে।”

মাৰীয়া নিকোলায়েভনা আৰু ছানিন গৈ দেখিলে প'লোজোভে ইতিমধ্যে জলপান খাবৰ কাৰণে মেজৰ ওচৰত বহিছে।

“মই ভাবিছিলো, তুমি আৰু নাহা,” তেওঁ আচৰিত হৈ মুখখন ক'লা কৰি ক'লে। “মই তোমাক এৰিয়ে কফি খাবলৈ ওলাইছিলো।”

"কোনো কথা নাই," মাৰীয়া নিকোলায়েভনাই হাঁহিমুখে ক'লে। "তোমাৰ খং উঠিছিলনেকি? অৱশ্যে খং উঠাটো বেয়া নহয়, নহলে তুমি শিলামূৰ্ত্তিত পৰিণত হবা। এই পিনে চোৱা। তোমাক দেখা কৰিবলৈ মোৰ লগত এজন অভ্যাগত আহিছে। বেলটো তৎক্ষণাৎ বজাই দিয়া। আমিও কফি খাব লাগে।"

মাৰীয়া নিকোলায়েভনাই হেটটো আৰু হাতমোজাযোৰ দলিয়াই দি কৰতালি দিলে।

প'লোঝোভে তলমূৰকৈ তেওঁৰ পিনে এবাৰ চালে।

"কি কাৰণে তুমি আজি ইমান চঞ্চলা হৈ পৰিছা মাৰীয়া নিকোলায়েভনা?" তেওঁ লাহেকৈ মাত লগালে।

"সেইটো সুধিবৰ তোমাৰ দৰকাৰ নাই। তুমি কেৱল বেলটো বজাই দিয়া। ডিমিত্ৰি পেভলোভিচ, বহক, আৰু একাপ কফি খাওঁক। আঃ! মই হুকুম দিবলৈ যে কিমান ভাল পাওঁ। কোনো আনন্দই ইয়াৰ সমকক্ষ হব নোৱাৰে।"

"যেতিয়া তোমাৰ হুকুম মনা হয়?"

"অৱশ্যে, অৱশ্যে! সেই কাৰণেই মই ইমান আনন্দিত, বিশেষকৈ তোমাৰ লগত, মেদেলা! নহয় জানো? এয়া কফি আহিলেই।"

পৰিচাৰকে অনা প্ৰকাণ্ড থালখনৰ ওপৰত থিয়েটাৰৰ বিজ্ঞাপন এখনো আছিল। তেওঁ থাপ মাৰি আনি বিজ্ঞাপনখন পঢ়িলে।

"এখন নাটক! এখন নাটক!!" বিস্মিত হৈ তেওঁ ক'লে আৰু পৰিচাৰকজনক হুকুম দিলে, "মোৰ কাৰণে যি কোনো উপায়ে ফ্ৰেমডেন ল'জটো বন্দবস্ত কৰিবা — দৰকাৰ হলে বেছিকৈ টকা দিবা।"

পৰিচাৰকজনে মূৰ দোঁৱাই সম্মতি জনালে।

"ডিমিত্ৰি পাভলোভিচ, আপুনি মোৰ লগত থিয়েটাৰ চাবলৈ যাবনে? কওঁক আপুনি যাম বুলি। যাবনে? সঁচাই যাবনে? মেদেলা, তুমিও যাবানেকি?"

"তুমি যি কৰিবলৈ কোৱা তাকেই কৰিম।"

"তুমি ঘৰত থকাই ভাল। থিয়েটাৰ চাবলৈ গ'লেও তুমি সদায় টোপনিয়াই থাকা। তাৰ উপৰি তুমি জাৰ্মান ভাষা ভালদৰে নাজানা।"

প্ৰাতঃভোজনৰ পিচত মাৰীয়া নিকোলায়েভনাই ছানিনক তেওঁৰ খাতথনৰ কথা বহলাই কবলৈ অনুৰোধ কৰিলে।

ছয়ত্ৰিশ

ছানিনে দ্বিতীয় বাৰৰ কাৰণে তেওঁৰ খাতথনৰ কথা বৰ্ণাবলৈ ধৰিলে। এইবাৰ কিন্তু প্ৰাকৃতিক সৌন্দৰ্য্যৰ কথা বৰ্ণনা নকৰি কিমান সা-সম্পত্তি আছে, কিমান উৎপাদন হয় ইত্যাদি কথা কবলৈ ধৰিলে। তেওঁ কোৱা কথাবোৰৰ সত্যতাত সম্মতি দিব বুলি ভাবি ছানিনে প্ৰায়ে প'লোঝোভৰ পিনে চাইছিল। কিন্তু প'লোঝোভে কেৱল গাহৰিৰ দৰে হোক্‌হোকাইছিল আৰু মুখটো জোকাৰিছিল। ভগবানেহে জানে ছানিনৰ কথাত তেওঁ সম্মতিয়ে দিছিল নে অসম্মতিয়ে প্ৰকাশ কৰিছিল। কিন্তু মাৰীয়া নিকোলায়েভনাৰ প'লোঝোভৰ সহায়ৰ কোনো দৰকাৰ নাছিল। ছানিনে তেওঁৰ ব্যৱসায়ৰ আৰু পৰিচালনাৰ অসাধাৰণ দক্ষতা দেখি তবধ মানিছিল। তেও ব্যৱসায় পৰিচালনাৰ খুটিনাতি তন্নতন্নকৈ জানিছিল। তেওঁও প্ৰতিটো শব্দই লক্ষ্য ভেদ কৰিছিল। ক্ষুদ্ৰাতিক্ষুদ্ৰ কথাবোৰৰ প্ৰতিও তেওঁ লক্ষ্য ৰাখিছিল। ছানিনে এনেকুৱা প্ৰশ্নোত্তৰৰ কথা কেতিয়াও ভৰা নাছিল আৰু ইয়াৰ বাবে প্ৰস্তুতো থকা নাছিল। ডেৰঘণ্টা জুৰি নানা প্ৰশ্ন সোধা-সুধি আৰু উত্তৰ দিয়া হৈছিল। তীক্ষ্ণবুদ্ধিসম্পন্ন কটা বিচাৰক এজনৰ আগত অপৰাধী এজনৰ যি অৱস্থা হয় ছানিনৰো সেই একে অৱস্থাই হৈছিল। "কিয় যে ইমান প্ৰশ্নৰ জাউৰি?" তেওঁ উৰাদিহ নাপাই

নিজকে নিজে প্ৰশ্ন কৰিছিল। মাৰীয়া নিকোলায়েভনাই অনবৰত হাঁহি আছিল আৰু এনে ভাব দেখুৱাইছিল যে যেন্যালিভেছে যেন তেওঁ ছানিনক এই প্ৰশ্নবোৰ কৰিছিল। কিন্তু ছানিনক ই কোনো সকাহ দিয়া নাছিল। প্ৰশ্ন কৰোতে যেতিয়া বুজা গৈছিল যে তেওঁ 'মাটিৰ পুনৰ বিভাগ-কৰণ' আদি কিছুমান শব্দৰ অৰ্থ ভালদৰে নাজানিছিল তেতিয়া তেওঁ ঘামিজামি গৈছিল।

মাৰীয়া নিকোলায়েভনাই অৱশেষত খাটাংকৈ ক'লে, "বৰ ভাল কথা। এতিয়া মই আপোনাৰ খাতৰ বিষয়ে সকলো কথা জানিলো আপুনি যিমান জানে ময়ো তিমান জানিলো।" জনমুৰি আপোনাৰ সম্পত্তিৰ মূল্য কিমান হব?"

"পাঁচ হাজাৰ কবলতকৈ কম নহব," ছানিনে কথমপি ক'লে।

"কিয় কম হব?" তেওঁ অলপ সময় বৈ ক'লে। "মই ভাবো এই মূল্য গ্ৰহণীয়। কিন্তু মই ছুদিন পলম হব বুলি চুক্তি কৰিছিলো। আপুনি কাইলৈকে বাট চাব লাগিব। মোৰ বিশ্বাস আমি এটা স্নুসিদ্ধান্তত উপনীত হব পাৰিম। আপোনাৰ যিমান ধনৰ আৱশ্যক হয় তেতিয়া নিব পাৰিব। আপুনি এতিয়া অলপ বিশ্ৰাম লওঁকগৈ। তিনি বজাৰ লগে লগে কিন্তু আহিব লাগিব।

ছানিনে অভিবাদন জনাই বিদায় ললে। তেওঁক অনুসৰণ কৰিলে এলানি হাঁহিৰ জাউৰিয়ে। তেওঁ আইনা এখনত প্ৰতিবিম্বিত হোৱা দেখিলে — মাৰীয়া নিকোলায়েভনাই গিৰিয়েকৰ ফেজ টুপীটো চকুৰ ওপৰলৈ ঠেলি দিছে আৰু তেওঁ উৱাদিহ নাপাই নিঃসহায়ৰ দৰে হাত ছুখন জোঁকাৰিছে।

সাইত্রিশ

কোঠাটোৰ ভিতৰত নিজকে অকলশৰে পাই ছানিনে এটা গভীৰ হুমুনিয়াহ কাটিলে। মাৰীয়া নিকোলায়েভনাই সঁচা কথাকে কৈছিল, তেওঁৰ বিশ্ৰামৰ দৰকাৰ হৈছিল। নতুন নতুন পৰিচয়, নানা প্ৰকাৰৰ সমস্যাৰ সন্মুখীন, নানান ধৰণৰ কথোপকথন—এই সকলে-বোৰৰ পৰা তেওঁৰ শান্তি পাবলৈ তেওঁৰ জিৰণিৰ দৰকাৰ হৈছিল, তদুপৰি এই তিৰোতা গৰাকীৰ লগত হোৱা অনাহূত ঘনিষ্ঠতাৰপৰা তেওঁৰ অন্তৰ আৰু মনৰ মাজত গোপনে উদ্ভৱ হোৱা ধুঁৱলি-কুঁৱলিৰ অৱসান ঘটাবলৈও তেওঁৰ জিৰণিৰ দৰকাৰ হৈছিল। কি সন্ধিক্ষণত যে এইবোৰ ঘটিল! জেমাই তেওঁক ভাল পোৱাৰ আৰু তেওঁ জেমাক বাক্‌দান দিয়াৰ আজি নো কেইদিন হ'ল! ই ভগবানৰ অভিশাপ নে কি? তেওঁ মনে মনে তেওঁৰ নিষ্পাপ নিষ্কলঙ্ক প্ৰেমিকাৰ ওচৰত সহস্ৰ বাৰ ক্ষমা প্ৰাৰ্থনা মাগিলে আৰু তেওঁ দিয়া ক্ৰছটোক সহস্ৰবাৰ চুমা খালে। যি উদ্দেশ্য বুকুত বান্ধি লৈ তেওঁ ৱিজবাডেনলৈ আহিছে সেই উদ্দেশ্য অতি সোনকালে সিদ্ধি হোৱাৰ আশা নাথাকিলে তেওঁ তেওঁৰ মৰমৰ ফ্ৰাঙ্কফুৰ্টলৈ, মৰমৰ ঘৰখনলৈ — যিখন ঘৰ তেওঁৰ নিজৰ ঘৰৰ দৰে হৈ পৰিছে, — তেওঁৰ ওচৰলৈ, তেওঁৰ চৰণ দুখনত লুটি খাই পৰিবলৈ লৰ দিলেহেঁতেন! কিন্তু ইয়াৰ বাহিৰে তেওঁৰ আন উপায় নাছিল। তেওঁ জীৱন-মদিৰা যিমান পাৰে তিমান পান কৰিবই লাগিব — সাজপাৰ পিন্ধি ভোজনলৈ যাব লাগিব আৰু তাৰ পিচত থিয়েটাৰলৈ যাব লাগিব কাইলৈ তেওঁক সোনকালে বিদায় দিলেই ৰক্ষা!

আৰু এটা কথাৰ কাৰণে তেওঁ কষ্ট পাইছিল, এনেকি তেওঁৰ

খঙো উঠিছিল — তেওঁ অহর্নিশ মৰমতে আৰু আনন্দতে জেমাৰ কথা, উভয়ৰ যুগ্ম-জীৱনৰ কথা আৰু সোণালী ভৱিষ্যতৰ কথা চিন্তা কৰি আছিল ; কিন্তু কি যে আচৰিত ধৰণৰ এই তিৰোতাজনী, — এই মেডাম প'লোখোভাজনী! মানুহজনীয়ে অনবৰত তেওঁক ভূতৰ দৰে এৰা দিয়া নাছিল, এনেকি আগতো দেখা দিছিল। তেওঁ এই মূৰ্ত্তিটোৰ পৰা অব্যাহতি নাপাইছিল। তেওঁৰ কণ্ঠস্বৰ আৰু তেওঁ কোৱা কথাবোৰৰ কথা তেওঁ পাহৰিব নোৱাৰিছিল। হালধীয়া ভেটফুলৰ গোন্ধৰ দৰে তেওৰ কাপোৰৰ পৰা ভাহি অহা বিশেষ ধৰণৰ গোন্ধ এটা অনবৰত তেওঁ অনুভব কৰিছিল — এটা মৃদু, টাটকা, অন্তৰভেদী গোন্ধ! স্পষ্টকৈ দেখা-গৈছিল যে তিৰোতাজনীয়ে এটাৰ পাচত আন এটা চাতুৰি তেওঁৰ ওপৰত প্ৰয়োগ কৰিছিল। কিন্তু ইয়াৰ পৰা লাভ কি? তেওঁ কি বিচাৰিছে? ই কোনোবা এজনী অধঃপতিতা আঢ্যৱতী তিৰোতাৰ হুজুগ নেকি, — যাক প্ৰায় ভ্ৰষ্টা বুলি ক'লেও অত্যুক্তি কৰা নহয়? আৰু সেই গিৰিয়েকজন! কি যে আচৰিত জীৱ! তিৰোতাজনীৰ লগত তেওঁৰ সম্পৰ্ক কি? কিয় যে ছানিনৰ মগজুত এই প্ৰশ্নবোৰ সোমাইছিল? মঁচিয়ে প'লোখোভ আৰু তেওঁৰ পত্নী নো তেওঁৰ কি হয়? কিয় যে তেওঁ তিৰোতাজনীৰ ছবিটো মনৰপৰা আঁতৰাব পৰা নাছিল, যদিও সেই একে সময়তে তেওঁৰ সমস্ত হৃদয় গ্ৰীষ্ম কালৰ উজ্জ্বল আৰু নিৰ্মল দিন এটাৰ দৰে আন এখন ছবিৰ প্ৰতি আকৃষ্ট হৈছিল? এইজনীৰ চেহেৰা আনজনীৰ চেহেৰাৰ অন্তৰালত কেনেকৈ যে লুকাই আছিল? কিন্তু ই লুকাই আছিল, লুকাই আছিল উপহাসৰ কাঠ-হাঁহি মাজ। সৌ লুটিয়াৰ মুগা চকু দুটা, গালৰ সেই পোটোকা কেইটা, সেই সাপনেজীয়া চুলিকোছা! সঁচাকৈয়েতো এইবোৰে তেওঁৰ ওপৰত এনে প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই, যাৰ বন্ধন ছিগিবলৈ তেওঁৰ শক্তি নাই?

নাই, নাই! কাইলৈ এই সকলোবোৰ অৱসান ঘটিব — সকলোবোৰ নিঃচিহ্ন হৈ যাব! কিন্তু মানুহজনীয়ে জানো কাইলৈ তেওঁক বিদায় দিব?

বাৰে বাৰে এই প্ৰশ্নবোৰ ছানিনৰ মনলৈ আহিল। তিনি বাজিবৰ হ'ল। তেওঁ ক'লা ফ্ৰক কোট এটা পিন্ধিলে আৰু প'লোঝোভইঁতৰ ভালৈ যোৱাৰ আগতে পাৰ্কৰ পিনে এবাৰ ফুৰিবলৈ গ'ল।

তিনি বজাৰ লগে লগে ছানিন প'লোঝোভ দম্পতীৰ বৈঠকখানা পালেগৈ।

মাৰীয়া নিকোলায়েভনাই চকুত লগাকৈ সাজপাৰ পিন্ধিছিল। তেওঁ গোলাপী ৰঙৰ পাটৰ কাপোৰ এযোৰ আৰু কাণত হীৰাৰ কেৰু এযোৰ পিন্ধিছিল। হীৰাৰ উজ্জ্বলতাতকৈ তেওঁৰ চকু দুটাৰ উজ্জ্বলতা কোনো গুণে কম নাছিল। ধুনীয়া সুসজ্জিত বেশভূষাৰ মাজত তেওঁক বেচ বাংঢালী আৰু উৎফুল্লিতা দেখা গৈছিল।

ছানিনক কাষত বহুৱাই লৈ তেওঁ পেৰিছ মহানগৰীৰ কথা কবলৈ ধৰিলে। কেইদিনমানৰ ভিতৰতে তেওঁ পেৰিছলৈ যাবৰ কাৰণে মনস্থ কৰিছে। তেওঁ জাৰ্মান বিলাকৰ কথাও ক'লে। জৰ্মান বিলাকৰ প্ৰতি তেওঁ বিৰক্তিৰ ভাব পোষণ কৰিছিল। সিহঁতে বুধিয়ক বলাবলৈ গৈছিল যদিও দৰাচলতে সিহঁত মূৰ্খ আছিল।

হাতত বাতৰি কাকত এখন লৈ কাষৰ কোঠাটোৰ পৰা প'লোঝোভ ওলাই আহিল। "তোমাক কি লাগে? ভোজনৰ সময় হৈছে নেকি?" তেওঁ সুধিলে।

"দুই-এমিনিট পিচতে খাবৰ হব। মই এইমাত্ৰ পঢ়িলো — ৰাজকুমাৰ গ্ৰোমোবোই আৰু ইহ সংসাৰত নাই।"

মাৰীয়া নিকোলায়েভনাই ওপৰলৈ চাই কলে, "দুখ নেকি?

ভগবানে তেওঁৰ আত্মাক শান্তি দিয়ক। তেওঁৰ বয়স নিশ্চয় সত্তৰ বছৰো অধিক হৈছিল।"

"এৰা। কাকতত তেওঁৰ অন্ত্যেষ্টি-ক্রিয়াৰ এটি বর্ণনা দিছে। ৰাজ-ভৱনৰ সকলোলোক তাত উপস্থিত আছিল। ৰাজকুমাৰ কোতবিঝকিনে এই উপলক্ষে এটা ধুনীয়া কবিতা লিখিছে। পঢ়ি শুনামনেকি? ৰাজকুমাৰে তেওঁক এজন প্রকৃত ৰাজনীতিজ্ঞ পুৰুষ বুলি অভিহিত কৰিছে।"

"নাই, নালাগে। যিহে ৰাজনীতিজ্ঞ পুৰুষ। আমি ভোজন কৰিবলৈ যাওঁহক। ডিমিত্রি পাভলোভিচ, চাওঁ আপোনাৰ বাউসিটো।"

আগদিনাখনৰ দৰে মহাসমাৰোহেৰে ৰসাল কথা-বতৰাৰ মাজত ভোজন আৰম্ভ হ'ল। মাৰীয়া নিকোলায়েভনা আন আন কছ মহিলাৰ দৰে বেচ কথকী আছিল। তেওঁৰ মুখৰপৰা কথাৰ আখৈ ফুটিছিল। বিশেষকৈ তেওঁ স্বদেশৰ নাৰী জাতিক আক্রমন কৰিছিল। ছানিনে তেওঁৰ কথাবোৰ শুনি হাঁহি আছিল।

প'লোঝোভে সাৱধানে খাইছিল আৰু একাগ্রচিত্তে সুৰাপান কৰিছিল। তেওঁ মাজে সময়ে শেতা চকু দুটাৰে দেখা-নেদেখাকৈ মাৰীয়া নিকোলায়েভনা আৰু ছানিনৰ পিনে চাইছিল। প'লোঝোভৰ পিনে চাই তেওঁ চিঞৰি উঠিল, "তুমি কম বুদ্ধিমান প্রেমাস্পদ নহয়! ফ্রাঙ্কফুর্টত তুমি মোৰ কাৰণে কেনে ধুনীয়া ধুনীয়া কাপোৰ কিনিছা! মই তোমাৰ কপালত এটা চুমা যাচিম, কিন্তু তাৰ কাৰণে তুমি ভিতৰলৈ যাব নালাগে।"

"নাবাও বাৰু," ৰূপৰ কটাৰী এখনেৰে মাটি-কঠালৰ টুকুৰা এটা কাটি তেওঁ ক'লে।

"আমাৰ পন এভিয়া বাহাল আছে জানো?" মাৰীয়া নিকোলায়েভনাই অর্থব্যঞ্জক সুৰত সুধিলে।

“নিশ্চয়।”

“ভাল। তুমি হাৰিবা।”

“মই ভাবোঁ এইবাৰ তুমি হাৰিবা, তোমাৰ আত্ম-বিশ্বাস যিমানেই নাথাকক লাগে।”

“কিহৰ পণ? মই জানিব পাৰোঁনে?” ছানিনে সুধিলে।

“একিয়া নহয়,” মাৰীয়া নিকোলায়েভনাই হাঁহি উত্তৰ দিলে।

সাত বাজিল। পৰিচাৰকে জনালে যে গাড়ী সাজু হৈছে। মাৰীয়া নিকোলায়েভনা আৰু ছানিন যোৱাৰ লগে লগে প'লোঝোভ চকীখনত বহিলগৈ।

আঠত্রিশ

মেডাম প'লোঝোভৰ কাৰণে বক্স আছুতীয়াকৈ ৰখা হৈছিল। তাৰ পাচপিনে ছোফাৰে সুসজ্জিত সৰু কোঠা এটা আছিল। বক্সটোৰ ভিতৰলৈ সোমোৱাৰ আগতে মাৰীয়া নিকোলায়েভনাই ছানিনক পাতল পৰ্দাখন টানিবলৈ অনুৰোধ কৰিলে।

“মানুহবিলাকে মোক দেখাটো মই একেবাৰে পছন্দ নকৰোঁ, কাৰণ মোক দেখা পালে সিহঁত জাকে জাকে ভিতৰ সোমাই আহিব।” তেওঁ ‘অডিটৰিয়াম'ৰ পিনে পিঠি দি ছানিনক তেওঁৰ কাষত বহুৱাই ললে। বক্সটো খালি যেন দেখা গ'ল।

বাদকসকলৰ যন্ত্ৰ-সঙ্গীত বাজি উঠিল। আঁৰকাপোৰ টানিলে। অভিনয় আৰম্ভ হ'ল।

মাৰীয়া নিকোলায়েভনাই প্ৰথম অঙ্কৰ আধাখিনি যোৱালৈকে ধৈৰ্য্য ধৰি বহি আছিল। কিন্তু যেতিয়া প্ৰেমিকে প্ৰেমিকাৰ বিশ্বাসঘাতকতাৰ কথা জানিলে তেতিয়া সি বুকুত ভুকুৱাই ভুকুৱাই বুকুৰ এটাৰ দৰে বাউচি জুৰিবলৈ ধৰিলে। তেওঁ আৰু সহ্য কৰিব নোৱাৰিলে।

" আটাইতকৈ বেয়া কৰাচী অভিনেতাজনেও সৰ্বশ্ৰেষ্ঠ জাৰ্মান অভিনেতাজনতকৈ ভালদৰে স্বাভাৱিকৰূপে অভিনয় কৰে!" তেওঁ খং আৰু ঘৃণাপৰবশ হৈ চিঞৰি উঠিল। কাষত থকা ছোফাখনত থপৰিয়াই তেওঁ ছানিনক ক'লে, " ইয়ালৈ আহক। আমি কথা পাতোঁ আহক।"

ছানিন তেওঁৰ ওচৰলৈ গ'ল।

অভিনেতাজনে গৃহশিক্ষকৰ ভাও লৈছিল। তেওঁৰ ভাও দেখি তেওঁৰ গাভৰু কালৰ কথা মনত পৰিল। তেওঁ কৰলৈ ধৰিলে, " এসময়ত ময়ো এজন গৃহশিক্ষকৰ প্ৰেমত পৰিছিলো। তেওঁ মোৰ প্ৰথম, অ' নহয়, তেওঁ মোৰ দ্বিতীয় প্ৰেমিক আছিল। মই প্ৰথমতে এজন সাধাৰণ ডেকা পাদুৰীৰ প্ৰতি আসক্তা হৈছিলো। মোৰ তেতিয়া বাৰ বছৰ। মই ৰবিবাৰে ৰবিবাৰেহে তেওঁক দেখা পাইছিলো। আমাৰ ঘৰুৱা শিক্ষকজনৰ নাম আছিল মঁচিয়ে গাস্তন। তেওঁ এজন বৰ বিদ্বান আৰু কঢা শিক্ষক আছিল। তেওঁ চুইজাৰলেণ্ডৰ লোক আছিল। পিতাই লিখা-পঢা প্ৰায় নাজানিছিল, কিন্তু তেওঁ আমাক উপযুক্ত শিক্ষা দিছিল। মই এনেকি লেটিনো জানোঁ।"

" লেটিনো জানে ?"

" হয়। তেওঁ মোক লেটিন শিকাইছিল। মই তেওঁৰ লগত এনিড পঢিছিলো। অতি নীৰস যদিও ইয়াত কিছুমান ধুনীয়া ধুনীয়া কথা আছে। হাবিৰ মাজত ডিডো আৰু এনিয়াছৰ কথা আপোনাৰ মনত আছে নে ?"

" হয়, আছে," তভালিকে ছানিনে ক'লে। দৰাচলতে ছানিনে বহুদিন আগতে লেটিন পাহৰি গৈছিল আৰু এনিডৰ ক্ষীণ আভাস মাত্ৰ তেওঁৰ মনত আছিল।

মাৰীয়া নিকোলায়েভনাই ছানিনৰ মুখৰ পিনে কেৰাহিকৈ চালে। " কিন্তু আপুনি নাভাবিব যে মই বৰ শিক্ষিতা। একমাত্ৰ ভগবানেহে জানে মই কিমান শিক্ষিতা। মোৰ কোনো পাৰদৰ্শিতা নাই। মই

কথমপিহে লিখিব পাৰোঁ .... মই এনেকি ডাঙৰকৈ পঢ়িব নোৱাৰোঁ। পিয়ানো বজাব নোৱাৰোঁ, ছবি আঁকিব নাজানোঁ আৰু চিলাইৰ কামো নাজানোঁ। — একোকে নাজানোঁ। মোক আপুনি যেনেভাৱে দেখিছে তাতকৈ মই আন একো নহয়।"

তেওঁ হাত দুখন মেলি দি কবলৈ ধৰিলে, "মই যে আপোনাক এইবোৰ বলকিছো, তাৰ প্ৰথম কাৰণ মই সেই পঙ্গুবিলাকৰ কথা শুনিবলৈ ইচ্ছা নকৰোঁ। (তেওঁ ৰঙ্গমঞ্চৰ পিনে আঙুলিয়াই দেখুৱালে। ঠিক সেই সময়তে অভিনেতাজনৰ পৰিবৰ্ত্তে অভিনেত্ৰী গৰাকীয়ে চিঞৰি চিঞৰি ভাও দি আছিল) আৰু দ্বিতীয় কাৰণ হ'ল, মই আপোনাৰ ওচৰত ঋণী, কিয়নো কালি আপুনি আপোনাৰ বিষয়ে কৈছিল।"

"মোৰ বিষয়ে জানিব খোজাটো আপোনাৰ অনুগ্ৰহ মাথোন," ছানিনে মন্তব্য কৰিলে।

মাৰীয়া নিকোলায়েভনাই হঠাতে তেওঁৰ পিনে চালে।

"আৰু মই কেনে ধৰণৰ তিৰোতা তাক জানিবলৈ আপুনি জানো অনুগ্ৰহ নকৰে?" ছোকাখনত আঁউজি তেওঁ ক'লে। "যেতিয়া কোনো এজন মানুহে বিয়া কৰাবলৈ ওলায়, আৰু বিশেষকৈ প্ৰেমত পৰি, তেতিয়া আন তিৰোতাৰ কথা ভাবিবলৈ তেওঁৰ জানো অৱকাশ থাকে?"

যি ধূঁৱলি-কুঁৱলিয়ে যোৱা দুদিন ধৰি ছানিনৰ উশাহ-নিশাহ প্ৰায় বন্ধ কৰিছিল আৰু মনটো তিমিৰাচ্ছন্ন কৰিছিল, সেই ধূঁৱলি-কুঁৱলি যেন তেওঁ আকৌ অনুভব কৰিলে।

"আপুনি এতিয়া আপোনাৰ বাক্‌দত্তাৰ সান্নিধ্য উপভোগ কৰিব নোৱাৰে। মোৰ কাষত বহাৰ বাহিৰে এতিয়া আৰু আপোনাৰ আন উপায় নাই। আপোনাৰ মনোভাব মই ভালকৈ বুজিছো আৰু আপুনি য'লৈকৈ যায় ত'লৈকে যাবলৈ দিবৰ কাৰণে মই

আপোনাক কথা দিছো। কিন্তু আপুনি এতিয়া মোৰ কথা শুনক। মই সবাতোকৈ কি ভাল পাওঁ, তাক আপুনি জানিবলৈ ইচ্ছা নকৰে জানো ?"

"স্বাধীনতা," ছানিনে অনুমান কৰি ক'লে।

মাৰীয়া নিকোলায়েভনাই তেওঁৰ হাতখন ছানিনৰ হাতৰ ওপৰত থলে।

"হয়, ডিমিত্রি পাভলোভিচ," তেওঁ গহীনাই ক'লে। "স্বাধীনতা সবাবো ওপৰত, সবাবো আগত। মই সদায় স্বাধীন হৈ আছো আৰু মৃত্যুৰ পূৰ্বমুহূৰ্ত্তলৈ স্বাধীন হৈয়ে থাকিম। শৈশৱত মই অশেষ দাসত্বৰ বোজা বহন কৰিছিলোঁ, কিন্তু কিন্তু মোৰ শিক্ষাগুৰু মঁচিয়ে গাস্তনে মোৰ চকু মোকলাই দিছে। বোধহয় এতিয়া আপুনি বুজিছে ইপ্পোলিট চিডোৰিকক কিয় মই বিয়া কৰাইছিলো। তেওঁৰ লগত মই স্বাধীন, সম্পূৰ্ণ স্বাধীন, বতাহৰ দৰে স্বাধীন বিয়াৰ আগতে মই এই কথা জানিছিলো। তেওঁৰ লগত বিয়া সোমালে মই নিজেই নিজৰ ওপৰত কৰ্ত্ৰী হম — মনোময়-গতিত চলিব পাৰিম।"

তেওঁ মুহূৰ্ত্তৰ বাবে থমকিল আৰু হাতৰ বিচনীখন কাষত থলে।

"আৰু এটা কথা। মই কৰ্মফলৰ কথা কেতিয়াও নাভাবোঁ — কেতিয়াও তাৰ বাবে অনুশোচনা নকৰোঁ — ফলাফল যিয়েই নহওক লাগে। ইহ জগতত কোনেও মোৰ কাৰ্য্যৰ কৈফিয়ৎ তলব কৰিব নোৱাৰে আৰু সিপুৰীত যেতিয়া মোৰ বিচাৰ হব তেতিয়া আৰু মই, মই হৈ নাথাকিম। আপুনি শুনি বেয়া পাইছে নেকি ?"

"নাই, অলপো বেয়া পোৱা নাই। কিন্তু মই নিজকে প্ৰশ্ন কৰিছোঁ — আপুনি নো মোৰ আগত এইবোৰ কোৱাৰ অৰ্থ কি ?"

মাৰীয়া নিকোলায়েভনাই ছোফাখনত অলপ লৰচৰ কৰি ক'লে, "নিজকে সোধক · আপুনি অলপ কম বুজেনেকি ? নে, ই আপোনাৰ শ্লীলতা মাত্ৰ ?"

ছানিনে আকৌ ওপৰলৈ মুৰ তুলি ভেবা লাগি চাই থাকিল।

"মই যে এইবোৰ বলকিছো," গহীন সুৰত তেওঁ ক'লে। "তাৰ কাৰণ হৈছে মই আপোনাক ভাল পাওঁ। আচৰিত নহব, মই খেমালি কৰা নাই। কাৰণ, আপুনি মোৰ অপ্ৰীতিকৰ স্মৃতি এটা লৈ যোৱাটো মই কামনা নকৰোঁ। সেই কাৰণেই মই আপোনাক প্ৰলোভিত কৰি ইয়ালৈ আনিছো, আপোনাৰ লগত অকলশৰীয়া হৈ বহিছো আৰু ইমান খোলাখুলিকৈ কথা কৈছো। মই মিছা কোৱা নাই।"

"কেনে সৰ্পিনী, কেনে কালসৰ্পিনী। কিন্তু কেনে ধুনীয়া কালসৰ্পিনী!" ছানিনে মনতে ভাবিলে।

খন্তেকৰ কাৰণে তেও' তেওঁৰ হাতখন ছানিনৰ হাতৰ ওপৰত ৰাখিলে।

তেওঁ ছানিনক কাণে কাণে ক'লে, "ইমান গম্ভীৰ নহব। শুনক, কোনেও মোক শৃঙ্খলিত কৰিব নোৱাৰে আৰু ময়ো কাকো শৃঙ্খলিত কৰিব নোখোজোঁ। মই স্বাধীনতা ভাল পাওঁ — বাধ্যবাধকতাৰ ওচৰত সেও নামানোঁ আৰু আনৰ ক্ষেত্ৰতো তাকে বিচাৰোঁ। চাওঁ, অলপ তেহেলৈ যাওক। আমি এতিয়া অভিনয়ৰ পিনে মনোযোগ দিওঁহক।"

উনচল্লিশ

মাৰীয়া নিকোলায়েভনা আৰু ছানিন অলপ পিচতে আকৌ কথা-বতৰাত নিমগ্ন হ'ল। আগৰ দৰেই তেওঁলোকৰ মাজত কথোপ-কথন চলিল, কিন্তু এইবেলি ছানিন সিমান নিস্তব্ধ হৈ থকা নাছিল। ভিতৰে ভিতৰে তেওঁৰ নিজৰ ওপৰত আৰু মাৰীয়া নিকোলায়েভনাৰ ওপৰত খং উঠিছিল। তেওঁ মাৰীয়া নিকোলায়েভনাৰ সিদ্ধান্তৰ যুক্তিহীনতা সাব্যস্ত কৰিবলৈ চেষ্টা কৰিলে। ছানিনৰ যুক্তি প্ৰদৰ্শনত তেওঁ মনে মনে আনন্দ লভিলে, কিয়নো ছানিনে যুক্তি দৰ্শোৱা মানে বশ্যতা স্বীকাৰ কৰিবলৈ যোৱা আৰু শেষত বশ্যতা স্বীকাৰ কৰা। তেওঁ ৰৰণীৰ মাছৰ দৰে টোপ গিলিব, হাৰ মানিব, পোহ মানিব দুয়োৰে মুখ দুখন ক্ৰমশ ওচৰা-উচৰি হ'ল, — ছানিনৰ চকু দুটা এতিয়া আৰু মাৰীয়া নিকোলায়েভনাৰ চকু দুটাৰ পৰা আঁতৰি নহা হ'ল তেওঁ ছানিনৰ মুখৰ পিনে, দেহাবয়বৰ পিনে চালে, প্ৰতিদানত ছানিনে হাঁহিলে। ছানিনে ভালপোৱা আৰু বৈবাহিক জীৱনৰ পবিত্ৰতা, কৰ্ত্তব্যপৰায়ণতা, সাধুতা আদিৰ বিষয়ে যুক্তি প্ৰদৰ্শন কৰিলে আৰু এই সকলোবোৰে মাৰীয়া নিকোলায়েভনাৰ অভিসন্ধি চৰিতাৰ্থ কৰাত ইন্ধন যোগালে।

অভিনয় শেষ হোৱাত মাৰীয়া নিকোলায়েভনাই ছানিনক তেওঁ শাল কাপোৰখন গাত মেৰাই দিবলৈ অনুৰোধ কৰিলে। ছানিনে কাপোৰখন গাত মেৰাই দিওঁতে, তেওঁ নিশ্চল হৈ থাকিল। তেওঁ ছানিনক হাতত ধৰি বাৰান্দালৈ ওলাই আহোঁতে দুৱাৰমুখত ডন ডনহফক দেখি আচৰিত হ'ল। ডনহফে তেওঁৰ গাভীখন বিচাৰি

উলিয়াই দিবলৈ তেওঁৰ অনুমতি বিচাৰিলে। মাৰীয়া নিকোলায়েভনাই তেওঁক ধন্যবাদ জনাই ক'লে যে সেই কামটো তেওঁৰ লণ্ডৱাটোৱে কৰিব। ভন ভনহুফে লাজ পালে আৰু ছানিনৰ পিনে চাই ঘৃণাৰ ভাব এটা দেখুৱালে। বাহিৰত লণ্ডৱাটোৱে মাৰীয়া নিকোলায়েভনাক বাট চাই আছিল।

গাড়ীৰ ভিতৰত সোমাই মাৰীয়া নিকোলায়েভনাই ছানিনক কলে, "মোৰ দৃঢ় বিশ্বাস আপুনি মোৰ শেষ অনুৰোধ এটা প্রত্যাখ্যান নকৰে। মনত ৰাখিব তিনি দিন পিচতেই মই পেৰিছলৈ ৰাওনা হম আৰু আপুনি ফ্রাঙ্কফুর্টলৈ উভতি যাব। কোনে জানে আমাৰ ভিতৰত কেতিয়া আকৌ দেখা-দেখি হব!"

অলপ সময় নিমাত হৈ তেওঁ পুনৰ সুধিলে, "আপুনি বোধহয় ঘোঁৰাত উঠিব পাৰে?"

"নিশ্চয়।"

"ভালেই হ'ল। কাইলৈ ৰাতিপুৱা ঘোঁৰাত উঠি আমি নগৰৰ বাহিৰলৈ ফুৰিবলৈ যাম। আপুনি কেৱল কওঁক 'যাম'।"

"ভাল, যাম।" ছানিনে হুমুনিয়াহ এটা কাঢ়ি ক'লে।

"কিয় হুমুনিয়াহ কাঢ়িছে? টকাৰ কাৰণে কোনো চিন্তা নকৰিব। মই মোৰ কথা ৰাখিম। এয়া মোৰ সোঁহাত—ব্যৱসায়ৰ হাত। ধৰক, ইয়াক বিশ্বাস কৰক। মই নিজেই নাজানো মই কেনে ধৰণৰ তিৰোতা। কিন্তু দেনা-পাউনাৰ ক্ষেত্রত আপুনি মোক সম্পূর্ণ বিশ্বাস কৰিব পাৰে — সেই ক্ষেত্রত অন্ততঃ মোৰ সাধুতা বিদ্যমান।

ছানিনে অতর্কিতে মাৰীয়া নিকোলায়েভনাৰ হাতখন তেওঁৰ ওঁঠ দুটাৰ কাষলৈ টানি নিলে। তেওঁ ধীৰে ধীৰে হাতখন পিচুৱাই নি হঠাতে নিমাত হৈ পৰিল। গাড়ীখন নৰমা পর্য্যন্ত তেওঁৰ মুখৰপৰা এটা কথাও নোলাল।

ছানিনে উভতি গৈ দেখিলে জেমাৰপৰা অহা চিঠি এখন টেবুলৰ ওপৰত পৰি আছে। চিঠিখনত মাত্র কেইশাৰীমান কথা লিখা

আছিল। আৰতুণিৰে পৰা ছানিনৰ উদ্দেশ্য সাধনৰ অনুকূল পৰিস্থিতিৰ কথা জানিব পাৰি তেওঁ সন্তোষ প্ৰকাশ কৰিছিল, উপদেশ দিছিল আৰু শেষত কৈছিল যে ঘৰত আটায়ে ভালে আছে আৰু তেওঁৰ প্ৰত্যাগমনলৈ সকলোৱে আনন্দ মনে বাট চাই আছে। ছানিনৰ মানত চিঠিখন নীৰস যেন লাগিল। তেওঁ কলমটো হাতত ললে আৰু এখিলা কাগজ আনিলে, কিন্তু পিচ মুহূৰ্ত্ততে কাগজ-কলম থৈ দিলে। "মই আৰু কি লিখিম? কাইলৈ তো উভতি যামেই!"

তেওঁ তত্তালিকে বিছনালৈ গ'ল, কাৰণ বিছনালৈ নগৈ সাৰে থাকিলে তেওঁ জেমাৰ কথা ভাবিব লাগিব। জেমাৰ বিষয়ে ভাবিবলৈ তেওঁ লাজ পালে। বিবেকে অন্তৰত তেওঁক তাড়না দিলে। কিন্তু তেওঁ দৃঢ়সঙ্কল্প হ'ল যে কাইলৈ সকলো শেষ হ'ব, সেই অদ্ভুত তিৰোতাজনীক চিৰকালৰ বাবে বিদায় দিব আৰু এই নিৰৰ্থক কথোপ-কথনৰ কথা পাহৰি যাব।

অলপ-খতুৰা লোকে নিজৰ বিষয়ে আলোচনা কৰোতে এনে দৰে বৰ বৰ কথা কবলৈ ভাল পায়।

চল্লিশ

পিচদিনা ৰাতিপুৱা মাৰীয়া নিকোলায়েভনাই ছানিনৰ কোঠাটোৰ দুৱাৰত অস্থিৰভাৱে টুকৰিয়াই ক'লে, "আপুনি প্ৰস্তুত হৈছেনে?"

কোটটোৰ বুতাম মাৰি হেট এটা পিন্ধি ছানিন তললৈ নামি আহিল। মাৰীয়া নিকোলায়েভনাই উজ্জ্বল চাৱনি এটাৰে ছানিনৰ পিনে চাই মুখ ঘূৰালে আৰু খট্‌খটাৰে তললৈ নামি আহিল। ছানিনে তেওঁৰ পাচ ললে।

বাহিৰত ঘোঁৰা তিনিটা সাজু আছিল। মাৰীয়া নিকোলায়েভনাৰ

কাৰণে ঘুঁৰী এজনী, ছানিন আৰু চহীচৰ কাৰণে ঘোঁৰা হুটা। ছানিনে মাৰীয়া নিকোলায়েভনাৰ পিনে চাই চাই পাচে পাচে ঘোঁৰা চলাইছিল। মাৰীয়া নিকোলায়েভনাই তেওঁৰ ক্ষীণ, আলসুৱা দেহটোত পৰিপাটিকৈ আৰু ঢিলাকৈ কৰ্ছেট এটা পিন্ধিছিল আৰু লয়লাস ভঙ্গীত গা ঢুলিয়াই ঢুলিয়াই গৈ আছিল। তেওঁ পাচলৈ চাই চকুযুৰিৰে ছানিনক আহ্বান কৰিলে। তেওঁ নিমিষতে মাৰীয়া নিকোলায়েভনাক লগ ধৰিলে।

"কেনে লাগিছে? ভাল লগা নাই জানো? বিদায় লোৱাৰ পূৰ্বে মই আপোনাক জনাব খোজো যে আপুনি প্ৰেমাৰ্হ — আৰু ইয়াৰ কাৰণে আপুনি কেতিয়াও আক্ষেপ কৰিবলগীয়া নহয়।" শেষৰ ফালৰ কথা কেইটা কৈ তেওঁ কেইবাবাৰো মূৰ দুপিয়ালে যাতে কথা কেইটাই জোৰ বুজায় আৰু ছানিনে ইয়াৰ তাৎপৰ্য্য উপলব্ধি কৰে।

মাৰীয়া নিকোলায়েভনাৰ অসীম উল্লাস দেখি ছানিন আচৰিত হৈছিল। সৰু ল'ৰা-ছোৱালীবোৰে আনন্দত আপোন-পাহৰা হ'লে মুখত যি চেহেৰা বিৰিঙি উঠে তেওঁৰ মুখতো আজি সেই চেহেৰা।

নগৰ-প্ৰান্তলৈ তেওঁলোক ধীৰে ধীৰে গৈ আছিল, কিন্তু তাৰ পিচত তেওঁলোকে কদমত ঘোঁৰা চলাইছিল। গ্ৰীষ্ম কালৰ সিদিনাৰ দিনটো সচাকৈয়ে বৰ মনোৰম আছিল। মুখৰ ওপৰেদি বতাহৰ সোঁত ভাহি গৈ দুয়োৰে কৰ্ণকুহৰত এটি মৃদু গুঞ্জন তুলিছিল। উভয়ে আনন্দ-মুখৰ হৈ উঠিছিল। উভয়ৰ মুকলি-মূৰীয়া গতিত জীৱন-যৌৱনৰ উদ্দাম-বাসনা জীৱন্ত হৈ উঠিছিল। যিমানেই তেওঁলোক আগবাঢি গৈছিল তিমানেই ইয়াৰ মাত্ৰা চৰিছিল। মাৰীয়া নিকোলায়েভনাই ঘোঁৰাৰ লেগাম টানি ধীৰে ধীৰে খাবলৈ ধৰিলে। ছানিনেও তাকে কৰিলে।

ঘোঁৰা চহীচটো তেওঁলোকৰ পাচে পাচে অহাৰ কাৰণে মাৰীয়া নিকোলায়েভনাই বিৰক্তি বোধ কৰিছিল আৰু তাৰপৰানো

কেনেকৈ হাত সাৰিব পাৰে তাৰে উপায় চিন্তা কৰিছিল। এবাৰ ভাবিলে চিঠি এখন লিখি ডাক নগৰলৈ পঠাব, কিন্তু পিচ মুহূৰ্ত্তত ভাবিলে সেইটো ঠিক নহব। ওচৰতে এখন চৰাইখানা আছিল। তেঁও সিদ্ধান্ত কৰিলে যে সি তাতে মদ খাব আৰু তেওঁলোক উলটি নহা পৰ্য্যন্ত তাতে বাট চাব।

"সি কি ভাবিব?" ছানিনে প্ৰশ্ন কৰিলে।

"যিয়েই নাভাবক, তাৰ ভবা-নভবাৰ লগত আমাৰ সম্পৰ্ক কি? সি একো নাভাবে, সি কেৱল মদ খাব। আহঁ, ছানিন। (এয়া প্ৰথম বাৰৰ কাৰণে তেওঁ ছানিনক ঘৰুৱা নামত মাতিলে।) ব'লাঁ, কদমত ব'লাঁ!"

মদৰ দোকান পোৱাৰ লগে লগে মাৰীয়া নিকোলায়েভনাই চহীচজনক তাতে থাকিবলৈ ক'লে। সি আদেশ পালন কৰিলে।

দুয়ো এতিয়া বতাহৰ দৰে মুকলি-মূৰীয়া হৈ কদমত ঘোঁৰা চলালে।

"সৌৱা কেনে ধুনীয়া হাবি, কেনে সুন্দৰ পৰ্বত! ব'লা, আমি তালৈ যাওঁ ব'লাঁ!" এনেদৰে কৈ দুয়ো পৰ্বতাভিমুখে ৰাওনা হ'ল।

একচল্লিশ

ৰহল আলিটো ক্ৰমশঃ সৰু হৈ আহি নৰ্দমা এটাৰ পাৰত একেবাৰে নেদেখা হৈ পৰিল। ছানিনে মাৰীয়া নিকোলায়েভনাক উপদেশ দিলে — "এতিয়া উলটি যোৱাই ভাল হব।" উত্তৰত তেওঁ ক'লে, "নাই, মই সৌ পৰ্বতলৈ যাব খোজোঁ। কাউৰীৰ নিচিনাকৈ আমি পোনাই পোনাই আগবাঢ়োঁহক।" তেওঁৰ ইঙ্গিতত ঘোঁৰাজনীয়ে জাঁপ মাৰি নৰ্দমাটো পাৰ হ'ল। ছানিনেও তাকে কৰিলে। দুয়ো এতিয়া এখন ঘাঁহনি পথাৰত সোমাল— প্ৰথমতে শুকান, তাৰ পাচত সেমেকা আৰু শেষত প্ৰায় জলাশয়ৰ নিচিনা বোকা-পানী ওলোৱা। তেওঁ ইচ্ছা কৰিয়ে এই বোকা-পানীৰ ওপৰে ওপৰে ঘোঁৰা চলাইছিল। দুয়ো যেন সৰু ল'ৰা-ছোৱালীৰ দৰে খেলা কৰিছিল। ছানিনে মাৰীয়া নিকোলায়েভনাৰ মুখৰ পিনে চাই চাই অনেক জান-জুৰি, নৰ্দমা আৰু খলাবমা ঠাই অতিক্ৰম কৰিলে। কি যে ধুনীয়া মুখখনি, যেন এটি প্ৰস্ফুটিত গোলাপ কলি! উন্মীলিত, লুব্ধ, দীপ্ত, বন্য চকুযুৰি! নিমীলিত অধৰযুগল, প্ৰসাৰিত নাসিকা ৰন্ধ্ৰ — সব্যগ্ৰ বায়ু-ভক্ষণ-নিৰত। তেওঁ সন্মুখৰ পিনে উন্মুক্ত দৃষ্টি নিক্ষেপ কৰিলে, তেওঁৰ নিৰ্ভীক অন্তৰাত্মাই যেন চন্দ্ৰ-সূৰ্য্য, গ্ৰহ-নক্ষত্ৰ, আকাশ-বতাহ সবাকো সামৰি ললে। তেওঁৰ মনত কোনো শঙ্কা নাই, কোনো দ্বিধা নাই, তেওঁ যেন অজেয়, অভেদ্য। অন্তৰত জাগি উঠিল তেওঁৰ দুৰ্দম পাশৱিক প্ৰবৃত্তি।

অৱশেষত ঘোঁৰাৰ লেগাম টানি মনৰ অনন্ত উল্লাসত মাৰীয়া নিকোলায়েভনাই ছানিনক কুচ্কুচাই কবলৈ ধৰিলে, "এয়া জানো প্ৰকৃত আনন্দ নহয়?"

" নিশ্চয়।" ছানিনৰ ধমনিত্তো নাচি উঠিল ৰক্তৰ উত্তাল তৰঙ্গ।

" ধৈৰ্য্য ধৰা। এয়ে নহয় আৰু আছে • ••• মই কৈছিলো নহয় যে মই তোমাক হাৰিলৈ নিম, পৰ্বতলৈ নিম। সৌৱা পৰ্বত।"

ছুয়ো গৈয়ে থাকিল।

" তোমাৰ বয়স কিমান?" হঠাতে মাৰীয়া নিকোলায়েভনাই প্ৰশ্ন কৰিলে।

" বাইশ বছৰ।"

" সঁচাই নে? মোৰো বাইশ বছৰ। উপযুক্ত বয়স। আমাৰ ছুজনাৰ বয়স একেলগ কৰিলেও বাৰ্দ্ধক্যলৈ বহু দূৰ বাকী থাকে। উঃ! কি যে গৰম! মই খুব ৰঙা পৰিছো নেকি?"

" যেনিবা এটি পপি ফুলহে।"

হাতত থকা ৰুমালখনেৰে তেওঁ মুখখন মছি ললে।

" বননিৰ মাজলৈ গলে দেহ-মন জুৰ পৰি যাব। পুৰণি বন্ধু এজনৰ দৰে পুৰণি এই বননিখনি! তোমাৰ কোনোবা পুৰণি বন্ধু আছে জানো?"

" এৰা আছে। কিন্তু বেছি নাই। প্ৰকৃত বন্ধু কোনো নাই," ছানিনে বৈ বৈ ভাবিলে।

"মোৰ প্ৰকৃত বন্ধু আছে, কিন্তু সিহঁত বয়সীয়াল নহয়। এয়া ঘোঁৰাজনী — এইজনী প্ৰকৃত বন্ধু। চোৱাঁ, কেনে সাৱধানে তাই মোক পিঠিত তুলি লৈ যায়! ইয়াত থাকি কিমান যে ভাল লাগিছে! পৰহিদিনালৈ মই জানো পেৰিছলৈ যাব পাৰিম?"

" এৰা, তুমি জানো যাব পাৰিবা?"

" তুমি ফ্ৰাঙ্কফুৰ্টলৈ যাবা নেকি?"

" নিশ্চয় যাম।"

" বেচ কথা। তোমালোকৰ জীৱন মধুৰ হওক! কিন্তু আজিৰ দিনটো—আজিৰ দিনটো আমাৰ—আমাৰ।"

ধোঁৱা ছুটা পাহাৰৰ দাঁতি পালেগৈ আৰু লাহে লাহে বিস্তৃত সুশীতল ছাঁৰ মাজত লুকাই পৰিল।

"স্বৰ্গৰ নন্দন-কানন ক'তা? এয়ে নহয় জানো? গভীৰ অৰণ্যৰ পিনে আৰু! আগ বাঢ়ো ব'লা! .. যাদুমন্ত্ৰত তোমাৰ বিশ্বাস আছেনে?"

"যাদু-মন্ত্ৰত?"

"এৰা, মই হ'লে বিশ্বাস কৰোঁ—আৰু তুমিও এদিন নহয় এদিন বিশ্বাস কৰিবা।"

"যাদু-মন্ত্ৰ! সকলো সম্ভৱ। মই আগতে বিশ্বাস কৰা নাছিলো কিন্তু এতিয়া কৰিছো। মই নিজকে পাহৰি গৈছো।"

দৰাচলতে ছানিনৰ অন্তৰত তোলপাৰ লাগিছিল। প্ৰতি সিৰা-উপসিৰা বেহেলাৰ তাঁৰৰ দৰে টান হৈ পৰিছিল। তেওঁ যেতিয়া নিজকে পাহৰি যোৱা বুলি কৈছিল, তেওঁ অন্তৰৰ কথাই কৈছিল। তেওঁক প্ৰকৃততে মন্ত্ৰ-মুগ্ধ যেন দেখা গৈছিল। কেৱল এটা কথা, এটা চিন্তা, এটা আকাঙ্ক্ষাত তেওঁৰ অন্তৰ উপচি পৰিছিল।

হঠাতে শুনা গ'ল গছৰ ওপৰেদি বায়ুমণ্ডল আলোড়িত কৰি অহা এটা বিৰাট শব্দ।

"কিহৰ শব্দ? বজ্ৰপাতৰ নেকি?"

"হব পাৰে।"

"সঁচাই আজিৰ দিনটো প্ৰকৃত ছুটীৰ দিন। আজিয়ে চূড়ান্ত আনন্দৰ দিন!"

আগৰ বাৰতকৈও ডাঙৰ গৰ্জন এটা শুনা গ'ল, বায়ুমণ্ডল প্ৰতিধ্বনিত হ'ল।

"এতিয়া আমি কৰবাত আশ্ৰয় লব লাগিব।"

"ঘৰলৈ উভতিবা নেকি?"

"ঘৰলৈ?" বক্ৰোক্তি কৰি মাৰীয়া নিকোলায়েভনাই ক'লে।

"মোৰ পাচে পাচে আহাঁ।" তেওঁৰ কণ্ঠত ৰুক্ষ স্বৰ।

দুয়ো গৈ গৈ পৰ্বতলৈ উঠি যোৱা সৰু বাট এটা পালে। লাহে লাহে দুয়ো অটব্য হাবিৰ মাজত সোমাই পৰিল। মাৰীয়া নিকোলায়েভনাই কিন্তু সম্পূৰ্ণৰূপে জানিছিল দুয়ো ক'লৈ গৈছে। তেওঁ কোনো কথা কোৱা নাছিল আৰু পাচৰ পিনে এবাৰো চোৱা নাছিল — সগৰ্বে আগ বাঢ়ি গৈছিল আৰু ছানিনে একান্ত বাধিতৰ দৰে তেওঁৰ পাচ লৈছিল। তেওঁৰ স্পন্দিত বুকুত মনোবলৰ ক্ষুদ্ৰ কণিকা এটাও নোহোৱা হৈ পৰিছিল। কিন্‌কিনীয়া ৰৰষুণ এজাক আহি পালে। মাৰীয়া নিকোলায়েভনাই ঘোঁৰা ক্ষীপ্ৰ গতিত চলালে। ছানিনো পিচ হুহঁকি নাথাকিল। অৱশেষত গাঢ় সেউজীয়া দেবদাৰু গছ-পুলিবোৰৰ মাজেদি ওলমি থকা ডাঙৰ শিল এটাৰ তলত কাঠৰ দুৱাৰ লগোৱা জুপুৰি ঘৰ এটা তেওঁৰ চকুত পৰিল। দুৱাৰখনৰ ঠিক সন্মুখতে মাৰীয়া নিকোলায়েভনাই ঘোঁৰাৰপৰা অৱতৰণ কৰিলে। তেওঁ ফুচ ফুচাই মাতিলে, " এনিছ। "

চাৰিঘণ্টা পিচত মাৰীয়া নিকোলায়েভনা আৰু ছানিন ৱিজবাডেনৰ হোটেললৈ উভতি আহিল। জীনৰ ওপৰত টোপনিয়াই টোপনিয়াই চহীচজনো তেওঁলোকৰ লগত আহিছিল। মঁচিয়ে প'লোঝোভে মাৰীয়া নিকোলায়েভনাৰ পিনে সন্দিগ্ধ চকুৰে চাই অসন্তুষ্টিৰ ভাব প্ৰকাশ কৰিলে। " তুমি মোৰ অস্তিত্ব নোহোৱা বুলি ভাবিছা নেকি ? " তেওঁ ভোৎ-ভোৎাই কৈ উঠিল।

উত্তৰত মাৰীয়া নিকোলায়েভনাই কান্ধ জোঁকাৰিলে মাত্ৰ।

অধঃপতিত আৰু ধ্বংসপ্ৰাপ্ত হৈ সিদিনাই আৰু দুঘণ্টা পিচত ছানিন তেওঁৰ কোঠাটোৰ ভিতৰত মাৰীয়া নিকোলায়েভনাৰ সন্মুখত থিয় হৈ ৰ'ল।

"তুমি এতিয়া ক'লৈ যাবা ? — পেৰিছলৈ নে ফ্ৰাঙ্কফুৰ্টলৈ ?"

"তুমি য'লৈ যোৱা মন্নো তা'লৈ যাম আৰু গঁতিয়াই বাহিৰ কৰি নিদিয়া পৰ্য্যন্ত তুমি য'তেই থাকা মন্নো তাতেই থাকিম," উন্মত্তপ্ৰায় হৈ ছানিনে ক'লে আৰু মাৰীয়া নিকোলায়েভনাৰ ওচৰত আঁঠু লৈ হাত দুখনত চুমা খালে। তেওঁ হাত দুখন একৰাই আনি ছানিনৰ মূৰৰ ওপৰত থলে আৰু হঠাতে দহোটা আঙুলিৰে তেওঁৰ চুলিকোছাত খামোচ মাৰি ধৰিলে। লাহে লাহে আঙুলিকেইটা আগবঢ়াই দি চুলিবোৰ আঁজুৰিবলৈ ধৰিলে। ওঁঠ দুটা কামুৰি বিজয়ৰ মিচিকি হাঁহি এটা মাৰিলে। উন্মুক্ত শুভ্ৰোজ্জ্বল নেত্ৰদ্বয়ে মাত্ৰ ঘোষণা কৰিলে নিৰ্ম্মম উদাসিনতা আৰু বিজয়ৰ পৰিতৃপ্তি। চিকাৰ কৰি অনা চৰাই এটাক নখেৰে ছিন্ন-বিচ্ছিন্ন কৰোতে শেন চৰাইৰ চকু দুটা যেনে দেখা যায় মাৰীয়া নিকোলায়েভনাৰ চকু দুটাও ঠিক তেনে দেখা গৈছিল।

বিযাল্লিশ

ছানিনে তেওঁৰ নিজান পঢ়া কোঠাটোত পুৰণি কাগজ-পত্ৰবোৰ চাওঁতে গাৰ্নেট ক্ৰছটো তেওঁৰ হাতত পৰিছিল আৰু লগে লগে তেওৰ ওপৰৰ কথাবোৰ মনত পৰিছিল। তেওঁৰ অন্তঃচক্ষুৰ আগত এটাৰ পাচত এটাকৈ সকলো ঘটনা জ্বলজ্বল্ পট্‌পট্‌কৈ ভাহি উঠিছিল। কিন্তু মেডাম পলোঝোভাৰ ওচৰত কৰা হেয় প্ৰাৰ্থনাৰ কথা, তেওঁৰ ওচৰত আঁঠু লোৱাৰ কথা, আৰু তাৰ পিচত দাসত্বৰ সূচনাৰ কথা যেতিয়া তেওঁৰ মনত পৰিছিল, তেতিয়া কোনো কথাই তেওঁ কব নোৱাৰা হৈছিল, তেওঁ অসহ্য বেদনা অনুভব কৰিছিল। তেওঁৰ যে স্মৃতিশক্তি বিলুপ্ত হৈছিল এনে নহয়—কেতিয়াও হোৱা নাছিল। ইয়াৰ পিচত যিবোৰ ঘটনা ঘটিছিল সেইবোৰৰ কথাও তেওঁৰ ভালকৈ

মনত আছিল , কিন্তু এনেকি, এতিয়াও, ইমান বছৰৰ মূৰতো সেইবোৰ কথা সুঁৱৰি লাজ-অপমানত তেওঁ মৃতপ্ৰায় হৈছিল। নিজৰ ওপৰত তেওঁৰ দাৰুণ ধিক্কাৰ জন্মিছিল। অতীতৰ স্মৃতিবোৰ , তেওঁ মানসপটৰপৰা আঁতৰাবলৈ চেষ্টা কৰিছিল, কিন্তু একেবাৰে সেইবোৰ বিসৰ্জন দিব নোৱাৰিছিল। জেমালৈ দিয়া তেওঁৰ দুৰ্ভগীয়া, নীচ, কপট চিঠিখনৰ কথা তেওঁৰ মনত পৰিছিল, যিখন চিঠিৰ উত্তৰ তেওঁ জেমাৰপৰা পোৱা নাছিল। এনেকুৱা কপটতা, এনেকুৱা প্ৰবঞ্চনাৰ পিচত জেমাৰ ওচৰলৈ উভতি যাবলৈ আৰু জেমাৰ আগত মুখ দেখুৱাবলৈ তেওঁৰ সাহস হোৱা নাছিল—তেতিয়াও তেওঁৰ যথেষ্ট বিবেক, যথেষ্ট আত্ম-সম্মান আছিল। তেওঁ জেমাৰ চিঠিখনৰ উত্তৰ দিয়া নাছিল। ছানিনৰ আকৌ মনত পৰিছিল—ছিঃ, ছিঃ! কি যে লাজৰ কথা! কেনেকৈ তেওঁ প'লোঝোভৰ চাকৰটোক তেওঁৰ বস্তু-বেহানিবোৰ আনিবৰ কাৰণে ফ্ৰাঙ্কফুৰ্টলৈ পঠাইছিল, কেনেকৈ তেওঁৰ মাত্ৰ এটা চিন্তা হৈছিল— অতি শীঘ্ৰে পেৰিছলৈ যোৱাৰ চিন্তা। ইয়াৰ পিচৰ আৰু জঘন্য, আৰু ঘৃণনীয় স্মৃতিবোৰৰ কথা তেওঁৰ মনত পৰিছিল। পেণ্টালিয়নে তেওঁক দেখা কৰিবলৈ আহিছিল। প্ৰথমতে তেওঁ বুঢ়াজনৰ পৰা লুকাই থাকিবলৈ বিচাৰিছিল, কিন্তু শেষত তেওঁক লগ ধৰিবলৈ বাধ্য হৈছিল। বুঢ়াই খঙতে জ্বলিপকি উঠিছিল আৰু পাৰে মানে ছানিনক অভিশাপ দিছিল। ছানিনে সেমেনা সেমেনি কৰি মাৰীয়া নিকোলায়েভনা আৰু প'লোঝোভৰ লগত একেখন ঘোঁৰা-গাড়ীতে উঠিছিল আৰু পেৰিছ অভিমুখে যাত্ৰা কৰিছিল। ছানিনে বাকলি গুচাই দিয়া নাচপতি প'লোঝোভে খাইছিল। মাৰীয়া নিকোলায়েভনাই ছানিনৰ পিনে পূৰ্বপৰিচিত হাঁহি এটা মাৰিছিল —মালিকৰ হাঁহি, বিজয়ীৰ হাঁহি। আৰু ছানিন হৈছিল সম্পূৰ্ণ পৰাভূত, সম্পূৰ্ণ বশীকৃত।

নগৰৰ উপকণ্ঠ পাৰ হৈ কিছুদূৰ যোৱাৰ পিচত তেওঁলোকে এমিলিৰ লগত পুনৰ পেণ্টালিয়নক লগ পাইছিল। ছানিনৰ বীৰৰ

আৰু আদর্শ দেখি এদিন এমিলিৰ কুমলীয়া হৃদয় আনন্দত আপ্লুত হৈছিল। সি এতিয়া ছানিনক দেখি ভয়তে ম্লান হৈ পৰিছিল। কিন্তু তাৰ মৰমতে পমি যোৱা মুখখন দেখি মাৰীয়া নিকোলায়েভনাই খিড়িকীৰে মুখ উলিয়াই নোচোৱাকৈ থাকিব নোৱাৰিছিল। তাৰ সৌম্য মূৰ্ত্তিৰ মাজত পৰিলক্ষিত হৈছিল ঘৃণা আৰু ৰাগ। সি ওঁঠ কামুৰি ছানিনৰ পিনে চাইছিল কেৱল গালি-শপনি দিবৰ কাৰণে মুখ মেলিছিল।

ভাৰ্টাগলিয়া পেণ্টালিয়নৰ কাষতে থিয় হৈ আছিল। পেণ্টালিয়নে ছানিনৰ পিনে আঙুলিয়াই "ধৰ্ ধৰ্" বুলি কোৱাত সি ভুকিবলৈ লৈছিল আৰু সেই ভুকনিত আছিল অসহ্য উপহাস।

আৰু তাৰ পিচত? — পেৰিছত তেওঁৰ কুকুৰধুলি জীৱন যাপন — কেৱল লঘুলাঞ্ছনা, কেৱল দাসত্বৰ বোজা, কেৱল জঘন্য যন্ত্ৰণা। তেওঁ যেন এটা কিনা-গোলামহে, যাৰ ঈৰ্ষা আপত্তিৰ কোনো অধিকাৰ নাই আৰু যাক কামত নহা হাতমোজাৰ দৰে দলিয়াই দিয়া হয়।

অৱশেষত জন্মভূমিলৈ প্ৰত্যাৱৰ্ত্তন। বিষময়, বিধ্বংস এটি জীৱন। চিন্তা, ব্যাকুলতা। তিক্ততা, নিষ্ফলতা। অনুশোচনা, পাহৰণি। দেখাত তেওঁ কোনো শাস্তি পোৱা নাছিল, কিন্তু প্ৰতি মুহূৰ্ত্তে তেওঁ মৰ্মে মৰ্মে অনুভৱ কৰিছিল এক নীৰস অনুপশমিত বেদনা। তেওঁ যেন হাজাৰ হাজাৰ টকাৰ দেনা এটকা এটকাকৈ পৰিশোধ কৰিছিল। ..

তেওঁৰ জীৱনটো অথলে গৈছিল — সম্পূৰ্ণ অথলে।

জেমাই দিয়া ক্ৰছটোনো কেনেকৈ আজিলৈকে আছে, কিয় নো ইয়াক ঘুৰাই দিয়া নহল, কিয় নো ইমান দিনে ই তেওঁৰ হাতত পৰা নাছিল? তেওঁ বহু সময় চিন্তা কৰিলে আৰু ইমান

বহুবৰ অভিজ্ঞতা থকা সত্বেও তেওঁ নো জেমাক সেই তিৰোতাজনীৰ বিনিময়ত কেনেকৈ ত্যাগ কৰিলে তাক তেওঁ বুজিব নোৱাৰিলে। জেমাক তেওঁ অন্তৰৰপৰা ভাল পাইছিল, তেওঁৰ প্ৰতি তেওঁৰ অনুৰাগ জন্মিছিল ; কিন্তু মাৰীয়া নিকোলায়েভনাক তো তেওঁ কাহানিও ভাল পোৱা নাছিল।

পিচদিনা ছানিনে তেওঁৰ বন্ধু-বান্ধৱ আৰু পৰিচিত লোকসকলক বিদেশলৈ যোৱাৰ কথা কৈ আচৰিত কৰি তুলিলে। সিদিনা মাথোন নতুনকৈ সজাই-পৰাই তেওঁ ঘৰ এটা ভাড়া লৈছে। তদুপৰি এতিয়া শীত কালৰ মাজভাগ। ইতিমধ্যে ইটালীয় অপেৰা চাবৰ কাৰণে তেওঁ টিকট কিনিছে। এই অপেৰাত মেডাম পট্টীয়েও অংশ গ্ৰহণ কৰিব। এনে স্থলত ছানিনে পিটাৰ্চবুৰ্গ এৰিব! বন্ধু-বান্ধৱ আটায়ে অবাক হ'ল। কিন্তু বহু সময়ত আনৰ কথা ভবাটো মানৱ প্ৰকৃতি নহয়। ছানিন বিদেশলৈ যাত্ৰা কৰা সময়ত ষ্টেচনলৈ মাত্ৰ এজন ফৰাচী দৰ্জিহে গৈছিল, আৰু দৰ্জিজনো যে গৈছিল কেৱল পাউনি আদায়ৰ আশাতহে।

তেচল্লিশ

ছানিনে তেওঁৰ বন্ধুবৰ্গক বিদেশলৈ যোৱাৰ কথা কৈছিল, কিন্তু ক'লৈ যাব সেই কথা কোৱা নাছিল। পাঠকে সহজে অনুমান কৰিব পাৰিছে, তেওঁ পোনে পোনে ফ্ৰাঙ্কফুৰ্টলৈ গৈছিল।

১৮৪০ চনৰপৰা তেওঁ সেই নগৰীত পদাৰ্পণ কৰা নাছিল। "শুভ্ৰ-হংস" আগৰ ঠাইতে আছিল, কিন্তু আগৰ দৰে প্ৰথম শ্ৰেণীৰ হোটেল হিচাপে নহয়। ফ্ৰাঙ্কফুৰ্টৰ প্ৰধান ৰাজপথটোৰ বিশেষ সালসলনি হোৱা নাই। ৰোজেলীহঁতৰ ঘৰ কিয়, দোকান যিটো আলিত আছিল তাৰো কোনো চিন-মকাম নাছিল। ছানিনে

চমকিত হৈ তাহানিৰ পৰিচিত ৰাস্তাবোৰেদি ফুৰা-চকা কৰিবলৈ ধৰিলে, কিন্তু একোকে চিনি নাপালে। পুৰণি ঘৰবোৰ এতিয়া আৰু নাই। সেইবোৰৰ ঠাইত নতুন নতুন ৰাস্তা আৰু লানি-নিচিগা ডাঙৰ ডাঙৰ অট্টালিকা নিৰ্মিত হৈছে। যিখন ৰাজহুৱা পাৰ্কত বহি ছানিনে জেমাৰ ওচৰত প্ৰেম নিবেদন কৰিছিল, সেই পাৰ্কৰ গছ-লতিকা আৰু জুপুৰা বনবোৰ ইমান ডাঙৰ 'আৰু ডাঠ হৈছিল যে, এইখনেই সেই পুৰণি পাৰ্ক হয় নে নহয় তেওঁৰ সন্দেহ হৈছিল। কেনেকৈ, কাক এইবোৰ কথা সুধিব? কালৰ গৰ্ভত ত্ৰিশটা বছৰ বিলীন হৈছে। তেওঁ হাতত লোৱা কাম সহজ-সাধ্য নহয। হতাশ হৈ তেওঁ হোটেলৰ মালিকক হেৰ্ ক্ৰুবাৰৰ কথা সুধিলে। হেৰ্ ক্ৰুবাৰৰ নাম যদিও হোটেলৰ মালিকে ভালদৰে জানিছিল তথাপি তেওঁৰ পৰা কোনো কামত নাহিল। হেৰ্ ক্ৰুবাৰ পুঁজিপতিৰ শাৰীলৈ উঠিছিল, কিন্তু শেষত ক্ষতিগ্ৰস্ত হৈ দেউলিয়াপ্ৰাপ্ত হৈছিল আৰু জেললৈ গৈ মৃত্যু-মুখত পৰিছিল। ছানিনে ভাবিবলৈ ধৰিলে তেওঁ যেন পৰ্বতত কাছকণীহে বিচাৰিছে। ফ্ৰাঙ্কফুৰ্টৰ ডাইৰেক্টৰী এখনৰ পাত লুটিয়াই তেওঁ হঠাতে এদিন ভন ডনহফৰ ঠিকনাটো পালে। ভন ডনহফে মেজৰ হিচাপে অৱসৰ গ্ৰহণ কৰিছিল।

পানীত পৰা মানুহে খেৰ-কুটা এডালতো আশ্ৰয় লোৱাৰ দৰে ছানিনে অৱসৰপ্ৰাপ্ত মেজৰজনৰ ঘৰলৈ গ'ল আৰু তত্তালিকে তেওঁৰ পুৰণা শত্ৰুক বুঢা ভদ্ৰলোক এজনৰ বেশত দেখা পালে। তেৰেঁা ছানিনক চিনি পালে। ইমান বছৰৰ মূৰত ছানিনক দেখি তেওঁ অতি আনন্দিত হ'ল। কাৰণ ই তেওঁক ডেকাকালৰ কথা আৰু যুৱসুলভ কৌতূহলৰ কথা সোঁৱৰাই দিলে। ছানিনে তেওঁৰপৰা জানিব পাৰিলে জেমাইঁত আমেৰিকালৈ গৈছে আৰু নিউ ইয়ৰ্কত বসবাস কৰিছে, এজন ধনী ব্যৱসায়ীৰ লগত জেমাৰ বিয়া হৈছে। ডনহফে আমেৰিকাৰ লগত কাৰবাৰ কৰা এজন চিনাকি ব্যৱসায়ীৰপৰা জেমাৰ গিৰিয়েকৰ

ঠিকনাটো আনি ছানিনক দিলে। ছানিনৰ এতিয়া আনন্দ চাই কোনে!

" আশা কৰোঁ তাহানিৰ আমাৰ ফ্ৰাঙ্কফুৰ্ট-সুন্দৰী এতিয়াও জীয়াই আছে আৰু নিউ ইয়ৰ্ক ত্যাগ কৰা নাই," ডন ডনহ্যুকে চিএৰি ক'লে। এই প্ৰসঙ্গতে তেওঁ সুধিলে, "ৰিজবাডেনত থকা সেই কছ মহিলা গৰাকী এতিয়াও জীয়াই আছেনে?"

" নাই, তেওঁ কেতিয়াবাই মৰিল।"

ডন ডনহ্যুকে ওপৰলৈ মুখ তুলি ছানিনৰ মুখত বিৰক্তিৰ ভাব দেখি, কোনো কথা নোকোৱাকৈ ৰাওনা হ'ল।

সিদিনাই ছানিনে নিউ ইয়ৰ্কৰ ঠিকনাত জেমালৈ এখন চিঠি দিলে। সেই চিঠিত তেওঁ জনালে যে, জেমাৰ অনুসন্ধানতে তেওঁ ফ্ৰাঙ্কফুৰ্টলৈ আহিছে, তেওঁ ভালদৰে জানিছিল যে, জেমাৰপৰা উত্তৰ পাবলৈ আশা কৰাৰ অধিকাৰ তেওঁৰ নাই, তেওঁ এনে কোনো কাম কৰা নাই যাৰ কাৰণে জেমাই তেওঁক ক্ষমা কৰিব, জেমাই বৰ্ত্তমানৰ আনন্দ পৰিবেশৰ মাজত তেওঁৰ কথা কেতিয়াবাই পাহৰি গৈছে। তেওঁ ইয়াকো জনালে যে, ঘটনাক্ৰমে জেমাৰ কথা তেওঁৰ মনত পৰিল, যিয়ে তেওঁৰ সন্মুখত অতীতৰ সকলো কথা স্পষ্টকৈ সোঁৱৰাই দিলে। তেওঁ জেমাক তেওঁৰ অকলশৰীয়া, নিৰানন্দ, গৃহিনীহীন, সন্তি-সন্ততিহীন জীৱনৰ কথা ক'লে। ইমান বছৰৰ মূৰত তেওঁক সম্বোধন কৰাৰ কাৰণ বুজিবলৈ তেওঁ যেন চেষ্টা কৰে, তেওঁৰ দোষ যেন ক্ষমা কৰে, তেওঁ কবৰখানালৈ যেন দোষৰ চেতনা বৈ নিব নালাগে, তেওঁৰ বিষয়ে, আমেৰিকাত তেওঁৰ জীৱনৰ বিষয়ে যৎকিঞ্চিৎ খবৰ দি হলেও যেন তেওঁক আনন্দিত কৰে। ছানিনে শেষত লিখিলে — " মোলৈ এৰাৰি কথা লিখিলেও তোমাৰ মহৎ অন্তৰে মহৎ উপকাৰ কৰা হব আৰু ইয়াৰ বাবে তোমাৰ ওচৰত জীৱনৰ অন্তিম মুহূৰ্ত্তলৈ মই কৃতজ্ঞতাপাশত

আবদ্ধ থাকিম। মই "শুভ্ৰ-হংস" ত আছো (তেওঁ শব্দ দুটাৰ তলত আঁচ টানিছিল) আৰু তোমাৰ উত্তৰৰ প্ৰতীক্ষাত বসন্তৰ আগমনিলৈকে থাকিম।"

ছানিনে চিঠিখন ডাকত দি উত্তৰলৈ বাট চাই থাকিল। তেওঁ থকা কোঠাটোৰ পৰা প্ৰায় বাহিৰ নোহোৱাকৈ তেওঁ পূৰা ছসপ্তাহ কাল হোটেলত অপেক্ষা কৰিলে। ৰুছিয়া বা আন কোনো ঠাইৰপৰা তেওঁৰ চিঠি আহিব লগা নাছিল আৰু সেই কাৰণেই তেওঁৰ সুবিধা হৈছিল। যদি কাৰোবাৰপৰা চিঠি আহে তেনেহলে তেওঁ আশা কৰা মতে সেইখন নিশ্চয় জেমাৰপৰা অহা চিঠি হব। তেওঁ পুৱাৰপৰা ৰাতিলৈকে পঢ়াত ব্যস্ত আছিল—আলোচনীৰ পাত মেলি নহয়, গভীৰ বুৰঞ্জীমূলক গ্ৰন্থ অধ্যয়ন কৰি। অবিৰাম পঠন, নীৰৱতা আৰু সন্ন্যাসীৰ দৰে নিৰ্জন জীৱনকে তেওঁৰ মনে বিচাৰিছিল—আৰু তাৰ বাবে তেওঁ জেমাৰ ওচৰত কৃতজ্ঞ হৈছিল।

অৱশেষত নিউ ইয়ৰ্কৰপৰা অহা আমেৰিকাৰ মোহৰ মৰা চিঠি এখন তেওঁৰ হাতত পৰিল। খামৰ ওপৰৰ ঠিকনাটো ইংৰাজীত লিখা যেন অনুমান হৈছিল। ঠিকনাটো মাতিব নোৱাৰি তেওঁ মনত বৰ দুখ পালে। লেফাফাটো তৎক্ষণাৎ খুলিবৰ কাৰণে তেওঁৰ সাহস নহল। কিছু সময়ৰ পিচত খুলি চাই প্ৰথমতে চহীটোৰ পিনে চালে — "জেমা।" চকুলোৰে তেওঁৰ দুনয়ন ভৰি পৰিল। গিৰিয়েকৰ নাম উল্লেখ নকৰি জেমাই যে কেৱল নিজৰ নামটোহে লিখিছে ইয়ে তেওঁৰ মানত পুনৰ্বন্ধুত্ব আৰু ক্ষমাৰ নিদৰ্শন। সেউজীয়া কাগজখনৰ ভাঁজ মেলাৰ লগে লগে এখন ফ'টো ওলাই পৰিল। তেওঁ ততালিকে ফ'টোখন বুটলি ললে আৰু দেখি একেবাৰে অবাক মানিলে — এয়া দেখোন স্বয়ং জেমা, জীৱন্ত জেমা! ত্ৰিশ বছৰৰ আগৰ জেমা, ষোড়শী যুৱতী জেমা !! সেই একেযুৰি চকু, একেছুটি ওঁঠ একেখনি মুখ — অলপো পৰিবৰ্ত্তন নাই !!! ফ'টোখনৰ পিপিঠিত লিখা আছিল — "মোৰ ছোৱালী মাৰীয়ানা।" চিঠিখন আছিল

সহজ, সৰল, মৰমসনা। ছানিনে যে তেওঁক চিঠি দিবলৈ কুণ্ঠাবোধ কৰা নাই আৰু তেওঁৰ প্ৰতি যে ছানিনৰ বিশ্বাস আছে, তাৰ বাবে জেমাই ছানিনক ধন্যবাদ জনাইছিল। তেওঁ ইয়াকো লুকোৱা নাছিল যে, ছানিন যোৱাৰ পিচতে প্ৰকৃততে তেওঁ দুখৰ জীৱন যাপন কৰিছিল। কিন্তু পিচমুহূৰ্ত্তে আকৌ লিখিছিল যে তেওঁৰ লগত দেখা-দেখি হোৱাৰ কাৰণে তেওঁ নিজকে ভাগ্যৱতী বুলি ভাবিছে আৰু ভৱিষ্যতেও ভাবিব, কিয়নো এই দেখা-সাক্ষাতেই তেওঁক হেৰ্ ক্ল্ৰাৰৰ পত্নী হবলৈ নিদিলে আৰু এনেদৰে পৰোক্ষভাবে হলেও ছানিন বৰ্ত্তমানৰ গিৰিয়েকৰ লগত বিয়া সোমোৱাৰ কাৰণ হৈছে, যাৰ লগত তেওঁ আজি সাতাইশ বছৰ কাল সম্পূৰ্ণ সুখ-সমৃদ্ধিত কটাইছে। নিউ ইয়ৰ্কৰ সকলো লোকে আজি তেওঁলোকৰ ঘৰখনৰ কথা জানে। জেমাই ছানিনক তেওঁৰ পাঁচটি সন্তান হোৱাৰ কথাও জনাইছিল — চাৰিজন ল'ৰা আৰু ওঠৰ বছৰীয়া এজনী ছোৱালী, যাৰ বিয়া অলপতে হব আৰু যাৰ ফ'টোখন ছানিনলৈ উপহাৰ দিছে, কিয়নো সৰ্বসাধাৰণৰ অভিমত এয়ে যে, ছোৱালীজনী সাইলাখ তেওঁৰ নিচিনা। জেমাই চিঠিখনৰ শেষৰ পিনে দুখজনক খবৰবোৰ জনাইছিল। মাক জীয়েক-জোঁৱায়েকৰ লগত নিউ ইয়ৰ্কলৈ আহি ঢুকাইছিল, কিন্তু তেওঁ জেমাৰ ল'ৰা-ছোৱালী কেইটিৰ লগত ধেমালি কৰিবলৈ আৰু সিহঁতক মৰম-চেনেহ কৰিবলৈ বহুদিন জীয়াই আছিল। পেণ্টালিয়নো আমেৰিকালৈ আহিবলৈ ইচ্ছা কৰিছিল, কিন্তু ফ্ৰাঙ্কফুৰ্ট এৰাৰ আগে আগে তেওঁৰ মৃত্যু হৈছিল। "আৰু এমিলিও, আমাৰ সকলোৰে চেনেহৰ সকলোৰে মৰমৰ অতুলনীয় এমিলিও আৰু ইহ জগতত নাই। নিজ মাতৃভূমিৰ স্বাধীনতাৰ হকে যুঁজি সি চিচিলীত মহান্ মৃত্যু বৰণ কৰিছে। মহামতি গেৰিবল্ডিৰ নেতৃত্বত যুঁজা 'সহস্ৰ বীৰ'ৰ ভিতৰত সিও আছিল এজন। আমাৰ মৰমৰ ভাইটিৰ বিয়োগত আমি শোকত একেবাৰে অভিভূত হৈ পৰিছিলোঁ। আমি চকুলো টুকিলেও, তাঁৰ কাৰণে আমি গৌৰৱান্বিত আৰু ভৱিষ্যতেও গৌৰৱ

অনুভব কৰিম আৰু তাৰ স্মৃতি আমাৰ মানত চিৰপবিত্ৰ হৈ থাকিব। তাৰ সুউচ্চ, সুমহান, নিস্পৃহ আত্মাই শ্বহীদৰ বিজয়-মুকুট পোৱাৰ যোগ্য।" জেমাই তাৰ পিচত ছানিনৰ জীৱন-ধাৰা বেয়াৰ পিনে যোৱাৰ কাৰণে দুখ প্ৰকাশ কৰিছিল, আৰু সকলোৰে উপৰি তেওঁৰ মানসিক শান্তি আৰু আধ্যাত্মিক শান্তিৰ কাৰণে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছিল। সদৌ শেষত লিখিছিল, তেওঁক আকৌ লগ পালে তেওঁ পৰম সুখী হব, কিন্তু তেওঁ বুজিছিল ছানিনৰ লগত লগা-লগি হোৱাৰ সম্ভাৱনা খুব কম।

চিঠিখন পঢ়োঁতে ছানিনৰ মনলৈ অহা আবেগানুভূতিৰ কথা বৰ্ণনা কৰিবলৈ আমি চেষ্টা নকৰোঁহক। এনেকুৱা আবেগানুভূতি লিপিবদ্ধ কৰিবলৈ মনঃপূত শব্দৰ অভাৱ। সিইঁতৰ গভীৰতা, সৰলতাক শব্দই ৰূপ দিয়া টান, একমাত্ৰ সঙ্গীতেহে সিইঁতক ৰূপ দিবলৈ সক্ষম।

চিঠিখন পোৱাৰ লগে লগে ছানিনে উত্তৰ দিলে আৰু লগতে ভাবী কইনালৈ এটি প্ৰীতি-উপহাৰ পঠালে — এধাৰি ধুনীয়া মুকুতাৰ কণ্ঠহাৰৰ লগত গঁথা এটা গাৰ্ণেট ক্ৰছ। ক্ৰছটোৰ ওপৰত খোদিত কৰা হৈছিল — "এজন অপৰিচিত বন্ধুৰপৰা মাৰীয়ানা শ্লোকামলৈ।" উপহাৰটি অতি মূল্যৱান হলেও ই ছানিনক সৰ্বস্বান্ত কৰা নাছিল। ফ্ৰাঙ্কফুৰ্টত প্ৰথম পদাৰ্পণ কৰাৰ দিন ধৰি আজি দেৰকুৰি বছৰে তেওঁ যথেষ্ট ধন সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছিল। মে' মাহৰ প্ৰথম ভাগতে তেওঁ পিটাৰ্চবুৰ্গলৈ উভতি আহিল, কিন্তু বেছি দিনৰ কাৰণে নহয় বোধহয়। মানুহৰ মাজত জনৰৱ উঠিছে যে, তেওঁ তেওঁৰ খাতখন বিক্ৰী কৰি আমেৰিকালৈ যাব।

—সমাপ্ত—

তলত দিয়া দোকানবোৰতো কিতাপ পাব

১। দত্ত বৰুৱা এণ্ড কোং	}	গুৱাহাটী - ১
২। নিউ বুক ষ্টল		গুৱাহাটী - ১
৩। মণি-মাণিক প্ৰকাশ		গুৱাহাটী - ১
৪। গুৱাহাটী বুক ষ্টল		গুৱাহাটী - ৩
৫। ভাগৱতী ব্ৰাদাৰ্চ এণ্ড কোং		

পোঃ আ°—নলবাৰী (কামৰূপ)

উপলব্ধি

জাহানাৰাৰ বিষয়ে লব্ধপ্ৰতিষ্ঠ সাহিত্যিক আৰু বিদগ্ধ পণ্ডিত সকলৰ অভিমত

তোমাৰ 'জাহানাৰা' অনুবাদ অতি সুন্দৰ হৈছে। পঢ়িলে অনুবাদ যেন নালাগে। আশা কৰো ইয়াৰ আদৰ হব।

—কৃষ্ণকান্ত সন্দিকৈ

১৮।৬।৬৮

অনুবাদ হলেও, কিতাপখনৰ এটা নিজস্ব সুৰ আছে।

—লক্ষ্মীনাথ ফুকন

৩।৭।৬৮

শ্ৰীবৈশ্যদেৱৰ ভাষা ইমান সৰল আৰু সুন্দৰ হৈছে যে জাহানাৰাই স্বয়ং যেন অসমীয়াতহে এই আত্মকাহিনী লিখিছে।

জাহানাৰাই লিখিছে—'মই মোৰ বুকুৰ তেজেৰে এই আত্মকথা লিখিছোঁ।' এই কথা আখৰে আখৰে সঁচা। এই দীনা আৰু হতভাগিনী ৰাজকুমাৰীৰ মৰ্মভেদী ভাববোৰ প্ৰকাশ কৰিবলৈ যি যি শব্দ যি যি কথা, যি যি বাক্য প্ৰয়োগ কৰাৰ আৱশ্যক হৈছে, সেইবোৰ লিখকে সযতনে যথাস্থানত প্ৰয়োগ কৰি আমাৰ ভাষাৰ জেউতি বঢ়াইছে।

—৺জ্ঞাননাথ বৰা

২৪।৭।৬৮

I congratulate you for taking honest pains to translate the book into our language and I find that the translation reads like an original work

—S. Abdul Malik.

31.7 68.

জাহানাৰা হাতত লৈ ইমান ভাল লাগিল যে এবাতিৰ ভিতৰতে ইয়াক পঢ়ি শেষ কৰিলোঁ।

—দণ্ডীৰাম দত্ত
৩।৮।৬৮

পঢ়ি বৰ ভাল পালোঁ। ভাঙনি বৰ সুন্দৰ হৈছে। ভাষা সৰল, সহজ হৈছে। ভাঙনি সাহিত্য সৃষ্টি কৰিব পৰাটো হৈছে বিশেষ এক দক্ষতাৰ কথা। তোমাৰ ক্ষেত্ৰত এই দক্ষতাৰ পৰিচয় পাইছোঁ।

—হেম বৰুৱা
১১।৮।৬৮

I read your rendering as a piece of literature, and found a lot of satisfaction out of your mastery of the language

Kshitis Roy
10 10 68

মোগল যুগৰ সংঘাতময় বুৰঞ্জীৰ মাজত ভাৰত সংস্কৃতিৰ সৰোবৰত ফুলি উঠা জাহানাৰা যেন এপাহি দেৱদুৰ্লভ চিৰসুৰভিত সুবৰ্ণ কমল। অত্যাচাৰী ভাতৃৰ অন্যায় শাসনত নিষ্পেষিত হোৱা সুদীৰ্ঘ কাল অন্ধকাৰ কাৰাগাৰত বন্দিনী জাহানাৰাৰ পদ্মপলাশ চকুৰ লোতকে তিওৱা হিয়াৰ টুপি টুপি তেজৰ আখৰে লিখা ব্যৰ্থ বঞ্চিত প্ৰেমিকা কবি হিয়াৰ কল্পনা সপোনে সুৰঞ্জিত সুৰভিত মৰ্ম্ম কাহিনী বিশ্ব সাহিত্যৰ এখনি মূল্যৱান্ সম্পদ। এই বহুমূলীয়া সাহিত্যখনিক নিজৰ মাতৃভাষা অসমীয়ালৈ ৰূপ দিয়াত অনুবাদকে সম্পূৰ্ণ সাৰ্থকতা লাভ কৰিছে। সাহিত্যসেৱীৰ প্ৰাণৰ বোৱতী সুঁতিৰ সোঁতত বৈ অহা নিভাঁজ সুৱলা প্ৰাঞ্জল ভাষাৰ প্ৰতিটি শাৰী নিজস্ব গৌৰৱত মনোৰম হৈ উঠিছে। জাহানাৰা হাতত লৈ পাত লুটিয়াই গৈছো, মুগ্ধ মনেৰে—শেষ নোহোৱালৈকে। মোৰ মনত হৈছিল জাহানাৰা যেন এজনী অসমীয়া ছোৱালী, অসমীয়া জাহানাৰাৰ আত্মকাহিনী যেন মই শুনিছো।

—নলিনীবালা দেৱী
৬।১।৬৯

তোমাৰ অনুবাদ ভাল হৈছে, সৰল হৈছে। পঢ়োঁতে এনে লাগে যেন জাহানাৰাই হে অসমীয়া ভাষাত তেওঁৰ আত্মজীবনী লিখিছিল।

—অমিয়কুমাৰ দাস

১২।১।৬৯

পঢ়ি বৰ সন্তোষ পালোঁ। অনুবাদ সুন্দৰ আৰু শুদ্ধ হৈছে। এনে অনুবাদ পুথি আমাক লাগে। 'জাহানাৰা'ৰ নিচিনা পুথিয়ে মানৱীয়তাৰ আদৰ্শ প্ৰচাৰ কৰিব পাৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

—বেণুধৰ শৰ্মা

১৩।১।৬৯

I hope your work, because of your fine Assamese style, will become popular among readers of Assamese.

Dr Sunity Kumar Chatterji

30 1 69

শ্ৰীযুত কৃপানাথ বৈশ্যৰ দ্বাৰা অনূদিত পুথি 'জাহানাৰা' পঢ়ি আনন্দ পালোঁ। মোগল ৰাজকুমাৰী জাহানাৰাৰ আত্ম-জীৱনীয়ে প্ৰতিকূল পৰিবেশৰ মাজত এক ৰমণী-হৃদয়ৰ মৰ্ম্মবেদনা স্পৰ্শক্ষম ৰূপত প্ৰকাশ কৰিছে। তাৰোপৰি এই জীৱন-স্মৃতিয়ে তুলি ধৰিছে মোগল বাদশ্বাহ ছাহজাহানৰ ৰাজত্বৰ শেষ কালছোৱাত উদ্ভব হোৱা ভাতৃ-কলহৰ নিষ্ঠুৰতা আৰু ঔৰঙ্গজেবৰ ধৰ্ম্মান্ধতাৰ আঁৰত লুকাই থকা দানৱীয় কঠোৰতা। ইয়াৰ মাজেদি প্ৰকাশিত হৈছে যৌৱনৰ সোণালী সপোন, পাৰিপাৰ্শ্বিকতাৰ নিষ্ঠুৰ উপহাস, আৰু অৱৰুদ্ধ নাৰী-হৃদয়ৰ ব্যৰ্থতা। বেদনা-ক্লিষ্ট অন্তৰৰ সৰল আৰু পোনপটীয়া উক্তিয়ে পুথিখন কাব্যিক মাধুৰ্য্যেৰে পূৰ্ণ কৰিছে। অনূদিত পুথিতো ইয়াৰ অভাৱ হোৱা নাই।

—ত্ৰৈলোক্যনাথ গোস্বামী

২৪।২।৬৯

কতাপখন পঢ়ি উঠি জাহানাৰাক আমি নিঃসঙ্কোচে ভাৰতীয় মহিয়সী নাৰীসকলৰ একেশাৰীতে আসন দিব পাৰোঁ। এই পুথি প্ৰণয়ণত শ্ৰীকৃপানাথ বৈশ্য কৃতকাৰ্য্য হৈছে এই বাবেই যে তেওঁৰ পুথিখন সমূলি অনুবাদগন্ধী হোৱা নাই। ইয়াক একেলগে বুৰঞ্জী আৰু উপন্যাসৰ সোৱাদ থকা মূলপুথি এখন বুলিয়েই ভাবিবৰ মন যায়।

—অতুলচন্দ্ৰ হাজৰিকা
২।১০।৬৯

I have gone through the assamese rendering of Jahanara's autobiography by Sri Kripanath Baisya, Assistant Librarian, Gauhati University, and I am favourably impressed Though it is a translation, it reads like an original piece due to the author's deft handling and lucid exposition I congratulate the author for his selection of theme In the history of Mughal ladies Princess Jahanara shines like a golden star, solitary and unparalleled. Her immaculate spotless character, her love and regard for Hindu scriptures and religion, her righteousness and moral courage, her hatred of bigotry, fanaticism and immorality and the like qualities of head and heart are ennobling and soul-lifting to every reader irrespective of time or clime, age or sex Sri Baisya's translation is faithful to the original in matter and spirit. I congratulate the author for his neat work and wish the book a wide popularity

Dr Jogiraj Basu
15.11.69